● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

ৰূপকথাবোৰ অতি সত্য; এই কাৰণে নহয় যে এইবোৰে ড্ৰেগন আছিল বুলি কয়, বৰঞ্চ এই বাবে যে এইবোৰে ড্ৰেগনক পৰাজিত কৰাটো সম্ভৱ বুলি আমাক জনায়।

নীল গেইমেন
*ব্ৰিটিছ লেখক*



www.dainikagradoot.in

৭ চীনত প্ৰৱেশ অ'মিক্ৰনৰ, আক্ৰান্তক চিনাক্ত
১৫ টীম ইণ্ডিয়াত বিভাজনৰ স্পষ্ট প্ৰতিফলন
৪ সংখ্যালঘুৰ ওপৰত বাঢ়িছে আক্ৰমণ গণতন্ত্ৰৰ পৰা সংখ্যাগুৰুতন্ত্ৰলৈ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৬৯তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৮ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৫ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 15 December 2021 মূল্য ঃ ৯.০০ টকা

■ ডিব্ৰুগড়ৰ মনোহাৰী চাহ বাগিচাই নিজৰেই অভিলেখ ভংগ কৰি ৰচিলে নতুন ইতিহাস

■ কৰ'নাকালত চাহ উদ্যোগ লোকচানৰ সন্মুখীন হোৱাৰ সময়তে আহিল ইতিবাচক খবৰ

## কিলোত এক লাখ টকাত বিক্ৰী অসমৰ চাহ



**বিশেষ সম্বাদদাতা**
**ডিব্ৰুগড়, ১৪ ডিচেম্বৰ ঃ** অবিশ্বাস্য! অসমৰ এক কিলোগ্ৰাম চাহপাতৰ মূল্য কিমান হ'ব পাৰে বাৰু? আচৰিত নহ'ব, আজি অসমত এক কিলোগ্ৰাম চাহৰ মূল্য আপোনালোকে ধাৰণা কৰাতকৈও বহু হেজাৰ গুণ বেছি হ'ব পাৰে। এনে অবিশ্বাস্য মূল্যৰেই অসমৰ চাহৰ বজাৰত নতুন ইতিহাস ৰচনা কৰিলে ডিব্ৰুগড়ৰ মনোহাৰী চাহ বাগিচাই। এই বাগিচাখনত প্ৰস্তুত কৰা মনোহাৰী গ'ল্ড চাহৰ এক কেজি চাহপাত আজি ৯৯,৯৯৯.০০ টকাত নিলাম কৰি বিশ্ব অভিলেখ গঢ়ে। ডিব্ৰুগড়ৰ মনোহাৰী চাহ বাগিচাৰ এই চাহ গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰৰ পৰা সৌৰভ টি ট্ৰেডাৰ্ছে ৯৯,৯৯৯.০০ টকাত ক্ৰয় কৰে। উল্লেখ্য যে গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰত আজি এই সৰ্বোচ্চ পৰিমাণত নিলাম হোৱাত নিজৰেই পূৰ্বৰ অভিলেখ ভংগ কৰে মনোহাৰী চাহ বাগিচাই। *১০ পৃষ্ঠাত চাওক*

■ চৰকাৰৰ অৱহেলাত নিজাববীয়াকৈয়ে জৰীপ ■ নহয় উচ্ছেদ

## জনজাতিৰ বাবে সংৰক্ষিত ৪০ লাখ বিঘা ভূমিত বেদখল ঃ ট্ৰাইবেল সংঘ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** চৰকাৰে ৰাজ্যৰ বিভিন্ন স্থানত হোৱা বেদখল উচ্ছেদ অব্যাহত ৰখাৰ সমান্তৰালভাৱে আন বহু স্থানতো এনে অভিযান চলিব বুলি ঘোষণা কৰিছে। এই পৰ্যন্ত চলোৱা উচ্ছেদ অভিযানত জনজাতিৰ বাবে সংৰক্ষিত অঞ্চলবোৰক সামৰি লোৱা নাই। ইয়াকে লৈ জনজাতীয় দল-সংগঠনবোৰৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। অথচ জনজাতিৰ বাবে সংৰক্ষিত অঞ্চলতো অবাধ গতিত বেদখল অব্যাহত আছে। লক্ষ্যণীয়ভাৱে জনজাতীয় খণ্ড আৰু আবেষ্টনীৰ ভূমিৰ চৰকাৰে এই পৰ্যন্ত জৰীপ কৰা নাই। প্ৰতিখন চৰকাৰে জৰীপৰ আশ্বাস দিয়ে যদিও আজিলৈকে তাক কাৰ্যকৰী কৰা *১০ পৃষ্ঠাত চাওক*

**সন্দেহজনক নাগৰিক-প্ৰভাৱশালী ব্যক্তিৰ দপ্‌দপনি চলি আহিছে**

## পিতৃৰ ছাৰ্ভিচ পিষ্টলেৰে খেলি থাকোতে গুলিবিদ্ধ আৰক্ষী বিষয়াৰ শিশু পুত্ৰ

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৪ ডিচেম্বৰ ঃ** এজন আৰক্ষী বিষয়াৰ অসাৱধানতাৰ বাবে যোৱা নিশা কলিয়াবৰৰ উলুৱনী আৰক্ষী থানাৰ চৌহদৰ এটি আবাসত সংঘটিত হয় এক অঘটন। পিতৃৰ ছাৰ্ভিচ পিষ্টলেৰে খেলি থাকোতেই গুলিবিদ্ধ হয় এজন আৰক্ষী বিষয়াৰ এটি চাৰি বছৰীয়া সন্তান। অৱশ্যে সৌভাগ্যক্ৰমে শিশুটিৰ প্ৰাণ ৰক্ষা *১০ পৃষ্ঠাত চাওক*

■ দক্ষিণ শালমাৰা-মানকাচৰ জিলাত ভয়াৱহ ভূমি আৱণ্টন কেলেংকাৰি ■ লাখ লাখ টকা উৎকোচ লৈছিল বৰ্তমানৰ বিধায়কৰ পত্নীয়ে ■ ছইবৰ বাহিনীৰ চকু কপালত উঠা দুৰ্নীতিৰ তথ্য

# দুহেজাৰ লোকৰ পৰা উৎকোচ আদায়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী/মানকাচৰ, ১৪ ডিচেম্বৰ ঃ** ২০১৭ৰ পৰা ২০২০লৈ দক্ষিণ শালমাৰা-মানকাচৰ জিলাত উপায়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰা আতিকা চুলতানাৰ কাৰ্যকালত ভয়াৱহ ভূমি কেলেংকাৰি সংঘটিত হৈছিল। সম্প্ৰতি গ্ৰেপ্তাৰ হৈ থকা নিলম্বিত এচিএছ বিষয়া ছইবৰ ৰহমানক কালি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে জিম্মাত লোৱাৰ পাছতে এই ভূমি কেলেংকাৰিৰ ঘটনা পোহৰলৈ



আহিছে। জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াকে ধৰি বিধায়কৰ পত্নী-এজেণ্ট, প্ৰাক্তন বিধায়ক, সাংসদৰ প্ৰতিনিধি, জিলা পৰিষদ, ৰাজহ চক্ৰৰ বিষয়া, ভূ-মাফিয়া এই ভূমি আৱণ্টন কেলেংকাৰিত জড়িত হৈ থকাৰ অভিযোগ বিভিন্ন সময়ত উত্থাপিত হৈ অহাৰ সময়তে কালি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে ছইবৰক পুনৰ জিম্মাত লোৱাৰ পাছতে জিলাখনত জোঁকাৰণিৰ সৃষ্টি হৈছে। উল্লেখ্য যে জিলাখনত থকা খাচ মাটি *১০ পৃষ্ঠাত চাওক*





*উৎকোচ আদায়ৰ অভিযোগত ধৃত ৰঞ্জিত কুমাৰ বৰা আৰু তেওঁৰ বিলাসী ফ্লেট, মহানগৰীত মঙলবাৰে।*

ঠিকা প্ৰদানৰ বিনিময়ত ২.১ কোটি ■ পূৰ্বেও লৈছিল দুটাকৈ ফ্লেট

দীৰ্ঘদিন দুৰ্নীতিত লিপ্ত ■ গুৱাহাটী-পাটনা-নয়ডাত চিবিআইৰ অভিযান

## উৎকোচ লৈ গ্ৰেপ্তাৰ হ'ল এন এফ ৰেলৱেৰ উপ-মুখ্য বৈদ্যুতিক অভিযন্তা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ঠিকা প্ৰদানৰ বিনিময়ত দুই কোটি ১০ লাখ টকাত বন্দোবস্ত কৰি তাৰে আগধন লোৱাৰ সময়ত নিজ কাৰ্যালয়তে চি বি আইৰ হাতত গ্ৰেপ্তাৰ হয় উত্তৰ-পূব সীমান্ত ৰেলৱেৰ এজন শীৰ্ষ বিষয়া। আজি দুপৰীয়া মালিগাঁওস্থিত (এন এফ) ৰেলৱেৰ মুখ্য কাৰ্যালয়ত সংঘটিত এই ঘটনাত ধৃত *১০ পৃষ্ঠাত চাওক*

## নগাঁৱত ৩৫ টা চোৰাং গৰুসহ ট্ৰাক জব্দ, আটক চালক-হেণ্ডিমেনক

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ মাজেৰে অব্যাহত আছে চোৰাং গৰুৰ সৰবৰাহ। জিলাখনৰ মাজেৰে যোৱা ৩৭ নম্বৰ আৰু ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে আন আন পথ সমূহেদি চোৰাং গৰুৰ সৰবৰাহ অব্যাহত আছে। চামগুৰি, ৰূপহীকে ধৰি কেতবোৰ অঞ্চলত গঢ়ি উঠিছে চোৰাং গৰু ব্যৱসায়ৰ ছিণ্ডিকেট। নগাঁও *১০ পৃষ্ঠাত চাওক*

■ মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশো ফুটুকাৰ ফেন ■ মহানগৰীত আৰক্ষীৰ সহযোগতে নিৰ্বিঘ্নে বিচৰণ হাইদৰ-বিপুলৰ দৰে ভূ-মাফিয়াৰ ■ কাৰ পৃষ্ঠপোষকতাত বেদখল চাৰি বিঘা মাটি

## থানাৰ সন্মুখতে ভূমি বেদখল গুণ্ডাবাহিনীৰ





**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ৰাজ্যজুৰি মাটিৰ দালাল চক্ৰ উৎখাত অভিযানৰ লৰা-ঢপৰা চলি থকাৰ মাজতে মহানগৰীৰ গড়চুক আৰক্ষী থানাৰ সন্মুখতে কুখ্যাত দালালে গুণ্ডাবাহিনী ব্যৱহাৰ কৰি বেদখল কৰে চাৰি বিঘা মাটি। এই বহু কোটিটকীয়া লোভনীয় ভূ-সম্পত্তি দখলত উজান দিছে এজন শীৰ্ষ আৰক্ষী বিষয়া আৰু শাসক দলৰ বিতৰ্কিত প্ৰাক্তন বিধায়কে। বৰ্তমানে এই বিধায়কজন এটা চৰকাৰী সংস্থাৰ অধ্যক্ষও। গাড়ীগাঁৱৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আব্দুল লতিফ, মৃণাল মুখাৰ্জী, আশীষৰঞ্জন মুখাৰ্জী, বুবাই মুখাৰ্জী আৰু উমা মুখাৰ্জীৰ পৰা মহানগৰীৰ আৰজিবি ৰোডৰ শান্তি পথ নিবাসী বিমল সেন ডেকাই ২০১৭ত বেলতলা মৌজাৰ ফটাশিল গাঁৱৰ চাৰি বিঘা তিনি কঠা ১২ লেচা ভূমি ক্ৰয় কৰাৰ বাবে চুক্তিবদ্ধ হৈছিল। এই চুক্তি *১০ পৃষ্ঠাত চাওক*

শ্ৰেণী-হোষ্টেল বন্ধ গুৱাহাটী বিশ্ববিদ্যালয়ৰ

## বি বৰুৱা মহাবিদ্যালয়ৰ ১৮ বছৰ তলৰ ছজন ছাত্ৰ কৰ'নাত আক্ৰান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ক'ভিডৰ ব্যাপক সংক্ৰমণৰ গভীৰ আশংকাত ভুগিছে গুৱাহাটী বিশ্ববিদ্যালয় পৰিয়াল। বিশ্ববিদ্যালয় সপ্তাহ চলি থকাৰ মাজতে *১০ পৃষ্ঠাত চাওক*

লখিমপুৰ খেৰিৰ ঘটনাৰ এছআইটিৰ অভিযোগনামা দাখিল আদালতত

## পৰিকল্পিত ষড়যন্ত্ৰ কৰি গাড়ীৰে চেপি হত্যা কৰা হৈছিল প্ৰতিবাদী কৃষকক

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰিত কেন্দ্ৰীয় মন্ত্ৰীৰ পুত্ৰই বিলাসী গাড়ীৰে কৃষকক হত্যা কৰাৰ অভিযোগৰ গোচৰৰ দুমহীয়া তদন্তৰ অন্তত এই ঘটনা পৰিকল্পিত ষড়যন্ত্ৰ আছিল বুলি অভিযোগনামা দাখিল কৰিছে। উত্তৰ প্ৰদেশ আৰক্ষীৰ বিশেষ অনুসন্ধান টীম (এছআইটি)য়ে আদালতত দাখিল কৰা অভিযোগনামাত উল্লেখ কৰিছে যে খেৰিত কৃষকক হত্যাৰ উদ্দেশ্যে পৰিকল্পিত ষড়যন্ত্ৰ কৰা হৈছিল আৰু ই অৱহেলাৰ ফলত হোৱা মৃত্যুৰ ঘটনা নহয়। উল্লেখ্য যে এই গোচৰত কেন্দ্ৰীয় মন্ত্ৰী অজয় মিশ্ৰৰ কাৰাবন্দী পুত্ৰ আশীষ মিশ্ৰসহ ১২জনৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছে। মূল অভিযুক্ত হৈছে মন্ত্ৰী পুত্ৰ। তদন্তকাৰী বাহিনীয়ে কয় *১০ পৃষ্ঠাত চাওক*

## অবৈধ কয়লা সৰবৰাহত জড়িত ঃ ধৃত আৰক্ষী জোৱান

**বিশেষ সংবাদদাতা**
**শিলচৰ, ১৪ ডিচেম্বৰ ঃ** অবৈধ কয়লা সৰবৰাহত লিপ্ত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল কাছাৰৰ এজন আৰক্ষী জোৱান। ষষ্ঠ অসম আৰক্ষী বেটেলিয়নৰ আৰক্ষী কনিষ্টবল আলী *১১ পৃষ্ঠাত চাওক*



*অসম কলেজ শিক্ষক সংস্থাৰ অধিবেশনত মন্ত্ৰী কেশৱ মহন্ত।*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১৩° |
| ডিব্ৰুগড় | ২৫° | ১২° |
| দিল্লী | ২১° | ০৮° |
| কলকাতা | ২৬° | ১৬° |
| মুম্বাই | ৩২° | ২৩° |
| চেন্নাই | ৩০° | ২৬° |
| বাংগালুৰু | ২৫° | ১৮° |
| শ্বিলং | ১৯° | ০৬° |

*১৪ ডিচেম্বৰ, ২০২১*

মৰিগাঁৱত গুৰুতৰভাৱে আহত আন দুজন

## জন্মদিনৰ 'পাৰ্টি' কৰি ওভতাৰ পথত দুৰ্ঘটনাত তিনি যুৱকৰ থিতাতে মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১৪ ডিচেম্বৰ ঃ** মৰিগাঁৱত যোৱা নিশা প্ৰায় ১১ বজাত এক শোকাৱহ পথ দুৰ্ঘটনাত তিনি যুৱকৰ থিতাতে মৃত্যু হোৱাৰ লগতে দুজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। নিশা জাগীৰোডত আত্মীয়ৰ ঘৰত জন্মদিনৰ 'পাৰ্টি' কৰি ওভতাৰ পথত মৰিগাঁৱৰ মিলনপুৰ আৰু মৰিমুছলমান গাঁৱৰ পাঁচজন যুৱক উঠি অহা এমএল-০৮চি-৮১৮৮ নম্বৰৰ *১০ পৃষ্ঠাত চাওক*



## অসম-মণিপুৰ সীমান্তত গুলীয়াগুলিত এজন আহত

দুই নিষিদ্ধ সংগঠনৰ মাজত সংঘৰ্ষৰ সন্দেহ

**বিশেষ সংবাদদাতা**
**শিলচৰ, ১৪ ডিচেম্বৰ ঃ** অসম-মণিপুৰ সীমান্তত আজি এক গুলীয়াগুলিৰ ঘটনাই ব্যাপক ৰহস্যৰ সৃষ্টি কৰে। এই গুলিবৰ্ষণত এজন স্থানীয় লোক আহত হয় যদিও কি পৰিস্থিতিত এই ঘটনা সংঘটিত হ'ল, সেই কথা অদ্যাপি পোহৰলৈ অহা নাই। কাছাৰ জিলাৰ মণিপুৰ সীমান্তৰ লক্ষীনগৰ অঞ্চলত এই গুলীয়াগুলিৰ ঘটনা সংঘটিত হোৱা বুলি আৰক্ষীয়ে জনাইছে। অৱশ্যে *১১ পৃষ্ঠাত চাওক*

ক্ৰমশ জংগী ৰূপ লৈছে গণহত্যাৰ প্ৰতিবাদে

■ ভূমি চুক্তি বাতিল-নিয়োগৰ পৰাও বিৰত

## কন্যাক জনগোষ্ঠী অধ্যুষিত অঞ্চলত সেনাক টহলৰ সম্পূৰ্ণ প্ৰতিৰোধৰ সিদ্ধান্ত

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ১৪ ডিচেম্বৰ ঃ** নগালেণ্ডৰ মন জিলাৰ অটিং বস্তিত ভাৰতীয় সেনাই সংঘটিত কৰা গণহত্যাৰ ধাৰাবাহিক প্ৰতিবাদে ক্ৰমাৎ জংগী ৰূপ ধাৰণ কৰিছে। প্ৰধানকৈ ভাৰতীয় সেনাবাহিনীৰ বিৰুদ্ধে নগা ৰাইজে গঢ়ি তোলা এই আন্দোলনৰ ফলশ্ৰুতিত নগালেণ্ডৰ ভূমিত ভাৰতীয় সেনাবাহিনী আগন্তুক সময়ছোৱাত অধিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হোৱাৰ সম্ভাৱনাই দেখা দিছে। উল্লেখ্য যে যোৱা চাৰি ডিচেম্বৰত ১৪ জনকৈ সুঠাম, নিৰীহ নগা যুৱকক অসম ৰাইফলছে গুলীয়াই হত্যা কৰা ঘটনাৰ প্ৰতিবাদত নগালেণ্ডৰ মন জিলাত প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। *১০ পৃষ্ঠাত চাওক*

■ ধ্বংসৰ গৰাহত 'ৰামচাৰ ক্ষেত্ৰ' দীপৰ বিল

## চেউজ ন্যায়াধিকৰণৰ নিষেধাজ্ঞাৰ পাছতো দীপৰ বিলৰ সমীপতে ডাম্পিং

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** 'ৰামচাৰ ক্ষেত্ৰ' দীপৰ বিলৰ উচুপনি কোনে শুনিব? চকুলো দেখিও মৌনতা অৱলম্বন কৰা সকলে মচিবনে চকুলো? এই প্ৰশ্ন দীপৰ বিলৰ সমীপৱৰ্তী বিভিন্ন অঞ্চলৰ সচেতন ৰাইজ তথা মঞ্চৰ। আজি দীপৰ বিলৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ একাধিক সংগঠন আৰু স্থানীয় ৰাইজে এক সংবাদমেলযোগে এই প্ৰশ্ন উত্থাপন কৰে। সংবাদমেলত পশ্চিম গুৱাহাটী সচেতন নাগৰিক মঞ্চ, পামহি কাৰ্বিপাহাৰ ৰাইজ, সংগ্ৰামী কৃষক শ্ৰমিক সংঘ আৰু বৃহত্তৰ বৰাগাঁও নাগৰিক ঐক্যমঞ্চৰ প্ৰতিনিধিয়ে চৰকাৰ তথা অসমবাসী ৰাইজলৈ এই প্ৰশ্ন কৰে। সংবাদমেলত পৰিৱেশকৰ্মী প্ৰমোদ কলিতাই কয়, 'দীপৰ বিলৰ উচুপনিয়ে আমাক মৰ্মাহত কৰিছে। প্ৰায় ১৯ হেজাৰ পখীৰ *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*তেওঁ কাকো সুযোগ দিব বিচৰা নাই, সেইবাবে বাইকত নুঠিলেও হেলমেটটো পিন্ধিয়ে আহিছে!*

■ জানুৱাৰীৰ পৰা সৰ্বাত্মক চৰকাৰী চাউল সংগ্ৰহ-যোগান বন্ধৰ ভাবুকিৰে চচলত প্ৰতিবাদ

## সমবায় সমিতিক দিবলৈ আছে এহেজাৰ কোটি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তৰ্গত ৰাজ্যৰ ৩৪খনৰ জিলাৰ ৮৩৯খন সমবায় সমিতিৰ বকেয়া ধন চৰকাৰে মুকলি কৰি নিদিয়াৰ পৰিপেক্ষিতত অহা জানুৱাৰীৰ পৰা চাউল সংগ্ৰহ-যোগান সৰ্বাত্মকৰূপে বন্ধৰ ঘোষণা কৰিছে সদৌ অসম গাঁও পঞ্চায়ত পৰ্যায়ৰ সমবায় সমিতিসমূহৰ



সমন্বয়ৰক্ষী সমিতিসমূহে। আজি মহানগৰীৰ চচলস্থিত প্ৰতিবাদস্থলীত তিনি শতাধিক সমবায় সমিতিসমূহৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে প্ৰায় এহেজাৰ কোটি বকেয়া মুকলি কৰি দিয়াৰ দাবীত এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে আৰু প্ৰতিবাদস্থলীতে চাউল সংগ্ৰহ-যোগান বন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰে। 'এন এফ এছ এ-২০১৩ৰ *১০ পৃষ্ঠাত চাওক*

'ডিএফঅ', ৰেঞ্জাৰৰ কাণ্ডজ্ঞানহীনতাৰ বাবেই আৰ্বি দৈমাৰীৰ মৃত্যু'

## ঘটনাৰ তদন্ত-নিহত শিশুৰ ন্যায়ৰ দাবীত বন্দাপাৰাত প্ৰতিবাদী সমদল

অগ্ৰদূত বাৰ্তা
বকো, ১৪ ডিচেম্বৰ ঃ কণমানি শিশুকন্যা আৰ্বি দৈমাৰীৰ হত্যাকাণ্ডৰ ন্যায় বিচাৰি আজি বকো বন্দাপাৰাৰ ৰাজপথ কঁপি উঠে। হত্যাকাণ্ডৰ উচ্চ পৰ্যায়ৰ তদন্ত, দোষীক কঠোৰতম শাস্তি, আহত মাতৃৰ উন্নত চিকিৎসা আৰু চিকিৎসাৰ খৰচ বহন, উচিত ক্ষতিপূৰণৰ দাবী তুলি আজি ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে বেনাৰ, ফেষ্টুন, প্লে-কাৰ্ডলৈ ৰাজপথলৈ ওলাই অহা বিভিন্ন দল-সংগঠন তথা স্থানীয় ৰাইজে 'বন বিভাগ হায় হায়', 'আৰ্বি হত্যাকাণ্ডৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰক', 'আৰ্বি দৈমাৰীৰ হত্যাকাৰীক ফাঁচি দিয়ক', 'আৰ্বি হত্যাকাণ্ডৰ ন্যায় বিচাৰ লাগে', 'ডিএফঅ', ৰেঞ্জাৰক তদন্তৰ আওতাত আনক' আদি শ্লোগানেৰে বন্দাপাৰা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ কঁপাই তোলে। দক্ষিণ কামৰূপ জিলা বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত গুৱাহাটী বড়ো *১০ পৃষ্ঠাত চাওক*

**এবছুৰ উদ্যোগত সাতটাকৈ সংগঠনৰ প্ৰতিবাদ-স্মাৰকপত্ৰ**

আज़ादी का अमृत महोत्सव

ভাৰত চৰকাৰ
কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰণালয়



## প্ৰাকৃতিক কৃষিৰ অভ্যাস গঢ়ক
## কম বিনিয়োগত অধিক লাভ অৰ্জন কৰক

# প্ৰি-ভাইব্ৰেণ্ট গুজৰাট সন্মিলন-২০২১
# প্ৰাকৃতিক কৃষি-ৰাষ্ট্ৰীয় সন্মিলন

**সম্বোধন কৰিব**
প্ৰধানমন্ত্ৰী
**নৰেন্দ্ৰ মোদীয়ে**

তাৰিখ ঃ ১৬ ডিচেম্বৰ, ২০২১ দিনৰ ১১ বজাত
স্থান ঃ চৰ্দাৰ পেটেল অডিট'ৰিয়াম, আমুল ডায়েৰী, গুজৰাট



## প্ৰাকৃতিক কৃষিৰ সুবিধাসমূহ

- প্ৰাকৃতিক জৈব্য-সম্পদসমূহৰ সৰ্বোত্তম ব্যৱহাৰ
- নিম্ন বিনিয়োগ, উচ্চ লাভ
- পৰিৱেশগত ভাৰসাম্য বজাই ৰখাত সহায়ক
- ৰসায়নমুক্ত কৃষিৰ প্ৰসাৰ কৰে
- মাটিৰ স্বাস্থ্য আৰু উৎপাদনশীলতা বৃদ্ধি কৰে
- শস্যৰ ৰোগ আৰু কীট-পতংগ পৰিমাণ হ্ৰাস কৰে
- অধিক উৎপাদনশীলতাৰে কম পানীৰ ব্যৱহাৰ

## সন্মানীয় উপস্থিতি

**আচাৰ্য দেৱ্ৰত**
ৰাজ্যপাল,
গুজৰাট

**অমিত শ্বাহ**
কেন্দ্ৰীয় গৃহ পৰিক্ৰমা
আৰু সমবায় মন্ত্ৰী,
ভাৰত চৰকাৰ

**নৰেন্দ্ৰ সিং টোমৰ**
কেন্দ্ৰীয় কৃষি আৰু
কৃষক কল্যাণ মন্ত্ৰী,
ভাৰত চৰকাৰ

**ভূপেন্দ্ৰভাই পেটেল**
মুখ্যমন্ত্ৰী,
গুজৰাট

সকলো কৃষকে কাৰ্যসূচীৰ লাইভ টেলিকাষ্ট ডিডি নিউজ/ডিডি কিষাণ চেনেল অথবা ওচৰৰ কৃষি বিজ্ঞান কেন্দ্ৰ/এটিএমএ অফিচ অথবা https://pmindiawebcast.nic.inত চাব পাৰিব

অধিক তথ্যৰ বাবে QR ক'ড স্কেন কৰক

কোৱা হয় যে ৰাজনীতিত সকলো সম্ভৱ। কালিৰ ৰাজনৈতিক শত্ৰুজন আজি হঠাতে পৰম মিত্ৰ হৈ পৰে। ৰাতিৰ ভিতৰত দল সলনি কৰি নিজৰ লগতে দলৰ নীতি-আদৰ্শক ভৰিৰে মোহাৰি পেলাই তথাকথিত জনসেৱকবোৰে।

আৰু এটা কথা, ৰাজনীতিৰ মঞ্চত হোৱা নাটখন সকলোৱে দেখে, জানে-শুনে কিন্তু ৰাজনৈতিক মঞ্চৰ নেপথ্যত হোৱা গুণগুণনি কেৰে নুশুনে। তাত চলা আখৰা বা পূৰ্ব প্ৰস্তুতিৰ কথাবোৰৰো আওভাও আমি নাপাওঁ। ৰাজনৈতিক মঞ্চত চলি থকা নাটকখনৰ যিবোৰ সংলাপ নেতাৰ মুখৰ পৰা নিক্ষেপিত হয় তাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী, কিন্তু নেপথ্যত চলা গুণগুণনি, ফুচফুচনিবোৰহে নিৰ্ণয়কাৰী। সেই সংলাপৰ প্ৰক্ষেপণ আৰু গুণগুণনিৰ প্ৰভাৱে দল একোটাৰ ভাগ্য নিৰ্ণয় কৰিব পাৰে আৰু তাৰ দুৰ্বল প্ৰক্ষেপণে দলটোকে ডুবাব পাৰে। এই ক্ষেত্ৰত নেতাৰ বিচক্ষণতা, বুদ্ধিমত্তা আৰু বাকপটুতাৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰে।

এই যে নেপথ্যৰ কথা কোৱা হ'ল গুণগুণনিৰ কথা উল্লেখ কৰা হ'ল, সেইটোৱেই আচল কথা। নেপথ্যত চলা কাম-কাজ, আলোচনা-বিলোচনা কাৰো দৃষ্টিগোচৰ নহয়। সাজঘৰত নায়ক-নায়িকাৰ মাজত হোৱা সিদ্ধান্ত বা পূৰ্ণ প্ৰস্তুতিৰ কথাবোৰো অজানিতে হৈয়ে থাকি যায়। আগ্ৰহী দৰ্শকে (ভোটাৰে) অভিনেতাই দেখুওৱা মঞ্চাভিনয় আৰু প্ৰক্ষেপ কৰা সংলাপ শুনি আচৰিত হয়। বহুতে বিস্ময় মানে।

সত্য কথা ক'বলৈ হ'লে জাতত সকলো ৰাজনৈতিক দল একে। স্বভাৱ-চৰিত্ৰও একে। জনতাৰ বাবে কাম কৰাৰ ক্ষেত্ৰত সকলো দলেই হোঁহকা পিছলা বিধৰ। সাধাৰণ লোকৰ মাজত আৱেগৰ উন্মাদনা সৃষ্টি কৰাত কোনো এটা দলেই কম নহয়। প্ৰলোভন আৰু প্ৰৰোচনামূলক মন্তব্য প্ৰকাশ কৰি সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱাত নেতাবোৰ সিদ্ধহস্ত । তাৰ দ্বাৰা তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থ পূৰণ হয় সঁচা; কিন্তু দেশত সামাজিক-সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি পায়। লগে লগে বৃদ্ধি পায় ভয়, সংশয় আৰু সন্দেহ। ফলস্বৰূপে জাতি গঠনৰ প্ৰক্ৰিয়াত ব্যাঘাত জন্মাৰ উপৰি বিভেদ-বৈষম্যৰ বীজ চাৰিওফালে গজি উঠে। সেই সুযোগ গ্ৰহণ কৰি ভোটাৰক ভাগ-বাটোৱাৰা কৰে নেতাই। প্ৰলোভন, প্ৰতিশ্ৰুতি আৰু ছলাহী কথাৰে ভোটাৰক নিজৰ পক্ষলৈ আনিবলৈ নীচৰো নীচ পন্থা অৱলম্বন কৰিবলৈ তথাকথিত জননেতাবোৰে কুণ্ঠাবোধ নকৰে।

সেই একেবোৰ ধুৰন্ধৰ নেতাই ধৰ্মীয় আৰু সাম্প্ৰদায়িকতাৰ সৃষ্টি কৰিবলৈ ভিত্তিহীনভাৱে আন ধৰ্মক আক্ৰমণ কৰাই নহয় কুমন্তব্য দিবলৈও লজ্জাবোধ নকৰে। এটা ধৰ্মীয় অনুষ্ঠানত কালিমা সানিব খোজাতো অকল সমাজ বিৰুদ্ধই নহয় আইন বিৰুদ্ধও। এনে কুকৰ্মৰ দ্বাৰা নেতা এজন বা তেওঁৰ




ৰাজনীতিৰ মঞ্চত হোৱা নাটখন সকলোৱে দেখে, জানে-শুনে কিন্তু ৰাজনৈতিক মঞ্চৰ নেপথ্যত হোৱা গুণগুণনি কেৰে নুশুনে। তাত চলা আখৰা বা পূৰ্ব প্ৰস্তুতিৰ কথাবোৰো আওভাও আমি নাপাওঁ। ৰাজনৈতিক মঞ্চত চলি থকা নাটকখনৰ যিবোৰ সংলাপ নেতাৰ মুখৰ পৰা নিক্ষেপিত হয় তাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী, কিন্তু নেপথ্যত চলা গুণগুণনি, ফুচফুচনিবোৰহে নিৰ্ণয়কাৰী। সেই সংলাপৰ প্ৰক্ষেপণ আৰু গুণগুণনিৰ প্ৰভাৱে দল একোটাৰ ভাগ্য নিৰ্ণয় কৰিব পাৰে আৰু তাৰ দুৰ্বল প্ৰক্ষেপণে দলটোকে ডুবাব পাৰে।

# ৰাজনৈতিক মঞ্চত

## নেতাৰ জাতিধ্বংসী আখৰা

দলটোৰ জঘন্য স্বাৰ্থ সিদ্ধি হ'ব পাৰে কিন্তু তাৰ দ্বাৰা যে সাম্প্ৰদায়িক মানসিকতা বিনষ্ট হয় আৰু সম্ভাৱ-সম্প্ৰীতিত কুঠাৰাঘাত কৰিব পাৰে সেই কথা প্ৰতিজন নাগৰিকে জনা উচিত। জাতিটোৰ নেতৃত্ব লোৱাবোৰে আৰু ভালকৈ জনা দৰকাৰ।

জনতাৰ সেৱক হিচাপে ৰাজনৈতিক নেতাবোৰে জনা উচিত যে তেওঁ কোনোদিন জনতাৰ ঊৰ্ধ্বত নহয়। হ'বও নোৱাৰে। তেওঁ এটা সময়ৰ বাবেহে ৰাইজৰ কৃপাত ৰাজনৈতিক মঞ্চত উঠিব পাৰে। অভিনয় কৰিব পাৰে কিছুদিন, বৰ বৰ সংলাপো ক'ব পাৰে এটা বা দুটা কাৰ্যকালৰ বাবে। তেওঁকো ৰাইজে মঞ্চৰ পৰা নমাই মাটিত থ'ব পাৰে। তেওঁৰ ৰাজনৈতিক জীৱনৰ অন্ত পেলাব পাৰে দুখ লগাকৈ।

কিন্তু কথাবোৰ ইমানতে অন্ত নপৰে। কাৰণ ৰাজনৈতিক মঞ্চ ত্যাগ কৰা নেতাজনৰ নীতি-আদৰ্শ, ভাষ্য-ভাষণ আৰু সংলাপবোৰ কাৰোবাৰ বাবে অনুকৰণীয়ও হ'ব পাৰে। তেওঁৰ উত্তৰাধিকাৰীয়ে সেইবোৰকে পৰম মূলধন জ্ঞান কৰি গো-গ্ৰাসে গিলি থ'ব পাৰে। তাকে পাগুলি পাগুলি তেওঁৰ পুষ্টিহীনতাক পুষ্ট কৰিবও পাৰে। ৰাজনৈতিক পৰম্পৰাত পূৰ্বসূৰীৰ কাম-কাজ, নীতি-আদৰ্শ উত্তৰসূৰীৰ কাৰণে অৱশ্যে অনুকৰণীয় হয় কাৰণ তেওঁ তেনে ধৰণৰ নীতি-আদৰ্শ পালন কৰি, ভাষ্য-ভাষণ দি আৰু সংলাপ নিক্ষেপ কৰিয়ে নিৰ্বাচনী বৈতৰণী পাৰ হৈছিল, ১০-১৫ বছৰ ৰাজ কৰিছিল, আমিওনো তাকেই নকৰো কিয়? এনেকুৱা ধাৰণাও থাকে কিছুমান গজমূৰুখৰ।

ৰাজনৈতিক নেতাৰ আস্ফালনে সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰক নতুবা তাৰ কুপ্ৰভাৱ যুৱ নেতাৰ ওপৰত পৰক তাত তেওঁৰ কি আহে-যায়! তেওঁৰ ক্ষতিয়েবা কি! সাম্প্ৰতিক নেতাজনক লাগে ক্ষমতা। ক্ষমতা লাভৰ দ্বাৰা বৃদ্ধি কৰিব লাগে প্ৰতিপত্তি। ধন-সম্পদৰ পাহাৰ গঢ়াৰ কথাবোৰতো ক'বই নালাগে। ধন-সম্পদৰ প্ৰতি

জয়কান্ত শৰ্মা (কনিষ্ঠ)

লোভ নথকা, জনতাৰ সেৱা কৰি একনিষ্ঠ সেৱক হোৱা জনপ্ৰতিনিধি অসমত কোনটো দলত কেইজন আছে বাৰু? ভৱিষ্যতে আদৰ্শ নেতা হিচাপে কাক অনুকৰণ কৰিব বাৰু?

নিৰ্বাচনী বতৰত দলীয় নেতাৰ মাজত হোৱা বাক্‌বিতণ্ডা, তৰ্ক-বিতৰ্কই সীমা চেৰাই যায়। নেতা-কৰ্মীৰ আক্ৰমণ-প্ৰত্যাক্ৰমণত সাধাৰণ লোক কিয় সচেতন মহলো হতচকিত হয়। তেনেকুৱা আক্ৰমণ-প্ৰত্যাক্ৰমণে ইতৰ পৰ্যায় পায় বুলি নতুনকৈ ক'ব নালাগে। এইটোও ক'ব নালাগে যে দুটা বা দুদল গাহৰিৰহে কাজিয়া চলিব ধৰিছে। দণ্ডযুদ্ধত দুয়োটা দলে বোকাত লেটি লৈছে। দুৰ্গন্ধ প্ৰসাৰি গৈছে দশোদিশ।

অৱশ্যে বেলি পৰাত যুদ্ধক্লান্ত নেতাবোৰে প্ৰৱেশ কৰে মঞ্চৰ আঁৰত থকা নেপথ্যত এটা মাত্ৰ প্ৰৱেশ পথেৰে । ভিতৰত সোমাই সকলো হৈ পৰে একে পথৰ পথিক। সকলো একেখন নাৱৰে যাত্ৰী। সহযাত্ৰী। একো একোজন অভিনেতা। সকলোৰে অভিনয়ৰ উদ্দেশ্য ৰাজনৈতিক ক্ষমতা দখল কৰা, ৰাইজৰ ধন আত্মসাৎ কৰা আৰু সুখ-সন্তোষেৰে জীৱনটো সমৃদ্ধিশালী কৰা। তাৰ বাহিৰেনো কি?

এই যে বৰ বৰ অভিনেতা (ৰাজনৈতিক নেতা) বোৰে অভিনয় কৰি ৰাইজক চমক লগায়, মঞ্চত বৰ বৰ সংলাপ নিক্ষেপ কৰি বিস্ময়াভিভূত কৰে আৰু ইজনে সিজনৰ গাত বোকা ছটিওৱাৰ জঘন্য খেলখন খেলি দেখুৱাই এই সকলোবোৰ মিছা, ভুৱা আৰু ভণ্ডামিৰ বাহিৰে আন একো নহয়। নেপথ্যত গোপনে চলি থকা খেলখনহে আচল খেল। কালিৰ শত্ৰুজন আজি হঠাতে পৰম মিত্ৰ হোৱাৰ খেল। কালিৰ নাটখনত কংগ্ৰেছী অভিনয় কৰা অভিনেতাজন আজি বিজেপি নেতা হৈ আন এখন নাটত হঠাতে সুন্দৰ অভিনয় কৰিব পাৰে কিদৰে যদিহে নেপথ্যত আখৰা নচলে গোপনে।

বাস্তৱিকতে আমি সাধাৰণ নাগৰিক বা ভোটাৰবোৰে এনেয়ে আৱেগবিহ্বল হওঁ। ৰাজনৈতিক মঞ্চত চলি থকা নেতাবোৰৰ নাট্যাভিনয় দেখি সঁচা বুলি ভ্ৰমিত হওঁ। তেওঁলোকে কৰা মন্তব্যক লৈ

নতুন প্ৰজন্মৰ মনত এটা কথাই খেলা কৰি থাকিব যে ৰাজনৈতিক নেতাবোৰ এনেকুৱাই নেকি? ৰাজনীতি ইমানে লেতেৰা নেকি? ৰাজনীতিত বস্তু নিৰপেক্ষ লোকৰ প্ৰৱেশ নহয় নেকি?

তৰ্ক-বিতৰ্কতো লিপ্তও হওঁ। কাজিয়া-পেছাল কৰো। তাকে কৰি সাতামপুৰুষীয়া শান্তি-সম্প্ৰীতি বিনষ্ট কৰো, আমি ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থক সাৰোগত কৰি মহান মানৱতাৰ কথা পাহৰি যাওঁ, নহয়নে?

গণতান্ত্ৰিক ৰাষ্ট্ৰত শক্তিশালী বিৰোধী দলৰ ভূমিকা ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত বৰ কম নহয় কিন্তু। বিৰোধী দলৰ গঠনমূলক সমালোচনাই শাসকীয় দলৰ ভুল-ত্ৰুটিবোৰ সংশোধন কৰাত সহায় কৰে। কিন্তু হকে-বিহকে সমালোচনা আগবঢ়োৱা, জনকল্যাণমূলক কামতো বিৰোধ কৰা, চৰকাৰৰ সফলতাত কৃতজ্ঞতা জনোৱাৰ পৰিৱৰ্তে ঈৰ্ষাত দহি ছাই হোৱা কথাবোৰ অগণতান্ত্ৰিক। বিৰোধী মানেই যে সকলো কথাতে বিৰোধ কৰিব, সমালোচনাৰ চোকা ছুৰী বহুৱাব তেনে নহয়। জাতিটোৰ প্ৰতি তেওঁলোকৰো দায়িত্ব আৰু কৰণীয় বহুত থাকে। জনমত গঠনত তেওঁলোকৰো বিশেষ ভূমিকা থকা উচিত।

বস্তুতঃ জনপ্ৰতিনিধিবোৰ সাধাৰণ জনতাৰ আশা-আকাংক্ষাৰ স্থল। বহুতৰ বাবে আদৰ্শ ব্যক্তি। অনুকৰণীয়ও। তেনে স্থলত তেওঁলোকে যদি বিচাৰ-বিবেচনাক অগ্ৰাধিকাৰ নিদি, জ্ঞান-প্ৰজ্ঞাৰ দ্বাৰা পৰিচালিত নহয় আৰু সাৰ-গোবৰ নোহোৱা কথাবোৰ ৰাজহুৱা স্থানত ক'বলৈ ধৰে, সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি থাকে তাৰ দ্বাৰা দেখোন নিজকে হীন কৰাহে হ'ব। নিজৰ হীনতা আৰু নীচতা প্ৰকাশ পাব বাৰে বাৰে। তাকে দেখি-শুনি আজিৰ উঠি অহা ল'ৰা-ছোৱালীয়ে ভাবিবই বা কি? শিকিবই বা কি? তেনে জ্ঞান-বুদ্ধি-বিচাৰহীন জননেতাই আদৰ্শ দেখুৱাব কি?

নতুন প্ৰজন্মৰ মনত এটা কথাই খেলা কৰি থাকিব যে ৰাজনৈতিক নেতাবোৰ এনেকুৱাই নেকি? ৰাজনীতি ইমানে লেতেৰা নেকি? ৰাজনীতিত বস্তু নিৰপেক্ষ লোকৰ প্ৰৱেশ নহয় নেকি?

সাংবিধানিক অধিকাৰ উপভোগৰ সমান্তৰালভাৱে ৰাজ্যৰ নাগৰিকৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্যও যে জড়িত হৈ থাকে সেই কথা বহুত নেতাই পাহৰি থাকে। হয়তো নাজানে। সকলো মানুহ নিজৰ অধিকাৰ লাভৰ প্ৰতি যিমান সচেতন নিজৰ নিজৰ কৰ্তব্যৰ প্ৰতি তাৰ অৰ্ধেকো সচেতন নহয়। নেতাবোৰতো আৰু নহয়। ৰাইজক প্ৰতিনিধিত্ব কৰা নেতা এজনে আবোল-তাবোল বকি, ভোগ বিলাসত মত্ত হৈ পাঁচবছৰীয়া কাৰ্যকাল কোনোমতে পাৰ কৰি দিব পাৰিলে ৰক্ষা পায়। তেনেকুৱা কৰেও বহুতে। তেনে নেতাৰ আয়ুস অৱশ্যে সোনকালে উকলে।

আমাৰ দৃষ্টিত এজন সফল ৰাজনৈতিক নেতা সেইজন যিজনে দলটোৰ নীতি-আদৰ্শ জনহিতকৰ কামত ব্যৱহাৰ কৰি দীৰ্ঘকাল ৰাইজৰ সেৱা আগবঢ়াই বিদায় বেলাৰ পূৰ্বে সুযোগ্য উত্তৰাধিকাৰী কেইজনমান সৃষ্টি কৰি থৈ যাব পাৰে। সফল জনপ্ৰতিনিধিজনে সাংবিধান প্ৰদত্ত অধিকাৰ ভোগ কৰে, কৰণীয় কৰ্তব্যৰ পাছে পাছে লৰি আৰু ৰাইজৰ সুখ-দুখৰ প্ৰতি সদা সচেতন হৈ থাকে।

আপেক্ষিক দৃষ্টিত প্ৰতিজন নেতা একো একোজন ভাল অভিনেতা। জনতাই তেওঁৰ অভিনয়ক বিচক্ষণতা আৰু ছলাহী কথাত ভোল গৈয়ে ভোট দিয়ে। প্ৰলোভন, প্ৰৰোচনা আৰু মিথ্যাচাৰ নেতাৰ মূলধন। অভিনয় হ'ল মানুহক আকৰ্ষণৰ উত্তম উপায়। আমি ভবাৰ দৰে ৰাজনৈতিক নেতাবোৰে মানুহৰ কথা মুঠেই নাভাবে। দলৰ নীতি-আদৰ্শ প্ৰায়ে নামানে, নহয় বিবেকৰ দ্বাৰা পৰিচালিত। দলীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াবোৰে আকৌ স্বাধীনভাৱে একো চিন্তা কৰিব নোৱাৰে। দলীয় অনুশাসন আখৰে আখৰে পালন কৰি একপ্ৰকাৰ পংগুত্বকে বৰণ কৰে। মনৰ ইচ্ছাৰ বিৰুদ্ধে আজীৱন কাম কৰিব লগা হোৱা নেতাক অভিনেতা নকৈ কি কোৱা যাব বাৰু? যাৰ নাই মুক্ত চিন্তা আৰু স্বাধীনতা তেওঁ দলৰ নীতি-আদৰ্শৰহে গোলাম, নাগৰিকৰ নহয়।

চিন্তা কৰকচোন! জনপ্ৰতিনিধি, ৰাইজৰ সেৱক, জনতাৰ চকীদাৰ ইত্যাদি ভাও লোৱা নেতাবোৰে কি সতেনো দুখীয়াৰ মুখৰ ভাত কাঢ়ি খাব পাৰে? আমি আচৰিত হওঁ গৰিব-নিছলাক বঞ্চিত কৰি জনতাৰ সেৱকবোৰে কি সতেনো ধন-সম্পদৰ পাহাৰ গঢ়িব পাৰে? যাৰ অন্তৰত মানৱতা নাই, যিজনে মানৱীয় অনুভূতি, দুখ-দৈন্য, বিষাদ-বেদনা, হতাশা-নিৰাশা ইত্যাদি অনুভৱ কৰিব নোৱাৰে তেৱেঁই লোভ-লালসাৰ বশৱৰ্তী হৈ ৰাইজৰ ধন আত্মসাৎ কৰি বিলাসী জীৱন-যাপন কৰিব পাৰে। তেওঁলোকেই সামাজিক আচৰণতো সংযমতাৰ সীমা অতিক্ৰম কৰি শিষ্টাচাৰৰ কথা সমূলি পাহৰি প্ৰৰোচনামূলক মন্তব্য প্ৰকাশৰ দ্বাৰা গাহৰিৰ গঁড়ালত পৰিণত কৰে পৰিৱেশ। সমাজক কৰে কলুষিত। মানুহৰ মাজত শত্ৰুতা বৃদ্ধি কৰি ৰাজনৈতিক মুনাফা আদায় কৰাৰ ধান্দাত থাকে ভণ্ড তপস্বীবোৰে। অভিনয়ত পাৰ্গত, দুৰ্নীতিত মত্ত আৰু মিথ্যাচাৰত ক্লেদাক্ত গাহৰিবোৰ আমাৰেই জনপ্ৰতিনিধি নহয়নে?

*ফোন ঃ ৮৮২২১৮৮৬৭৯*



হয়, কিতাপ নথকা ঘৰ খিড়িকী নথকা এটা ঘৰৰ দৰে। এইবোৰ কি কিতাপ? নিশ্চয়কৈ কাগজৰ কিতাপ। কিন্তু এতিয়া কাগজৰ কিতাপত সংকটে দেখা দিছে। কিতাপৰ শেষ সময় উপস্থিতনে কি?

# গ্ৰন্থৰ ভৱিষ্যত

ড° গিৰীশ বৰুৱা

"A home without books is like a room without windows."

হয়, কিতাপ নথকা ঘৰ খিড়িকী নথকা এটা ঘৰৰ দৰে। এইবোৰ কি কিতাপ? নিশ্চয়কৈ কাগজৰ কিতাপ। কিন্তু এতিয়া কাগজৰ কিতাপত সংকটে দেখা দিছে। কিতাপৰ শেষ সময় উপস্থিতনে কি? কেতিয়াও নহয়; কিতাপৰ বাবে ভাল দিন আহিছেহে। ই-কিতাপে কিতাপৰ জীৱনায়ুস আৰু বঢ়াইছেহে।

মানুহৰ সৃষ্টিশীলতা শেষ হৈ নাযায়। অতীজৰে পৰা মানুহে সৃষ্টিশীলতাক প্ৰশ্ৰয় দি আহিছে, আৰু এই সৃষ্টিশীলতাৰ ফচলক পৰ্বতৰ গুহাত, শিলত, কাঠত, গছত, মাটিত, কলপাতত, তালপাতত, সাঁচিপাতত আৰু বৰ্তমানে তুলপাত বা কাগজত ক্ষোদিত আৰু অংকিত কৰি ৰাখি গৈছে প্লেটো-এৰিষ্টোটলৰ দিনৰ পৰা আজিলৈকে। আগলৈকো এইদৰে অংকিত কৰি যাব, সি লাগে যি ৰূপতেই নহওক কিয়।

এতিয়া বৈদ্যুতিন যুগ। এই যুগক মানুহে হাত এৰাই চলিব নোৱাৰে। চলিবলৈ গ'লে আত্মঘাতী ব্যৱস্থা ল'ব লাগিব।

মানুহক আহাৰ লাগে পেট পূৰাবলৈ। মন পূৰাবলৈ কি লাগে? নিশ্চয়কৈ কিতাপ, কিতাপত থকা জ্ঞান। কিতাপে জ্ঞান সঞ্চয় কৰি ৰাখে। মানুহে অতীজত সাঁচিপাতৰ নিচিনা লিখাৰ সঁজুলি অতি কষ্টেৰে তৈয়াৰ কৰি নিজে তৈয়াৰ কৰা কলম আৰু চিঁয়াহীৰে লিখাৰ ব্যৱস্থা কৰিছিল। তথাপি লিখিছিল। কাৰণ লিখা কথাটো এচাম মানুহৰ জন্মগত প্ৰবৃত্তি, নিচা। তেওঁলোকে নিলিখাকৈ থাকিব নোৱাৰে। আৰু এচাম মানুহে নপঢ়াকৈ থাকিব নোৱাৰে। যুগে যুগে মানুহে লিখি আৰু পঢ়ি আহিছে।

অতীজতো এচাম মানুহে পঢ়া নাছিল আৰু এতিয়াও নপঢ়ে। পঢ়া বুলিলে এচাম মানুহে সাত জাপ মাৰে। আকৌ এচাম মানুহে কিতাপ নোহোৱাকৈ থাকিব নোৱাৰে। তেওঁলোকে এসাঁজ নোখোৱাকৈও থাকিব পাৰে; কিন্তু কিতাপ নহ'লে থাকিব নোৱাৰে। এইবোৰ মানুহৰ প্ৰবৃত্তিগত লক্ষণ। এই লক্ষণ সটকাই নাযায়। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে লেম্প্ প'ষ্টৰ তলতো পঢ়িছিল। জৱাহৰলাল নেহৰুৱে লগত কিতাপ নেৰিছিল। দীঘলীয়া ৰে'ল যাত্ৰাত তেওঁৰ একমাত্ৰ সংগী আছিল কিতাপ। আমাৰ হেম বৰুৱাই লগত লৈ ফুৰা বেগটো কিতাপেৰে দিনে দিনে শকত হৈ গৈছিল। সেয়ে এবাৰ নেহৰুৱে তেওঁক ৰগৰ কৰি এইদৰে কৈছিল, "হেম, তোমাৰ পেট বঢ়াৰ লগে লগে কিতাপৰ মোনাও বাঢ়িছে।" কাল মাৰ্ক্সে ৰাতিয়ে দিনে ব্ৰিটিছ মিউজিয়ামৰ পুথিভঁড়ালত পঢ়ি কটাইছিল। গতিকে পঢ়াৰ পোক এতিয়াও আছে। আমাৰ কৃষ্ণকান্ত সন্দিকৈও তেনে এজন কিতাপৰ পোক আছিল। কিতাপ পঢ়ি থাকোঁতে কোনোবাই ভূমিকম্প আহিছে বুলি তেওঁক জনালে তেওঁ 'বহিবলৈ দে' বুলি কৈছিল।

কিতাপ মানুহৰ ডাঙৰ বন্ধু। আমনিদায়ক পৰিস্থিতিৰ পৰা হাত সাৰিবৰ বাবে কিতাপৰ আশ্ৰয় লৈ মানুহে ভাল পায়। ডাঙৰ ডাঙৰ চিন্তাবিদসকলৰ মনৰ খবৰ আমি কিতাপতে পাওঁ। আমি যেন বোধিদ্ৰুমৰ তলত জিৰাব পাৰোঁ, তাকে সদায় কামনা কৰোঁ।

কিতাপৰ ইতিহাসৰ বিষয়ে জানিবলৈ গ'লে হাতেৰে ক্ষোদিত কৰা আখৰে, কলমেৰে লিখা আখৰ, ছপা কিতাপৰ আখৰ, আৰু এতিয়া বৈদ্যুতিন পদ্ধতিৰ আখৰৰ লগত মানুহ অভ্যস্ত হৈ আহিছে। এই অভ্যাস মানুহে সটকাই এৰিব নোৱাৰে।

আলবাৰ্টো মিঙ্গোৱেল নামৰ এজন লিখকে 'A History Of Reading' বুলি এখন কিতাপ লিখিছিল। তাত পঢ়াৰ ইতিহাসৰ বিষয়ে সবিশেষ আছে। কবি মালাৰ্মে, থ'মাছ কালাইল, জোছেফ এডিছন, জেম্‌ছ ব্ৰাইচ, জৱাহৰলাল নেহৰু আদিয়ে কিতাপ পঢ়াৰ উপকাৰিতাৰ কথা কৈ থৈ গৈছে।

ল'ৰা-ছোৱালীৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি স্পৃহা বঢ়োৱাটো মাক-বাপেক আৰু শিক্ষকৰ দায়িত্ব। লগতে কিতাপ কিনাৰ বাবেও সিহঁতক আগ্ৰহান্বিত কৰিব লাগে। গ্ৰন্থমেলালৈ সিহঁতক লৈ গৈ সিহঁতে বিচৰা কিতাপ কিনি দিব লাগে। পুতলা আদিত বেছি খৰচ নকৰি সিহঁতৰ চিত্ৰ-বিচিত্ৰ কিতাপৰ প্ৰতি বেছি ধাউতি বঢ়াব লাগে।

ক্লাছিক্স, অৰ্থাৎ ধ্ৰুপদী সাহিত্য পঢ়িলেহে মানুহৰ মন বহল আৰু গভীৰ হয়। মানুহক সংস্কৃতিবান কৰি গঢ়ি তুলিবলৈ হ'লে এনে অধ্যয়নৰ পৰিবেশ ৰচনা খুবেই দৰকাৰী কথা। এনে পৰিবেশে মানুহৰ ভোগবাদী প্ৰৱণতাক হ্ৰাস কৰে।

কিতাপৰ গোন্ধেই আটাইতকৈ আপুৰুগীয়া গোন্ধ যেন লাগে। এই গোন্ধে যেন আমাক মতলীয়া কৰে। তেনে সুগন্ধযুক্ত একোখন গ্ৰন্থক ৰচক সকলে অতি কষ্টেৰে লিখি আমাক উপহাৰ দিয়ে। সেই উপহাৰক আমি দলিয়াই পেলোৱা উচিত নহয়। সেয়ে মই ক'ব খোজো বিয়া আদিত উপহাৰ দিওঁতে কিতাপ আদিকে দিয়া ভাল। সেইদৰে ছাত্ৰ-ছাত্ৰীয়ে কিবা পুৰস্কাৰ পালে সেই পুৰস্কাৰ তেওঁলোকক কিতাপৰ আকাৰতে দিয়া ভাল। তেহে গ্ৰন্থ সংস্কৃতি এটা গঢ় লৈ উঠিব।

যিখন সমাজত কিতাপৰ আদৰ নাই সেইখন সমাজক মানুহৰ সমাজ বুলি ক'ব নোৱাৰি; সেইখন সমাজক গৰু-পশুৰ সমাজ বুলিহে ক'ব লাগিব। এটা সময়ত ভিয়েটনামত এনে গ্ৰন্থ সংস্কৃতি গঢ় লৈ উঠিছিল যে ভিয়েটনাম যুদ্ধৰ সময়ত তাৰ মানুহে ট্ৰেন্সত সোমাই থাকোঁতেও তাতেই কিতাপ পঢ়িছিল। হো-চি-মিনেও পঢ়িছিল।

২০১৮ত মই যেতিয়া চক্ৰেটিছৰ দেশ গ্ৰীচলৈ গৈছিলোঁ তাত গ্ৰন্থ সংস্কৃতি দেখি আচৰিত হৈছিলোঁ। মানুহৰ হাতে হাতে কিতাপ। বাছ, মটৰ, জাহাজ সকলোতে মানুহে কিতাপ পঢ়াত ব্যস্ত। কথা পাতিবলৈ সময় নাই। সৰু হোটেল এখনতো কিতাপৰ খোলা ৰেক এটা থাকে। তাৰ পৰা যিকোনো এখন কিতাপ লৈ চাহত চুমুক দিব পাৰে। আমি থকা লজ্‌টোত তিনি-চাৰিটা আলমাৰি কিতাপেৰে খুন্দ খাই আছিল, তলা নমৰা আলমাৰি। তাৰ পৰা কিতাপ লৈ আপুনি পঢ়িব পাৰে। সকলোবোৰ দৈনিক খবৰ কাগজ আৰু আলোচনীৰো যোগান ধৰা হয়।

আমাৰ ভাৰতবৰ্ষত, বিশেষকৈ অসমত এনে এটা সংস্কৃতি গঢ়ি উঠা নাই। অসমত কিতাপৰ প্ৰতি শ্ৰদ্ধা কমি আহিছে। মোৰ এজন আপোন মানুহে মোৰ ব্যক্তিগত পুথিভঁড়ালত থকা কিতাপবোৰ দেখি কৈছিল, "আপোনাৰ কিতাপ বহুত হ'ল, কিছুমান কিতাপ লোহা-লংকৰ, কাগজ আদি নিয়া মানুহক বেচি দিব পাৰে।" মই একো নক'লো, তেওঁৰ চিন্তাৰ দৈন্যত মোৰ পুতৌহে উপজিছিল। আমাৰ বেছি ভাগ মানুহৰেই এনে মানসিকতা দেখিছোঁ। সত্তৰ দশকত মই M. Monier Williams ৰ 'A Sanskrit English Dictionary' খন এশ টকা দামত মগাই অনা দেখি এজনে মোক কৈছিল, "আপুনি ইমান টকা কিতাপত খৰচ কৰেনে?" সেইবাৰো মই একো নামাতিছিলোঁ, কেৱল হাঁহিৰেই উত্তৰ দিছিলোঁ।

এনে পৰিস্থিতি যদি চলি থাকে তেন্তে অসমত সঁচাকৈয়ে কিতাপৰ ক্ষেত্ৰত সংকটে দেখা দিব। পৃথিৱীৰ আন দেশৰ বৰ্তমানৰ পৰিস্থিতি কেনেকুৱা নাজানোঁ। অসমত কিন্তু অতি দুখ লগা। আহক আমি সকলোৱে মিলি গ্ৰন্থ অধ্যয়ন সংস্কৃতি এটা গঢ়ি তোলাঁ। নহ'লে অসম অজ্ঞান-আন্ধাৰত ডুব যাব।

*ফোন ঃ ৯৮৫৪১২৮৮৫৩*

থিয়নাম অসমৰ নামনি অঞ্চলত বিশেষভাৱে প্ৰচলিত। প্ৰধানকৈ বৰপেটা জিলাত ইয়াৰ প্ৰচলন ব্যাপক। থিয়নাম যেন এটা এৰিব নোৱাৰা ধৰ্মীয় প্ৰথা। ব'হাগ বিহুৰ সাত ব'হাগৰ দিনা বৰপেটা সত্ৰৰ কৰাপাটৰ সন্মুখত অনুষ্ঠিত হোৱা তিনিও মূল হাটীৰ থিয়নাম অসম বিখ্যাত।



# থিয়নাম সমাৰোহ

## জয়ানগৰ চাৰিআলি

দীপক বায়ন

**মহাপুৰুষ** দুজনাৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ ভকতিৰ চাৰিখুঁটিৰ প্ৰথম খুঁটিৰ 'নাম' হৰিনাম কীৰ্তন। সেই ভকতিৰসৰ অনবদ্য উপাদান হ'ল 'থিয়নাম'। এই থিয়নাম অসমৰ নামনি অঞ্চলত বিশেষভাৱে প্ৰচলিত। প্ৰধানকৈ বৰপেটা জিলাত ইয়াৰ প্ৰচলন ব্যাপক। থিয়নাম যেন এটা এৰিব নোৱাৰা ধৰ্মীয় প্ৰথা। ব'হাগ বিহুৰ সাত ব'হাগৰ দিনা বৰপেটা সত্ৰৰ কৰাপাটৰ সন্মুখত অনুষ্ঠিত হোৱা তিনিও মূল হাটীৰ থিয়নাম অসম বিখ্যাত। কাতিত বৰপেটাৰ হাটীয়ে হাটীয়ে থিয়নাম অনুষ্ঠিত নকৰাটো যেন এটা দোষহে, এই কাতিত সুন্দৰীদিয়া আৰু বৰপেটা সত্ৰৰ সন্মুখত আড়ম্বৰপূৰ্ণভাৱে থিয়নাম অনুষ্ঠিত হয়। বিভিন্ন উৎসৱ-পাৰ্বণ আদিত থিয়নাম পৰিৱেশন কৰাটো যেন এটা অঘোষিত নিয়ম। আত্মীয়ৰ বিয়োগত সকামৰ শেষত থিয়নাম পৰিৱেশন কৰাটো যেন বাধ্যতামূলক, নকৰিলে যেন শুদ্ধিকৰণ নহয়। সৰ্বদিশতে বৰপেটীয়াৰ থিয়নাম এক ভক্তৰসৰ উপাদান।

এই থিয়নামৰ মাজৰ পৰা তাল ঘূৰোৱা শৈলীটো বাহিৰলৈ উলিয়াই আনি নৃত্য কৰোৱাই নেপথ্যত থিয়নাম পৰিৱেশন কৰাটোৱে হৈছে আজিৰ সত্ৰীয়া নৃত্যৰ জনপ্ৰিয় ভোৰতাল নৃত্য। থিয়নামৰ ওজা মহানন্দ সূত্ৰধাৰৰ ধাৰণাৰে এই নৃত্যটো সৃষ্টি হৈছিল। থিয়নামক বীৰনাম বুলিও কোৱা হয়। বীৰৰ নিচিনা পৰিৱেশন কৰা বাবে বীৰনাম বুলি কয়। আন এটা প্ৰবাদ মতে ভগৱান বামনৰ নিৰ্দেশত দৈত্যৰাজ বলি সুতললৈ যোৱাৰ পাছত মাধৱৰ সুদৰ্শন চক্ৰ ৰাজসভাৰ ৰখীয়া হৈ পৰে। বিষ্ণুভক্ত বলিয়ে ককাক প্ৰহ্লাদৰ স'তে গোবিন্দৰ গীত গায় আৰু তেওঁৰ লগত দৈত্যসকলেও অংশগ্ৰহণ কৰে। কিন্তু কিছুমান দৈত্যই আওকাণ কৰি উঠি যোৱাত সুদৰ্শন চক্ৰই পাছে পাছে খেদি যায়। চক্ৰৰ ভয়ত পুনৰ বলিৰ শৰণলৈ আহি বীৰ দৈত্যসকলৰ আৰ্হিত হাতচাপৰি বজাই থিয় হৈ নাম-কীৰ্তন কৰা বাবে থিয়নামক বীৰনাম বুলি অভিহিত কৰে।

গুৱাহাটীত থিতাপি লোৱাৰ পাছত লক্ষ্য কৰিলো যে ইয়াত থিয়নামৰ প্ৰচলন কম। এই ভক্তি ৰসবিধ নামনি অসমতে বেছি সীমাবদ্ধ যদিও এতিয়া গোটেই অসমতে ইয়াৰ প্ৰচলন আছে, তথাপিও যেন বেছিভাগৰে সম্যক ধাৰণাৰ অভাৱ। পৰিবেশন কৰা দল সীমিত। আধুনিক জীৱনৰ কৰ্মব্যস্ততাই আমাক সেই অমৃতময় ভক্তিৰসৰ পৰা বঞ্চিত কৰিবলৈ ধৰিছে। সেই কথা উপলব্ধি কৰি আৰু ৰাইজৰ কুশল-মংগলাৰ্থে, ভকত সজ্জন, বাপ-বান্ধৱৰ আশীৰ্বাদ লোৱাৰ মানসৰ লগতে নৱপ্ৰজন্মক এই ভক্তি ধাৰাটোৰ স'তে পৰিচয় কৰি দিয়াৰ বাবে ২০১৫ত জয়ানগৰ থিয়নাম সমাৰোহ পৰিচালনা সমিতি নামেৰে এখন সমিতি গঠন কৰি সেই বৰ্ষৰে ১২ ডিচেম্বৰত প্ৰথম বাৰ্ষিক থিয়নাম সমাৰোহ জয়ানগৰ চাৰিআলি গুৱাহাটীত অনুষ্ঠিত কৰা হয়। বৰপেটা, ওদালগুৰি আৰু ভৱানীপুৰৰ নাম দলে নাম পৰিৱেশন কৰিছিল। উদ্বোধন কৰিছিল ৰত্ন ওজাই, বিশিষ্ট অতিথি আছিল প্ৰভাত শৰ্মা, থিয়নামৰ আৰম্ভ কৰিছিল সদ্য প্ৰয়াত বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া নৱজিৎ কুমাৰ দাস পাঠকে। এইদৰে ২০১৯লৈ সমাৰোহখন আড়ম্বৰপূৰ্ণভাৱে একেৰাহে অনুষ্ঠিত কৰা হৈছিল। অসমৰ বিভিন্ন অঞ্চলৰ থিয়নাম দলে নাম পৰিৱেশন কৰাৰ লগতে উদ্বোধক আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত আছিল ড° অশোক কুমাৰ গোস্বামী, গুৰুকৃষ্ণ গোস্বামী, বশিষ্ঠ দেৱ শৰ্মা, জিতেন্দ্ৰ নাথ প্ৰধানী।

যোৱা বছৰ ক'ভিড পৰিস্থিতিৰ বাবে থিয়নাম অনুষ্ঠিত কৰিব পৰা নগ'ল। এইবাৰ পৰিস্থিতি কিছু অনুকূল হোৱাত আজি চাৰি বজাৰ পৰা জয়ানগৰ চাৰিআলিত ষষ্ঠতম থিয়নাম সমাৰোহখন অনুষ্ঠিত কৰা হৈছে।

*ফোন ঃ ৯৪৩৫০২৫৪৭১*


এই থিয়নামৰ মাজৰ পৰা তাল ঘূৰোৱা শৈলীটো বাহিৰলৈ উলিয়াই আনি নৃত্য কৰোৱাই নেপথ্যত থিয়নাম পৰিৱেশন কৰাটোৱে হৈছে আজিৰ সত্ৰীয়া নৃত্যৰ জনপ্ৰিয় ভোৰতাল নৃত্য। থিয়নামৰ ওজা মহানন্দ সূত্ৰধাৰৰ ধাৰণাৰে এই নৃত্যটো সৃষ্টি হৈছিল। থিয়নামক বীৰনাম বুলিও কোৱা হয়। বীৰৰ নিচিনা পৰিৱেশন কৰা বাবে বীৰনাম বুলি কয়। আন এটা প্ৰবাদ মতে ভগৱান বামনৰ নিৰ্দেশত দৈত্যৰাজ বলি সুতললৈ যোৱাৰ পাছত মাধৱৰ সুদৰ্শন চক্ৰ ৰাজসভাৰ ৰখীয়া হৈ পৰে।

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৫ ডিচেম্বৰ, ২০২১ বুধবাৰ পৃষ্ঠা ছয়

## কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ দাবী কোচ ৰাজবংশী জাতীয় পৰিষদৰ

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** 'কোচ ৰাজবংশীৰ লগতে অসমৰ আন পাঁচটা জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দৰে বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু অসম চৰকাৰৰ কোনো সদিচ্ছা নাই সেই কথা প্ৰমাণিত হৈছে।' এক বিবৃতিযোগে এই অভিযোগ কৰিছে কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে। কোচ ৰাজবংশী জাতীয় পৰিষদৰ নেতা দুজনে উল্লেখ কৰি কয় যে বিগত লোকসভা আৰু অসম বিধানসভা নিৰ্বাচনৰ সময়ত বিজেপি নেতৃত্বই কেন্দ্ৰ আৰু অসমত আঠ পৃষ্ঠাত চাওক

### সোঁতৰ বিপৰীতে



## ■ মুছলপুৰত বিটিআৰ চৰকাৰৰ বৰ্ষপূৰ্তি অনুষ্ঠানত মন্ত্ৰী পীযুষ

# প'ৰ্টেলসমূহক ৰজা হৈ থাকিবলৈ দিয়া নহ'ব



*বিটিআৰ পৰিষদীয় চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তিৰ অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল, মুছলপুৰত।*

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৪ ডিচেম্বৰ ঃ** 'প'ৰ্টেলসমূহ ৰজা হৈ গৈছে। তেওঁলোকে যি ইচ্ছা তাকেই কৰে। কিন্তু প'ৰ্টেলসমূহক ৰজা হৈ থাকিবলৈ দিয়া নহ'ব, তেওঁলোকে নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰেহে চলিব লাগিব।' বিটিআৰৰ মিত্ৰজোঁটৰ চৰকাৰৰ এবছৰ পূৰ্ণ হোৱা উপলক্ষে আজি বাগ্‌সা জিলাৰ মুছলপুৰত অনুষ্ঠিত বৰ্ষপূৰ্তি অনুষ্ঠানত এইদৰে মন্তব্য কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই। অৱশ্যে প'ৰ্টেলেই হওক বা ছেটেলাইট চেনেলেই হওক সকলোৰে বাতৰি প্ৰকাশৰ স্বাধীনতা থকাৰ কথা তেওঁ স্বীকাৰ কৰে। মন্ত্ৰীজনে লগতে কয় যে অসম তথা বিটিআৰৰ মিত্ৰজোঁটৰ চৰকাৰে অসমীয়া জাতিৰ স্বাভিমানৰ হকে কাম কৰি আছে; কিন্তু অন্য দলৰ চৰকাৰে অসম তথা অসমীয়াৰ হকে কাম কৰিব নোৱাৰে। আনহাতে, বিটিচি মুৰব্বী প্ৰমোদ বড়োৱে সাংবাদিকৰ আগত কয় যে ইউপিপিএল, বিজেপি আৰু জিএছপিয়ে দলীয় পৰ্যায়ত মুছলপুৰত বৰ্ষপূৰ্তি উপলক্ষে দলীয় কৰ্মকৰ্তাসকলৰ স'তে আজি মত বিনিময় অনুষ্ঠিত কৰে। কাইলৈ সকলো কাৰ্যবাহী সদস্যই নিজ নিজ কাৰ্যালত উপস্থিত থাকি সংবাদমেলযোগে বিভিন্ন কাৰ্যসূচী ঘোষণা কৰিব বুলি কয় বড়োৱে। পৰৱৰ্তী সময়ত সকলো ই এমে গাঁৱে গাঁৱে গৈ ৰাইজৰ স'তে চৰকাৰখনৰ কাম-কাজৰ বিষয়ে আলোচনা কৰিব বুলি উল্লেখ কৰি অহা ১৮ ডিচেম্বৰত কোকৰাঝাৰত এখন বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত কৰিব বুলি কয়। অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ইপিনে, বাগ্‌সা জিলাৰ বিভিন্ন প্ৰাথমিক আৰু মধ্য ইংৰাজী আঠ পৃষ্ঠাত চাওক

## যুৱ শক্তিক প্ৰদান কৰা শিক্ষাই দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিব

### ■ অসম কলেজ শিক্ষক সংস্থাৰ অধিৱেশনত মন্ত্ৰী কেশৱ মহন্ত

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৪ ডিচেম্বৰ ঃ** 'চলিত দশকতে ভাৰত বিশ্বৰ সৰ্বাধিক যুৱশক্তিৰে পৰিপূৰ্ণ দেশৰূপে পৰিগণিত হোৱাৰ পৰিপ্ৰেক্ষিতত আমাৰ এই যুৱশক্তিক প্ৰদান কৰা শিক্ষাৰ ওপৰতে এতিয়া দেশখনৰ ভৱিষ্যৎ বহুখিনি নিৰ্ভৰ কৰিব। উচ্চ শিক্ষাই এখন উজ্জীৱিত, জ্ঞানোদ্দীপ্ত, উৎপাদনক্ষম, সমৃদ্ধ, উন্নতিকামী, উদ্ভাৱনীমূলক আৰু কৌশলশীল ৰাষ্ট্ৰ নিৰ্মাণত মূল চালিকাশক্তিৰ ভূমিকা লয়। এনে



শিক্ষাৰ জৰিয়তেই দেশে নিজা সমস্যাৰাজিৰ সমাধান বিচাৰি লোৱাৰ সামৰ্থও আহৰণ কৰে।' এই মন্তব্য ৰাজ্যৰ স্বাস্থ্য, বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিবৰ্তন, তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তৰ। নগাঁও ছোৱালী মহাবিদ্যালয়ত আঠ পৃষ্ঠাত চাওক


## ছইবৰৰ সহযোগী লাট মণ্ডলক গ্ৰেপ্তাৰ

**মানকাচৰ, ১৪ ডিচেম্বৰ ঃ** তিনি মাহৰ মূৰত আৰক্ষীৰ জালত পৰিল ধৃত অতিৰিক্ত উপায়ুক্ত ছইবৰ ৰহমানৰ ঘনিষ্ঠ সহযোগী লাট মণ্ডল নুৰুল হক সৰকাৰ। নীতি-বৰ্হিভূতভাৱে বিপুল সম্পত্তিৰ পাহাৰ গঢ়ি গ্ৰেপ্তাৰ হোৱা ৰহমানৰ ছত্ৰছায়াত মাটি-বাৰী সন্দৰ্ভত বিয়াগোম কেলেংকাৰিত নিমজ্জিত আছিল এই লাট মণ্ডলজন। আজি মানকাচৰ ৰাজহ চক্ৰৰ লাট মণ্ডল সৰকাৰক গৌৰীপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ তদন্তৰ আওতালৈ আহিব ধৃত লাট মণ্ডলজন।

উল্লেখ্য যে দুৰ্নীতিপৰায়ণ অতিৰিক্ত উপায়ুক্ত ৰহমানক গ্ৰেপ্তাৰ কৰাৰ পাছৰে পৰা তেওঁৰ ঘনিষ্ঠ সহযোগী লাট মণ্ডলজন বিগত তিনি মাহ ধৰি পলাতক হৈ আছিল। যোৱা ৩০ ছেপ্টেম্বৰত ধৃত সৰকাৰে চাকৰিৰ পৰা অৱসৰ লোৱাৰ কথা আছিল, কিন্তু বিয়াগোম কেলেংকাৰি পোহৰলৈ অহাত তেওঁ ২৮ ছেপ্টেম্বৰতে পলায়ন কৰিবলৈ বাধ্য হয়। তেওঁৰ বিৰুদ্ধে দক্ষিণ শালমাৰা আৰক্ষী আঠ পৃষ্ঠাত চাওক

## শোণিতপুৰৰ চৰকাৰী বিদ্যালয়ত ওলাল প্লাষ্টিক সদৃশ চাউল

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৪ ডিচেম্বৰ ঃ** মধ্যাহ্ন ভোজনৰ নামত ছাত্ৰ-ছাত্ৰীসকলক কেনে ধৰণৰ চাউল খুৱাই থকা হৈছে তাৰে এক উদ্বেগজনক ছবি প্ৰকাশ কৰা এক ঘটনা আজি



পোহৰলৈ আহিছে শোণিতপুৰৰ বালিপৰাৰ নিকটৱৰ্তী লোক্ৰা অঞ্চলত। উল্লেখ্য যে বালিপৰা শিক্ষাখণ্ডৰ অন্তৰ্গত লোক্ৰাৰ বুঢ়াগাঁও মধ্য ইংৰাজী বিদ্যালয়ত সমবায়ৰ পৰা চৰকাৰীভাৱে যোগান ধৰা মধ্যাহ্ন ভোজনৰ চাউলৰ বস্তাত ওলোৱা ইটোৰ পাছত সিটো প্লাষ্টিকসদৃশ পচা চাউল আৰু পানী ঢালিলেই গলি পিঠাগুৰিৰ ৰূপ লোৱা চাউলক কেন্দ্ৰ কৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে চৰকাৰীভাৱে মধ্যাহ্ন ভোজনৰ বাবে আবণ্টিত এই চাউলৰ বস্তাসমূহ চৰকাৰীভাৱে অলপতে বিদ্যালয়খনে চাৰিদুৱাৰ সমবায়ৰ পৰা সংগ্ৰহ কৰিছিল। আজি বিদ্যালয়খনৰ ৰান্ধনিয়ে মধ্যাহ্ন ভোজনৰ বাবে চাউল উলিয়াই বাচি থকাৰ সময়তে চকুত পৰে আঠ পৃষ্ঠাত চাওক

## এনটিপিপিচিৰ উত্তৰ-পূৱ মহোৎসৱত বড়োসকলৰ বাগুৰুম্বা, দাউশ্ৰী দেলাই লোকনৃত্যক বিকৃত

### ■ শ্ৰীভূমি অসম সাংস্কৃতিক গোষ্ঠীৰ বিৰুদ্ধে কোকৰাঝাৰ থানাত এজাহাৰ দাখিল

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১৪ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ছালাকাটিস্থিত এনটিপিচি ষ্টেডিয়াম খেলপথাৰত যোৱা ১১ আৰু ১২ ডিচেম্বৰত এনটিপিচিৰ উদ্যোগত জনগোষ্ঠীয় সংস্কৃতি প্ৰদৰ্শনৰ নামত বিকৃত ৰূপত উপস্থাপন কৰি সমগ্ৰ বড়ো সংস্কৃতিক তুচ্ছ-তাচ্ছিল্য কৰা আৰু অপমানিত কৰাৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে দুলাৰায় বড়ো হাৰিমু আফাত অৰ্থাৎ সদৌ বড়ো সাংস্কৃতিক সন্থা। বিশেষকৈ বাগুৰুম্বা লোকনৃত্যৰ কোনো ধৰণৰ শৈলী, সাজ-পোছাক সঠিক ৰূপত উপস্থাপন নকৰাকৈ একমাত্ৰ নিজৰ ইচ্ছা অনুযায়ী বাগুৰুম্বা নৃত্যৰ প্ৰকৃত ৰূপ-শৈলীক বিকৃত কৰাৰ বিৰুদ্ধে শ্ৰীভূমি অসম সাংস্কৃতিক গোষ্ঠীৰ বিৰুদ্ধে কোকৰাঝাৰ থানাত এজাহাৰ দাখিল কৰিছে সদৌ বড়ো সাংস্কৃতিক সন্থাই। আজি কোকৰাঝাৰ চহৰৰ বাগানশালিস্থিত সদৌ বড়ো সাংস্কৃতিক সন্থাৰ কাৰ্যালয়ত আয়োজিত এখন আঠ পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱৰ কুসুমবিলত অঘটন বাহনি ঝাৰৰ পৰা পৰি এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ১৪ ডিচেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ কুসুমবিলত বাহনিৰ ঝাৰৰ পৰা পৰি এজন লোক নিহত। নিহত লোকজন দুই নম্বৰ কুসুমবিল গাঁৱৰ নিবাসী হৰিদাস বৰ্মন (৫৮)। প্ৰাপ্ত সূত্ৰ মতে, লোকজন পুৱা ১০ বজাত বাহ কাটিবলৈ গৈ বাহনিৰ ঝাৰৰ ওপৰত উঠে। হঠাৎ ভৰি পিছলি লোকজন তলত পৰি যায়। স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি লোকজনক ততাতৈয়াকৈ তুলসীবিল স্বাস্থ্য কেন্দ্ৰত লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। সম্প্ৰতি গাঁৱৰ ৰাইজে একত্ৰিত হৈ গাঁৱৰ শ্মশানত হৰিদাসৰ নশ্বৰদেহ শেষকৃত্য সম্পন্ন কৰে। ২০০১ৰ পৰা বজৰং দল কৰি অহা লোকজনৰ এনে আকস্মিক মৃত্যুত সমগ্ৰ অঞ্চলতে শোকাকুল পৰিৱেশ বিৰাজ কৰিছে। দুখীয়া পৰিয়ালৰ মুৰব্বীজনৰ হঠাৎ হোৱা মৃত্যুত পৰিয়ালটোৰ ভৱিষ্যতৰ কথা চিন্তা কৰি চৰকাৰক সহায় কৰিবলৈ আহ্বান জনায় গাঁওবাসীয়ে।

## মাটিয়া ৰাজহ চক্ৰ চৌহদৰ ভূমি বেদখলকাৰীক উচ্ছেদৰ দাবীৰে উপায়ুক্তক অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৪ ডিচেম্বৰ ঃ** সৰিয়হৰ ডুলিতে ভূত থকাৰ লেখীয়াকৈ মাটিয়া ৰাজহ চক্ৰ চৌহদৰ ভূমি বেদখলকাৰীৰ কবলত পৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। চৰকাৰী ভূমিৰ বেদখলকাৰীসকলক উচ্ছেদ কৰাৰ দাবীত আজি স্থানীয় আব্দুৰ ৰহমান আৰু মহিউদ্দিন আহমেদসহ মুঠ ৬১গৰাকীকৈ লোকে জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। অভিযোগপত্ৰত উল্লেখ কৰা মতে, মাটিয়া ৰাজহ চক্ৰ চৌহদৰ উত্তৰ দিশত বুজন পৰিমাণৰ ভূমি বেদখলকাৰীৰ কবলত পৰিছে। উল্লেখ্য যে বিভাগীয় নথি মতে, মাটিয়া ৰাজহ চক্ৰৰ নামত থকা ভূমি হ'ল ৪০ বিঘা আৰু ৰাজহ চক্ৰৰ ভূমিৰ উত্তৰ দিশত শৰৎ চন্দ্ৰ নাথৰ চাৰি বিঘা দুকঠা চাৰি লেছা পট্টাভুক্ত শালি মাটি আছে। কিন্তু শৰৎ চন্দ্ৰ নাথে মাটিৰ কোনো শ্ৰেণী পৰিৱৰ্তন নকৰাকৈয়ে তেওঁৰ শালি মাটিত ওখকৈ মাটি পেলাই ৰাজহ চক্ৰৰ মাটি সামৰি পকী ঘৰ নিৰ্মাণ কৰিছে। ইপিনে, ৰাজহ চক্ৰৰ মাটিৰ উত্তৰ-পূৱ দিশত তিনিটাকৈ পৰিয়ালে বেদখল কৰি আঠ পৃষ্ঠাত চাওক

## শালবাৰীৰ নৰসিংবাৰীত ৰাইজৰ উত্তাল প্ৰতিবাদ

### ■ আৰক্ষী পহৰা চকী উঠাই নিবলৈ নিদিয়াৰ হুংকাৰ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৪ ডিচেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ নৰসিংবাৰীত ৰাইজে আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কে'বাবছৰ ধৰি থকা এখন আৰক্ষী পহৰা চকী চৰকাৰে উঠাই নিব বিচৰাৰ বাবে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে স্থানীয় ৰাইজে। গোৱৰ্ধনা আৰক্ষী থানাৰ অন্তৰ্গত তথা শালবাৰীৰ নৰসিংবাৰীত ২০১৪ত স্থাপন কৰা



হৈছিল এখন আৰক্ষী পহৰা চকী। কিন্তু ওপৰ মহলৰ নিৰ্দেশানুযায়ী টালি টোপোলা বান্ধি পহৰা চকী এৰি যাব ওলাইছে তাত থকা আৰক্ষীৰ লোকসকল। যাৰ বাবে শংকিত হৈ পৰিছে স্থানীয় নৰসিংবাৰী গাঁৱৰ ৰাইজ। কাৰণ ২০১৪ৰ এক মে'ত বৰ্বৰ আক্ৰমণৰ ঘটনা সংঘটিত হৈছিল গাঁওখনত। দুৰ্বৃত্তৰ বন্দুকৰ গুলিত নিহত হৈছিল গাঁওখনৰ তিনিজনকৈ লোক। আহত হৈছিল বহুকেইজন। তেতিয়াই গাঁওখনত এখন আৰক্ষী পহৰা চকী স্থাপন কৰা হৈছিল যদিও সেয়া আজি উঠাই নিব বিচৰাত আঠ পৃষ্ঠাত চাওক

## পৌৰ নিৰ্বাচনত স্থানীয়ভাৱে মিত্ৰতাৰ বিষয়টো নিৰ্ধাৰণ কৰিব

### ■ জল জীৱন আঁচনি ৰূপায়ণত আসোঁৱাহ স্বীকাৰ মন্ত্ৰী দাসৰ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৪ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত আজি পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসে চিৰাং জিলাৰ উল্লিখিত তিনিওটা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মন্ত্ৰীজনে চিৰাং জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা জল জীৱন মিছনৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰি জিলাখনৰ জল জীৱন মিছনৰ প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰি উলিয়াবলৈ নিৰ্দেশ দিয়ে। জিলাখনৰ উত্তৰাঞ্চলৰ গাঁওসমূহৰ পানী উলিওৱাত সমস্যা হোৱা বাবে



উন্নতমানৰ যন্ত্ৰৰে এই ব্যৱস্থা সুচল কৰা হ'ব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আনহাতে, তেওঁ জিলাখনৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত তদাৰক কৰে আৰু উজ্বলা যোজনাৰ ৰন্ধন গেছ আৰু প্ৰকৃত হিতাধিকাৰীয়ে যাতে ৰেছন কাৰ্ড লাভ কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তদুপৰি কামসমূহৰ লগতে জিলাখনৰ ভিচিডিচিসমূহৰ জৰিয়তে আঠ পৃষ্ঠাত চাওক

## হাজোৰ বৰ্ণিত আৰক্ষীৰ অভিযানত আটক তিনি কুখ্যাত ড্ৰাগছ মাফিয়া

### ■ উদ্ধাৰ বৃহৎ পৰিমাণৰ সন্দেহজনক হেৰ'ইনৰ লগতে নিচাযুক্ত টেবলেট-কফ ছিৰাপ

**অগ্ৰদূত বাৰ্তা**
**হাজো, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোৰ বৰ্ণিত কে'বাজনো ড্ৰাগছ মাফিয়াৰ ঘৰত পুৱতি নিশালৈ আৰক্ষীয়ে অভিযান চলায়। আৰক্ষীৰ অভিযানত জব্দ হৈছে প্ৰায় দুই লক্ষাধিক টকাৰ নিচাজাতীয় সামগ্ৰী। লগতে আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে তিনিজনকৈ ড্ৰাগছ মাফিয়া। আটকাধীন ড্ৰাগছ মাফিয়াকেইজন ক্ৰমে ভয়নুৰ আলী, ইফতিকাৰ আলী (বাবু), আৰু ইমৰান আলী। দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি এই তিনি মাফিয়াই চলাই আহিছিল ড্ৰাগছৰ ব্যৱসায়। ওৰে নিশা চলা অভিযান কালত আৰক্ষীয়ে ভয়নুৰ আলীৰ ঘৰৰ পৰা ২০টাকৈ সন্দেহজনক হেৰ'ইনভৰ্তি কণ্টেইনাৰৰ লগতে কে'বটাও কফ ছিৰাপৰ বটল আৰু বৃহৎ সংখ্যক নিচাযুক্ত টেবলেট, দুটা ম'বাইল ফোন আৰু ইফতিকাৰ আলীৰ ঘৰৰ পৰা ১৩ গ্ৰাম সন্দেহজনক হেৰ'ইন আৰু কে'বাটাও খালী আঠ পৃষ্ঠাত চাওক

## ৰঙিয়াত ডকাইতি লুটিলে পাঁচ লাখ

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১৪ ডিচেম্বৰ ঃ** কিছুদিন বিৰতিৰ পাছত পুনৰ ৰঙিয়াত সক্ৰিয় হৈ উঠিছে চিলনী চোৰৰ দল। ৰঙিয়া থানাত নতুন ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰমল্ল পাটোৱাৰীয়ে যোগ দিয়াৰ এসপ্তাহ নৌহওঁতেই আজি ৰঙিয়া চহৰৰ মাজ মজিয়াত দিন দুপৰতে সংঘটিত হ'ল এক ধন লুটৰ ঘটনা। ৰঙিয়াৰ প্ৰতিষ্ঠিত ব্যৱসায়ী দিগন্ত কলিতাৰ পেট্ৰ'ল ডিপ'ৰ কৰ্মচাৰী শৰৎ দাসৰ পৰা দুই দুৰ্বৃত্তই লুটি নিয়ে পাঁচ লাখ টকা। ঘটনাটো সংঘটিত হয় ৰঙিয়াৰ সদা ব্যস্ত ভাৰত-ভূটান পথত। ভুক্তভোগী শৰৎ দাসে জনোৱা মতে, তেওঁ ষ্টেট বেংকৰ ৰঙিয়া শাখাৰ পৰা আঠ পৃষ্ঠাত চাওক

## নগাঁও আৰক্ষীৰ জালত দুই ড্ৰাগছ সৰবৰাহকাৰী

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৪ ডিচেম্বৰ ঃ** নগাঁৱত আৰক্ষীৰ ধাৰাবাহিক ড্ৰাগছ বিৰোধী অভিযানৰ মাজতেই পুনৰ নগাঁও আৰক্ষীয়ে জব্দ কৰিছে হেৰ'ইন ভৰ্তি কণ্টেনাৰ। এক বিশেষ খবৰৰ ভিত্তিত নগাঁৱৰ ইটাচালি আৰক্ষীয়ে তেলীয়া পহুকটাৰ বৰুৱা চুকৰ পৰা ড্ৰাগছ সৰবৰাহকাৰী দুজন যুৱকক আটক কৰিছে। ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ পৰা আৰক্ষীয়ে হেৰ'ইন ভৰ্তি কণ্টেনাৰৰ লগতে নগদ ধন জব্দ কৰিছে। আটকাধীন দুই যুৱক ক্ৰমে দীপক শইকীয়া (পাপু) আৰু জগত মনি বৰুৱা। নগাঁও আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানৰ পাছতো প্ৰতি দিনে নগাঁৱত ড্ৰাগছ জব্দ হোৱাটোৱে চিন্তিত কৰিছে নগাঁওবাসী ৰাইজক।

## সাহিত্যকাণ্ডাৰীলৈ শ্ৰদ্ধাঞ্জলি ঃ প্ৰবীণ শিল্পী হৰিনাৰায়ণ দাসে অংকন কৰিলে ১২ ফুট উচ্চতাৰ চিত্ৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৪ ডিচেম্বৰ ঃ** ভানুমতিৰ দৰে উপন্যাস, টেটোন তামুলীৰ দৰে নাটকৰ স্ৰষ্টা, ৰায়বাহাদুৰ, অসমীয়া ভাষা সাহিত্যক আগুৱাই নিয়াৰ ক্ষেত্ৰত নেতৃত্ব বহন কৰাৰ উপৰি অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ স্থাপক, অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি, আসাম বন্তিৰ প্ৰকাশক আৰু তেজপুৰত প্ৰথমটো ছপাশাল স্থাপনৰ লগতে ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ সম্পাদক পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী উপলক্ষে তেজপুৰৰ এগৰাকী প্ৰবীণ চিত্ৰ শিল্পী হৰিনাৰায়ণ দাসে অংকন কৰিছে সাহিত্য কাণ্ডাৰীগৰাকীৰ এখন ১২ ফুট উচ্চতৰা তৈলচিত্ৰ। যোৱা ১০ দিনৰ ভিতৰত অসমীয়া ভাষা সাহিত্যৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰি যোৱা এইগৰাকী সাহিত্য কাণ্ডাৰীৰ প্ৰতি এক শ্ৰদ্ধাঞ্জলি বুলি



উল্লেখ কৰি তেজপুৰৰ প্ৰবীণ চিত্ৰ তথা ভাস্কৰ্যশিল্পী দাসে কয় যে এইসকল পথিকৃতৰ অবিহনে অসমীয়া ভাষা ইমানদিনে বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'লহেঁতেন। বৰ্তমান সময়তো সাহিত্য কাণ্ডাৰীগৰাকীৰ প্ৰাসংগিকতা বৃদ্ধি পোৱা বুলিও তেওঁ উল্লেখ কৰে। এইগৰাকী যশস্বী শিল্পীয়ে কলাগুৰু, ৰূপকোঁৱৰ আৰু নটসূৰ্যৰো চিত্ৰ অংকন কৰিছে আৰু তেওঁৰ দ্বাৰা অংকিত এই অপূৰ্ব চিত্ৰসমূহ তেজপুৰ সাহিত্য সভা প্ৰেক্ষাগৃহত ৰখা হৈছে। উল্লেখ্য যে তেজপুৰত সাহিত্য কাণ্ডাৰীক তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাই কাইলৈ এক বিশেষ অনুষ্ঠানৰ জৰিয়তে স্মৰণ কৰাৰ উপৰি শোণিতপুৰ জিলা প্ৰশাসনেও তেজপুৰ পৌৰসভাৰ ৰাজহুৱা যানবাহন আস্থানৰ সন্মুখত সাহিত্য কাণ্ডাৰীগৰাকীৰ এক তামৰ আৱক্ষ মূৰ্তি স্থাপন কৰিব। ইতিমধ্যে ইয়াত ৰাজ্যৰ মুখ্যমন্ত্ৰীকে ধৰি বহুকেইজন মন্ত্ৰী-বিধায়কে অংশ ল'ব বুলি এই কাৰ্যসূচীৰ বাস্তৱায়িত কৰাৰ দায়িত্বত আঠ পৃষ্ঠাত চাওক

## জহি-খহি গৈছে টাপাট্টাৰীৰ মালেগড় অংগনৱাড়ী কেন্দ্ৰ



**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ টাপাট্টাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত মালেগড় প্ৰথম খণ্ডত থকা অংগনৱাড়ী কেন্দ্ৰৰ জৰাজীৰ্ণ অৱস্থাই সমাজ কল্যাণ বিভাগৰ ফোঁপলা স্বৰূপটোকে বাৰুকৈয়ে উদঙাই দিছে। কেন্দ্ৰটোৰ গৃহ আজি বহু বছৰ ধৰি বন্ধ হৈ আছে। কেন্দ্ৰটোৰ টিনপাত, বেৰ মজিয়া আদি জহি-খহি যোৱাৰ লগতে অপতৃণই ছানি ধৰিছে। ফলত বহু বছৰ ধৰি কণ কণ শিশুসকলে কেন্দ্ৰটোলৈ যোৱাই নাই। মাজে-সময়ে কেন্দ্ৰটোৰ কৰ্মীগৰাকীয়ে অঞ্চলটোত ভুমুকি মাৰি শিশু আৰু প্ৰসূতি আদিৰ ঘৰে ঘৰে গৈ সামগ্ৰী আদি বিতৰণ কৰাৰ বাহিৰে অইন কোনো কামেই নাই। সেয়ে গৃহটো মেৰামতি কৰি তলাবন্ধ হৈ থকা কেন্দ্ৰটো পুনৰাই মুকলি কৰাৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।


## কোকৰাঝাৰত দলঙৰ নিৰ্মাণৰ কাম বন্ধ কৰাক লৈ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১৪ ডিচেম্বৰ ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ নিকটৱৰ্তী হেকাইপাৰা মাছুৱাঘাট গৌৰাং নৈ'ৰ ওপৰত নিৰ্মীয়মান অৱস্থাত থকা কংক্ৰিট দলং এখনৰ কাম ঠিকাদাৰে বন্ধ কৰাক লৈ অঞ্চলটোৰ ১০/১১খন গঞা ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি ইয়াৰ তীব্ৰ প্ৰতিবাদ জনাই অঞ্চলটোৰ গঞা ৰাইজে মঙলবাৰে মাছুৱাঘাট গৌৰাং নৈৰ পাৰত এক প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। স্থানীয় ৰাইজ আৰু এবিএমছুৰ উদ্যোগত ৰূপায়িত হোৱা ধৰ্ণা কাৰ্যসূচীত বৃহত্তৰ আঠ পৃষ্ঠাত চাওক

## আত্মসহায়ক গোটৰ পুখুৰীত দুষ্কৃতিকাৰীয়ে দিলে বিহ

### ■ ডেৰ লক্ষাধিক টকাৰ মাছ নিধন



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৪ ডিচেম্বৰ ঃ** জামুগুৰিহাটৰ এটি বৃহৎ পুখুৰীত পুনৰ দুষ্কৃতিকাৰীয়ে বিহ ঢালি নিধন কৰিলে লক্ষাধিক টকাৰ মাছ। অঞ্চলটোৰ মৰণাকুৰি চাপৰিত ধলাইবিলৰ ১০ গৰাকী যুৱকে 'অভিনন্দন' নামেৰে এটি আত্মসহায়ক গোট খুলি প্ৰায় ১০ বিঘা মাটিৰ পুখুৰীত মৎস্য পালন কৰি স্বাৱলম্বিতাৰ পথ বাছি লৈছিল যদিও যোৱা নিশা কোনো দুষ্কৃতিকাৰীয়ে পুখুৰীত বিহ দিয়াৰ ফলত প্ৰায় ডেৰ লক্ষাধিক টকাৰ মাছৰ মৃত্যু হয়। পুৱাৰ ভাগত পুখুৰীত মাছ ওপঙি থকা দেখা পাই আত্মসহায়ক গোটৰ সদস্যসকল কিংকৰ্তব্যবিমূঢ় হৈ পৰে। লগে লগে গোটৰ সদস্যসকলে ঘটনা সন্দৰ্ভত জামুগুৰি আৰক্ষীক অৱগত কৰায়। উল্লেখ্য যে কিছুদিন পূৰ্বে জামুগুৰিহাটৰ আন দুটা পুখুৰীতো দুষ্কৃতিকাৰীয়ে বিহ দি লাখ লাখ টকাৰ মাছ নিধন কৰিছিল।

## দিল্লী-ৰাজস্থানত পুনৰ অ'মিক্ৰন আক্ৰান্তৰ সন্ধান, আক্ৰান্তৰ সংখ্যা ৫৩ লৈ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা ভাৰতত ৫৩ জনলৈ বৃদ্ধি পালে। মঙলবাৰে দিল্লীত নতুনকৈ চাৰিজন অ'মিক্ৰন আক্ৰান্তৰ সন্ধান লাভ কৰা হ'ল। ফলত দিল্লীত অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা ছজনলৈ বৃদ্ধি পালে। ইফালে, ৰাজস্থানত মঙলবাৰে নতুনকৈ অ'মিক্ৰনত আক্ৰান্ত আঠজন ব্যক্তিক চিনাক্ত কৰা হ'ল। ৰাজ্যখনত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ১৭ জনলৈ বৃদ্ধি পালে।

## টেছলাৰ প্ৰতিষ্ঠাপক এলন মাস্ক 'টাইম পাৰ্ছন অৱ দ্য ইয়েৰ' নিৰ্বাচিত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৪ ডিচেম্বৰ ঃ** বৈদ্যুতিক গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টেছলাৰ প্ৰতিষ্ঠাপক, মহাকাশ উদ্যোগী এলন মাস্ক 'টাইম পাৰ্ছন অৱ দ্য ইয়েৰ' নিৰ্বাচিত হ'ল। বিশ্বখ্যাত আলোচনীখনে মাস্কক এই সন্মান প্ৰদান কৰি কয় যে ৫০ বছৰীয়া মাস্ক হৈছে বাস্তৱত প্ৰযুক্তিৰ এক চুম্বক। 'টাইম' আলোচনীয়ে ১৯২৭ৰ পৰা 'পাৰ্ছন অৱ দ্য ইয়েৰ' নিৰ্বাচন কৰি আহিছে। চলিত বৰ্ষত এই সন্মানৰ বাবে বিখ্যাত আলোচনীখনে মাস্কক নিৰ্বাচন কৰাৰ কাৰণ হৈছে টেছলাৰ প্ৰতিষ্ঠাপকজনে স্পেচ ৰানৰ জৰিয়তে মহাকাশ প্ৰযুক্তিৰ উন্নয়নত আগবঢ়োৱা অৱদান। 'টাইম'ৰ মুখ্য সম্পাদক এডৱৰ্ড ফেলচেনথলে কয়, 'পাৰ্ছন অৱ দ্য ইয়েৰৰ অৰ্থ হৈছে যি ব্যক্তিয়ে বিশ্বক বৰ্ষটোত প্ৰভাৱিত কৰিছিল। এই কথাত কাৰো দ্বিমত নাথাকিব যে এলন মাস্কে এই ধৰাৰ লগতে ধৰাৰ বাহিৰতো যি প্ৰভাৱ পেলালে সেয়া আন কোনো ব্যক্তিয়ে কৰিব পৰা নাই।' উল্লেখ্য যে ২০২১ বৰ্ষত মাস্কৰ মালিকানাধীন প্ৰতিষ্ঠান স্পেচ ৰানে নাছাৰ স'তে মহাকাশ গৱেষণাত অংশ লোৱাৰ লগতে মহাকাশ পৰ্যটন অভিযান সফলতাৰে সম্পন্ন কৰিছিল। 'টাইম'ৰ মতে, মাস্ক সামাজিক আৰু অৰ্থনৈতিকভাৱে বৰ্তমানৰ বিশ্বত সবাতোকৈ প্ৰভাৱশালী ব্যক্তি হিচাপে পৰিচিত হৈছে। উল্লেখ্য যে মাস্ক হৈছে বৰ্তমানৰ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি।

## দেশত ১২ বছৰৰ শীৰ্ষত মূল্যবৃদ্ধি, নৱেম্বৰত ১৪.২৩ শতাংশলৈ হ'ল বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** যোৱা নৱেম্বৰত ভাৰতত পাইকাৰী মূল্যবৃদ্ধি ১৪.২৩ শতাংশলৈ বৃদ্ধি পালে। ইয়াৰ পূৰ্বে অক্টোবৰত দেশত পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ আছিল ১২.৫৪ শতাংশ। ছেপ্টেম্বৰত পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ আছিল ১০.৬ শতাংশ। ইফালে, কালি প্ৰকাশ পোৱা খুচুৰা মূল্যবৃদ্ধিৰ পৰিসংখ্যা অনুসৰি নৱেম্বৰত দেশৰ খুচুৰা বজাৰত মূল্যবৃদ্ধিৰ হাৰ আছিল ৪.৯১ শতাংশ। অক্টোবৰত ভাৰতত খুচুৰা মূল্যবৃদ্ধিৰ হাৰ আছিল ৪.৪৮ শতাংশ। প্ৰকাশিত বাতৰি অনুসৰি, ভাৰতত খুচুৰা মূল্যবৃদ্ধিয়ে ১২ বছৰৰ অভিলেখ ভংগ কৰি শীৰ্ষত আৰোহণ কৰিলে। ইন্ধন আৰু বিজুলীৰ মূল্যবৃদ্ধিৰ ফলত দেশত পাইকাৰী বজাৰত মূল্যবৃদ্ধি হৈছে।

## ৭.৩ প্ৰাৱল্যৰ ভূমিকম্পত কঁপি উঠিল ইন্দোনেছিয়া, ছুনামীৰ সতৰ্কতা




**নিউজ ব্যুৰ', জাভা, ১৪ ডিচেম্বৰ ঃ** প্ৰৱল ভূমিকম্পত কঁপি উঠিল ইন্দোনেছিয়া। ৰিখটাৰ স্কেলত কম্পনৰ মাত্ৰা আছিল ৭.৩। মাৰ্কিন ভূতাত্ত্বিক সংস্থা ইউ এছ জি এছৰ পৰ্যবেক্ষকে ভূমিকম্পৰ পাছতে বিপজ্জনক ছুনামীৰ শংকা প্ৰকাশ কৰি সতৰ্কতা অৱলম্বনৰ পৰামৰ্শ দিছে। স্থানীয় সময় অনুসৰি আজি পুৱা ১০-২০ বজাত ভূমিকম্পৰ প্ৰাৱল্য অনুভূত হৈছিল। ইউ এছ জি এছে প্ৰকাশ কৰা মতে, ভূমিকম্পটোৰ উৎপত্তিৰ স্থল আছিল মউমেৰে চহৰৰ পৰা প্ৰায় ১০০ কিলোমিটাৰ উত্তৰত ভূগৰ্ভৰ ১৮.৫ কিলোমিটাৰ গভীৰত। এই উৎসস্থলৰ পৰা এহেজাৰ কিলোমিটাৰ উপকূলজুৰি ছুনামীৰ শংকা ব্যক্ত কৰিলে ইউ এছ জি এছে। ভূমিকম্পৰ ফলত এই অঞ্চলৰ বহুতো বাসগৃহ ক্ষতিগ্ৰস্ত হৈছে।

### চীনৰ আগ্ৰাসনক লৈ সতৰ্ক বাৰ্তা জাৰি কৰিলে টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে ঃ টাইৱান দখলৰ পৰিকল্পনা যুগুত চীনৰ

# সামৰিক অনুশীলনৰ অচিলাৰে আক্ৰমণ চলাব চীনে ঃ শংকা টাইৱানৰ



**নিউজ ব্যুৰ' টাইপে, ১৪ ডিচেম্বৰ ঃ** সামৰিক অনুশীলনৰ নামত যিকোনো মুহূৰ্তত আক্ৰমণ চলাব পাৰে চীনে। যুদ্ধৰ আশংকা প্ৰকাশ কৰি এইদৰে দাবী কৰিলে টাইৱানে। দ্বীপ ৰাষ্ট্ৰখনৰ দাবী অনুসৰি, সমুদ্ৰত প্ৰশিক্ষণৰ অচিলাৰে চীনৰ সেনাবাহিনীয়ে দৰাচলতে টাইৱান দখল কৰাৰ পৰিকল্পনা যুগুত কৰিছে। চীনৰ এই আগ্ৰাসনৰ সন্দৰ্ভত ইতিমধ্যে সতৰ্কবাৰ্তা জাৰি কৰিলে টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে। এই সতৰ্কবাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰণালয়ে উল্লেখ কৰা অনুসৰি, সামৰিক অনুশীলনৰ অচিলাৰে টাইৱানৰ জলসীমাত কৌশলগতভাৱে গুৰুত্বপূৰ্ণ অঞ্চলত চীনে হেজাৰ হেজাৰ ৰণতৰী আৰু সেনা নিয়োগ কৰাৰ শংকা আছে। তদুপৰি সুযোগ বুজি সমুদ্ৰৰে চীনা সেনা বাহিনীয়ে টাইৱানক আক্ৰমণ কৰাৰ সম্ভাৱনা আছে বুলিও টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে দাবী কৰিছে। তদুপৰি প্ৰশান্ত মহাসাগৰৰ পশ্চিমাঞ্চললৈ ৰণতৰী প্ৰেৰণ কৰি টাইৱানক ঘেৰি তোলাৰ অপচেষ্টাও চীনৰ সেনাই চলাব পাৰে বুলি টাইৱানে শংকা প্ৰকাশ কৰিছে। এনে পৰিস্থিতিত হঠাতে ক্ষেপণাস্ত্ৰৰে ভয়াৱহ আক্ৰমণ সংঘটিত কৰি দ্বীপ ৰাষ্ট্ৰখনত হেজাৰ হেজাৰ চীনা সৈনিকে প্ৰৱেশ কৰিব পাৰে। অৱশ্যে চীনে এইদৰে টাইৱানক আক্ৰমণৰ পৰিকল্পনা যুগুত কৰিলেও এই মুহূৰ্তত আক্ৰমণকাৰী সেনাবাহিনীক ৰেচনৰ যোগান ধৰাটো চীনৰ বাবে সহজ নহ'ব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। কিয়নো কৌশলগত অঞ্চলসমূহত প্ৰত্যাক্ৰমনৰ বাবে ইতিমধ্যে টাইৱানৰ সেনাবাহিনীয়ে নিজক সাজু কৰি ৰাখিছে। তদুপৰি চীনা সৈন্যৰ গতিবিধিৰ ওপৰত কঠোৰ সৃষ্টি ৰাখিছে আমেৰিকা আৰু জাপানে। তাৎপৰ্যপূৰ্ণভাৱে টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰী চিউ কুউ-চাঙে পূৰ্বে একাধিকবাৰ দাবী কৰিছিল যে ২০২৫ বৰ্ষৰ ভিতৰত চীনে টাইৱান দখল কৰাৰ বাবে প্ৰৱল যুদ্ধত অৱতীৰ্ণ হোৱাৰ শংকা আছে। উল্লেখ্য যে চীনে টাইৱান নিজ দেশৰ অংশ বুলি দাবী কৰি আহিছে। জি জিনপিং ক্ষমতাধিষ্ঠিত হোৱাৰ পাছৰে পৰা চীন টাইৱানৰ ক্ষেত্ৰত অধিক আগ্ৰাসী হৈ উঠিছে। একাধিকবাৰ বলপূৰ্বকভাৱে টাইৱান দখলৰো ভাবুকি দি আহিছে জিনপিঙে।



## দেশত দৈনিক সংক্ৰমণ ছহেজাৰৰ তললৈ নামিল, মৃত্যু ২৫২ জনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** অ'মিক্ৰনৰ আতংকৰ মাজতে যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিড আক্ৰান্তৰ সংখ্যা ছহেজাৰৰ তললৈ নামিল। মঙলবাৰে পুনৰ ক'ভিডত আক্ৰান্ত হ'ল ৫,৭৮৪ জন লোক। আনহাতে, এই মাৰণ ভাইৰাছৰ সংক্ৰমণৰ ফলত ভাৰতত যোৱা ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে ২৫২ জন লোকে। বৰ্তমানলৈকে দেশত চাৰি লাখ ৭৫ হেজাৰ ৮৮৮ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। এই মুহূৰ্তত ভাৰতত ৮৮,৯৯৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে। পৰিসংখ্যা অনুসৰি ভাৰতত এতিয়ালৈকে তিনি কোটি ৪১ লাখ ৩৮ হেজাৰ ৭৬৩ জন লোক ক'ভিডমুক্ত হৈছে।

## চীনত প্ৰৱেশ অ'মিক্ৰনৰ, প্ৰথমজন আক্ৰান্তক চিনাক্ত



**নিউজ ব্যুৰ', বেইজিং, ১৪ ডিচেম্বৰ ঃ** কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বৰ্তমানলৈকে বিশ্বৰ ৫০ খনৰো অধিক দেশত ধৰা পৰিছে। শেহতীয়াভাৱে চীনত প্ৰথমজন অ'মিক্ৰন আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হ'ল। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, মঙলবাৰে টিয়াংজিনৰ বন্দৰচহৰত প্ৰথমজন অ'মিক্ৰন আক্ৰান্ত ধৰা পৰে। টিয়াংজিনৰ স্বাস্থ্য আয়োগৰ নিৰ্দেশক গু কিংগে এক সাক্ষাৎকাৰত প্ৰকাশ কৰা অনুসৰি, দেশখনলৈ ক'ভিডৰ এই নতুন প্ৰজাতিৰ আগমন ইউৰোপৰ পৰা সংঘটিত হ'ল। প্ৰথমজন অ'মিক্ৰন সংক্ৰমিত পোলেণ্ডৰ নাগৰিক আৰু তেওঁ ভাৰচাৰ পৰা চীনলৈ আহিছিল। টিয়াংজিনত প্ৰৱেশৰ সময়ত আক্ৰান্ত ব্যক্তিৰ শৰীৰত কোনো উপসৰ্গ নাছিল। ব্যক্তিজনক নিভৃতবাসত ৰাখি ক'ভিডৰ নমুনা পৰীক্ষণ কৰাত তেওঁৰ শৰীৰত অ'মিক্ৰন ভাইৰাছৰ উপস্থিতি ধৰা পৰে। সম্প্ৰতি চিকিৎসকে আক্ৰান্ত ব্যক্তিজনক নিৰীক্ষণত ৰাখিছে।

## বলিউডত পুনৰ কৰ'নাতংক ঃ ক'ভিড আক্ৰান্ত হ'ল অভিনেত্ৰী কৰিণা-অমৃতা

**নিউজ ব্যুৰ', মুম্বাই, ১৪ ডিচেম্বৰ ঃ** বলিউডত আকৌ এবাৰ সৃষ্টি হ'ল কৰ'না আতংকৰ। এইবাৰ ক'ভিড-১৯ত সংক্ৰমিত হ'ল জনপ্ৰিয় অভিনেত্ৰী কৰিণা কপুৰ খান। কৰিণাৰ লগতে তেওঁৰ বান্ধৱী অমৃতা অৰোৰাও ক'ভিডত আক্ৰান্ত হৈছে। সূত্ৰৰ বাতৰি অনুসৰি, সোমবাৰে কৰিণা আৰু অমৃতাই নিজৰ ক'ভিড পৰীক্ষা কৰাইছিল আৰু দুয়োৰে ফলাফল 'পজিটিভ' আহে। অৱশ্যে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ পৰীক্ষণৰ প্ৰতিবেদন এতিয়াও দুয়োৱে লাভ কৰা নাই। প্ৰকাশিত বাতৰি অনুসৰি, কৰিণা আৰু অমৃতাই পৰিচালক-প্ৰযোজক কৰণ জোহৰে আয়োজন কৰা এক পাৰ্টিত অংশ লোৱাৰ পাছতে ক'ভিডৰ উপসৰ্গই দেখা দিছিল। সামাজিক মাধ্যমত কৰ'নাত আক্ৰান্ত হোৱাৰ বাতৰি প্ৰকাশ কৰি কৰিণাই কয়, 'ইতিমধ্যে নিজকে আমি নিভৃতবাসত ৰাখিছো। আমাৰ ঘৰৰ সদস্য আৰু কৰ্মচাৰীসকলে দুপালি প্ৰতিষেধক গ্ৰহণ কৰিছে। মোৰ শৰীৰত কোনো অসুবিধা অনুভৱ কৰা নাই। শেহতীয়াভাৱে যিসকল ব্যক্তি আমাৰ সংস্পৰ্শলৈ আহিছিল তেওঁলোকক ক'ভিড পৰীক্ষা কৰাই ল'বলৈ অনুৰোধ জনালো।'



## ছমাহৰ ভিতৰত দেশত শিশুৱে লাভ কৰিব ক'ভিড প্ৰতিষেধক



**নিউজ ব্যুৰ', পুনে, ১৪ ডিচেম্বৰ ঃ** ছিৰাম ইনষ্টিটিউট অৱ ইণ্ডিয়াই আগন্তুক ছমাহৰ ভিতৰত ভাৰতৰ শিশুসকলৰ বাবে ক'ভিডৰ প্ৰতিষেধক প্ৰস্তুত কৰিব। প্ৰতিষ্ঠানটোৰ মুখ্য কাৰ্যবাহী বিষয়া আদৰ পুনাৱালাই আজি এই কথা প্ৰকাশ কৰি কয় যে আগন্তুক ছমাহৰ ভিতৰত শিশুৰ বাবে ন'ভাভেক্সৰ ক'ভিড প্ৰতিষেধক মুকলি কৰা হ'ব। তিনিৰ পৰা ততোধিক বয়সৰ শিশুক লৈ ইতিমধ্যে ক'ভিডৰ এইবিধ প্ৰতিষেধকৰ পৰীক্ষামূলক প্ৰয়োগ সম্পন্ন কৰা বুলিও পুনাৱালাই জানিবলৈ দিয়ে। কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰিৰ ভাৰ্চুৱেল বৈঠকত অংশ লৈ পুনাৱালাই আজি শিশুৰ ক'ভিড টিকাকৰণ সন্দৰ্ভত এইদৰে ঘোষণা কৰে।



## ৰাছিয়াৰ বিদ্যালয়ত ছাত্ৰৰ আত্মঘাতী আক্ৰমণ

**নিউজ ব্যুৰ' ম'স্কো, ১৪ ডিচেম্বৰ ঃ** ৰাছিয়াৰ ৰাজধানী ম'স্কোৰ পৰা ১০০ কিলোমিটাৰ দূৰত স্থিত এখন বিদ্যালয়ত এজন ছাত্ৰই আত্মঘাতী আক্ৰমণ সংঘটিত কৰিলে। বিদ্যালয় চৌহদত মানৱ বোমাৰু হিচাপে আক্ৰমণ চলোৱাৰ ফলত ১৮ বছৰীয়া ছাত্ৰজনৰ মৃত্যু হয়। এই ঘটনাত আঠজন লোক গুৰুতৰভাৱে আহত হৈছে। আত্মঘাতী ছাত্ৰজনৰ পৰিচয় এতিয়ালৈকে আৰক্ষীয়ে ৰাজহুৱা কৰা নাই। বোমা বিস্ফোৰণৰে আত্মঘাতী হোৱা ছাত্ৰজন অৰ্থডক্স স্কুল অৱ ভেডেনেস্কি মণ্টেচৰীৰ ছাত্ৰ আছিল। অৱশ্যে একাংশ প্ৰতিবেদনত আক্ৰমণকাৰী বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ আছিল বুলি উল্লেখ কৰিছে। কি কাৰণত যুৱকজনে আক্ৰমণ সংঘটিত কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

## মুম্বাইত ফোনত কথা পাতি যানবাহন চলালে ভৰিব লাগিব ১০ হেজাৰৰ জৰিমনা



**নিউজ ব্যুৰ', মুম্বাই, ১৪ ডিচেম্বৰ ঃ** মুম্বাইত এতিয়াৰে পৰা যানবাহন আইন ভংগ কৰিলে বৃহৎ পৰিমাণৰ জৰিমনা ভৰিব লাগিব। কোনো ব্যক্তিয়ে বাহন চলোৱাৰ সময়ত ম'বাইলত বাৰ্তালাপ কৰি ধৰা পৰিলে পূৰ্বৰ দুশ টকাৰ পৰিৱৰ্তে এহেজাৰ টকাৰ জৰিমনা ভৰিব লাগিব। দ্বিতীয়বাৰ একে ঘটনা সংঘটিত কৰিলে উক্ত ব্যক্তিক ১০ হেজাৰ টকালৈকে জৰিমনা বিহা হ'ব। আনহাতে, অনাধিকৃত বাহন পাৰ্কিঙৰ ক্ষেত্ৰত পাঁচ হেজাৰ টকা, অনুজ্ঞাপত্ৰ নবীকৰণ নকৰালে পাঁচ হেজাৰ টকা, দ্ৰুতগতিত বাহন চলালে চাৰি হেজাৰ টকা, অনাহকত হৰ্ণ বজালে ৫০০-১৫০০ টকা আৰু বীমা অবিহনে বাহন চলালে ২০০০-৪০০০ টকালৈকে জৰিমনা ভৰিব লাগিব। হেলমেট অবিহনে দুচকীয়া বাহন চলালে প্ৰথমবাৰ ৫০০ টকা আৰু দ্বিতীয়বাৰ ১৫০০ টকাৰ জৰিমনা ভৰিব লাগিব।

## কাশ্মীৰৰ ২০০ লোকৰ তালিকা সন্ত্ৰাসবাদীক দিলে আই এছ আয়ে

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৪ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশ পোৱা এক বাতৰি অনুসৰি, যোৱা ছেপ্টেম্বৰত পাক অধিকৃত কাশ্মীৰৰ মুজাফফৰাবাদত পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আয়ে লস্কৰ-ই-তৈবা, জইচ এ মহম্মদসহ কে'বাটাও সন্ত্ৰাসবাদী সংগঠনৰ শীৰ্ষ কমাণ্ডাৰৰ স'তে বৈঠকত মিলিত হৈছিল। আই এছ আয়ে এইদৰে সন্ত্ৰাসবাদী সংগঠনৰ শীৰ্ষ নেতাক সাক্ষাৎ কৰি জম্মু-কাশ্মীৰ আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ লগতে সাধাৰণ নাগৰিকক আক্ৰমণৰ লক্ষ্য হিচাপে ল'বলৈ এক পৰিকল্পনা যুগুত কৰিছিল। এই বৈঠকত আই এছ আয়ে লস্কৰ-ই-তৈবা, জইচ ই মহম্মদক পৰামৰ্শ দি কৈছিল যে তেওঁলোকে নতুন নতুন নামৰে গোট সৃষ্টি কৰি জম্মু-কাশ্মীৰক ব্যাপক আক্ৰমণ সংঘটিত কৰা উচিত। অৱশ্যে এনেবোৰ আক্ৰমণৰ দায়িত্ব সংশ্লিষ্ট সন্ত্ৰাসবাদী সংগঠনক স্বীকাৰ কৰাৰ পৰা বিৰত থাকিবলৈকো আই এছ আয়ে পৰামৰ্শ দিছিল। ফাইনেন্সিয়েল একচন টাস্ক ফ'ৰ্চ (এফ এ টি এফ)ৰ ৰোষত পৰাৰ ভয়তে আই এছ আয়ে লস্কৰ-ই-তৈবা, জইচ ই মহম্মদৰ দৰে শীৰ্ষ সন্ত্ৰাসবাদী সংগঠনক সন্ত্ৰাস আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰাৰ পৰা বিৰত থাকি নতুন নতুন ক্ষুদ্ৰ ক্ষুদ্ৰ গোট গঠনৰে কাশ্মীৰত সক্ৰিয় হ'বলৈ পৰামৰ্শ দিছিল। ভাৰতীয় চোৰাংচোৱাই লাভ কৰা তথ্য অনুসৰি, আই এছ আয়ে সন্ত্ৰাসবাদী সংগঠনৰ শীৰ্ষ নেতাৰ স'তে অংশ লোৱা বৈঠকতে জম্মু-কাশ্মীৰৰ প্ৰায় ২০০ জন ব্যক্তিৰ এখন তালিকাও সন্ত্ৰাসবাদীক অৰ্পণ কৰিছিল আৰু কাশ্মীৰ উপত্যকাত এইসকল নিৰ্বাচিত ব্যক্তিক আক্ৰমণৰ লক্ষ্য হিচাপে ল'বলৈ সন্ত্ৰাসবাদীক কৈছিল। পাকিস্তানী চোৰাংচোৱা সংস্থাৰ এই ভাৰতবিৰোধী নতুন পৰিকল্পনাৰ তথ্য ভাৰতীয় চোৰাংচোৱাই লাভ কৰাৰ পাছতে কাশ্মীৰত নিৰাপত্তা বাহিনী অধিক সক্ষম হৈ উঠিছে।



# পিতৃ নহয়, শিশুৰ অভিভাৱকত্ব লাভ কৰিলে মৃত মাতৃৰ বান্ধৱীয়ে ঃ নজিৰবিহীন ৰায় আদালতৰ



**নিউজ ব্যুৰ', কলকাতা, ১৪ ডিচেম্বৰ ঃ** এটা গোচৰত নজিৰবিহীনভাৱে কলকাতা উচ্চ ন্যায়ালয়ে এক সন্তানৰ অভিভাৱকত্ব প্ৰদান কৰিলে মৃত মাতৃৰ বান্ধৱীক। শিশুৰ মাতৃৰ তিনি বছৰ পূৰ্বে মৃত্যু হৈছিল। সন্তানৰ অধিকাৰ কাৰ? এই বিষয়ক লৈ পিতৃ-মাতৃৰ মাজত আইনী যুঁজ সকলোৱে প্ৰত্যক্ষ কৰি আহিছে আৰু আদালতে সাধাৰণতে এনে গোচৰত পিতৃ বা মাতৃক অথবা উভয়কে অভিভাৱকত্ব প্ৰদান কৰে। কিন্তু এক গোচৰত কলকাতা উচ্চ ন্যায়ালয়ে পিতৃৰ পৰিৱৰ্তে এটি সন্তানৰ অভিভাৱকত্ব প্ৰদান কৰিলে প্ৰয়াত মাতৃৰ এগৰাকী বান্ধৱীক। বৰ্তমানে উক্ত শিশুৰ বয়স হৈছে চাৰে চাৰি বছৰ। ২০১৮ত শিশুটিৰ মাতৃয়ে আত্মহত্যা কৰিছিল। ইয়াৰ মাজতে স্বামীৰ স'তে বিবাহ বিচ্ছেদৰ গোচৰ চলি থকা হেতুকে কাৰাগাৰলৈ যাবলগা হৈছিল শিশুটিৰ পিতৃয়ে। ফলত শিশুটি ডাঙৰ-দীঘল হৈছিল ককাকৰ তত্ত্বাৱধানত। কিন্তু পৰৱৰ্তী বৰ্ষত ককাকেও আত্মহত্যা কৰে। ইয়াৰ পাছতে শিশুটি ডাঙৰ-দীঘল হৈছিল ককাকৰ প্ৰতিবেশী জুলি ৰায় নামৰ এগৰাকী মহিলাৰ ঘৰত। জুলি আৰু শিশুটিৰ মাতৃ নলে-গলে লগা বান্ধৱী আছিল। কাৰাগাৰৰ পৰা ওলাই অহাৰ পাছত শিশুৰ অভিভাৱকত্ব বিচাৰি আদালতৰ দ্বাৰস্থ হৈছিল পিতৃ। কিন্তু শিশুটিক পিতৃৰ হাতত অৰ্পণ কৰিবলৈ অস্বীকাৰ কৰিছিল জুলিয়ে। জুলিয়েও প্ৰতিপালনৰ অধিকাৰ বিচাৰি আদালতৰ কাষ চাপিছিল। এই গোচৰৰে বিচাৰ চলাই ন্যায়াধীশ জয়মাল্য বাগচী আৰু বিভাস পট্টনায়কৰ বিচাৰপীঠে পিতৃৰ পৰিৱৰ্তে জুলিক শিশুটিৰ অভিভাৱকত্ব প্ৰদান কৰে। সকলো দিশ বিচাৰ কৰি আদালতে মত প্ৰকাশ কৰে যে পিতৃৰ পৰিৱৰ্তে শিশুটিৰ পৰিচৰ্যা জুলিয়ে সঠিকভাৱে ল'ব পাৰিব, কিয়নো ইমানদিনে পিতৃ-মাতৃৰ অৱৰ্তমানত জুলিয়ে শিশুটিক প্ৰতিপালন ভালদৰে কৰি আহিছে।



## উত্তৰ প্ৰদেশত অকলে প্ৰতিদ্বন্দ্বিতা আপৰ, সমাজবাদীৰে নহ'ল মৰ্চা

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৪ ডিচেম্বৰ ঃ** আম আদমী পাৰ্টি (আপ)ৰ নেতা সঞ্জয় সিঙে কিছুদিন পূৰ্বে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱক সাক্ষাৎ কৰাত উভয় দলৰ মৰ্চা গঠন হ'ব বুলি জল্পনা-কল্পনা অব্যাহত আছিল। কিন্তু অৱশেষত আপে উত্তৰ প্ৰদেশৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত অকলে প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত ল'লে। আপৰ সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, সমাজবাদী পাৰ্টিৰ স'তে আসনৰ ভাগ-বাটোৱাৰাৰ সন্দৰ্ভত আপে নতশিৰ হ'ব নোৱাৰে আৰু দলে বিচৰা অনুসৰি আসন এৰি দিবলৈ সমাজবাদী পাৰ্টিয়ে নিবিচৰাত আপে বিধানসভাৰ নিৰ্বাচনত অকলে প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত ল'লে। আপৰ ৰাজ্যিক মুখপাত্ৰ বৈভৱ মাহেশ্বৰীয়ে আজি এই কথা প্ৰকাশ কৰি কয় যে অহা সপ্তাহত এশ সমষ্টিৰ দলৰ প্ৰাৰ্থী তালিকা আপে ঘোষণা কৰিব।

## কাশ্মীৰত এতিয়াৰে পৰা 'বুলেটপ্ৰুফ' গাড়ীত টহল দিব আৰক্ষীয়ে



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ১৪ ডিচেম্বৰ ঃ** শ্ৰীনগৰৰ জেৱনত সোমবাৰে বিয়লিবেলা আৰক্ষীৰ বাছত সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা আক্ৰমণৰ ঘটনাত ছহিদ আৰক্ষীকৰ্মীলৈ আজি চৰকাৰী সন্মানসহ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পাছত কাশ্মীৰৰ আই জি পি বিজয় কুমাৰে ঘোষণা কৰি কয় যে এতিয়াৰে পৰা কাশ্মীৰত আৰক্ষীকৰ্মীয়ে সদায় 'বুলেটপ্ৰুফ' বাহনত ভ্ৰমণ কৰিব। কুমাৰৰ মতে, কালি সন্ত্ৰাসবাদীয়ে আৰক্ষী বাহিনীৰ পৰা অস্ত্ৰ কাঢ়ি নিয়াৰ লক্ষ্যৰে উক্ত আক্ৰমণ সংঘটিত কৰিছিল। কুমাৰে কয়, 'এতিয়া আৰক্ষীয়ে এক অঞ্চলৰ পৰা আন এক অঞ্চললৈ ভ্ৰমণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে। আৰক্ষী আৰু সেনাৰ টহলৰ বাবে এতিয়াৰে পৰা বুলেটপ্ৰুফ বাছ ব্যৱহাৰ কৰা হ'ব।'

## মমতাৰ উপস্থিতিত তৃণমূল কংগ্ৰেছত যোগদান এন চি পিৰ বিধায়কৰ



**নিউজ ব্যুৰ', গোৱা, ১৪ ডিচেম্বৰ ঃ** এইবাৰ তৃণমূল কংগ্ৰেছত যোগদান কৰিলে গোৱাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা এন চি পিৰ বিধায়ক আলেমাও চাৰ্চিলে। তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ উপস্থিতিত সোমবাৰে তৃণমূল কংগ্ৰেছৰ সদস্যপদ গ্ৰহণ কৰিলে চাৰ্চিলে। উল্লেখ্য যে চাৰ্চিলৰ লগতে তেওঁৰ কন্যা ভালংকায়ো তৃণমূল কংগ্ৰেছত যোগদান কৰিলে। বেনাউলিমত এখন জনসভাত চাৰ্চিল আৰু তেওঁৰ কন্যাৰ হাতত তৃণমূল কংগ্ৰেছৰ পতাকা তুলি দিলে দলৰ ৰাজ্যসভাৰ সাংসদ লুইজিনহো ফেলেইৰ'ৰে। উল্লেখ্য যে অহা বছৰত গোৱাত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

## মানহানিৰ গোচৰ ঃ কংগনাৰ বিৰুদ্ধে জামিনবিহীন পৰোৱানাৰ দাবী জাভেদৰ



**নিউজ ব্যুৰ', মুম্বাই, ১৪ ডিচেম্বৰ ঃ** বিশিষ্ট গীতিকাৰ, সুৰকাৰ জাভেদ আখতাৰে অভিনেত্ৰী কংগনা ৰণৌটৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিছিল। এই গোচৰৰ শুনানিত আদালতৰ একাধিকবাৰ চমনৰ পাছতো উপস্থিত নহ'ল কংগনা। কংগনাই এইদৰে বাৰে বাৰে চমন অস্বীকাৰ কৰাৰ ফলত অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিবলৈ দাবী জনালে জাভেদে। জাভেদৰ হৈ অধিবক্তা জয় ভৰদ্বাজে আদালতত আবেদন দাখিল কৰি কয় যে কংগনাই যোৱা মাৰ্চৰ পৰা বৰ্তমানলৈকে একাধিকবাৰ কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ আদালতত উপস্থিত হোৱাৰ পৰা ৰেহাই দিবলৈ আবেদন জনাই আহিছে। সেয়েহে অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে আদালতে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা উচিত বুলি অধিবক্তা ভৰদ্বাজে দাবী কৰে।

## ■ দৰিদ্ৰ শিক্ষাৰ্থীৰ শৈক্ষিক জীৱন সুৰক্ষিত কৰাৰ দাবী ■ বঞ্চিত ছাত্ৰ-ছাত্ৰীৰ ক্ষোভ

# খাৰুপেটীয়া মহাবিদ্যালয়ত নামভৰ্তিৰ দাবীত অনিৰ্দিষ্টকালীন বন্ধ

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১৪ ডিচেম্বৰ ঃ** দৰঙৰ খাৰুপেটীয়া মহাবিদ্যালয়ত নামভৰ্তিৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। স্নাতক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত নামভৰ্তিৰ তালিকাৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ দাবীত কালি খাৰুপেটীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ উদ্যোগত বঞ্চিত ছাত্ৰ-ছাত্ৰী আৰু আমছুৰ লগতে কে'বাটাও সংগঠনে 'নামভৰ্তি কৰিবই লাগিব', 'আমাৰ দাবী মানিবই লাগিব' আদি শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰি আজিৰে পৰা অনিৰ্দিষ্টকালীন তলাবন্ধ কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ২০২১/২২ বৰ্ষৰ স্নাতক প্ৰথম বৰ্ষৰ বাবে দুহেজাৰ ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিছিল। তাৰে ভিতৰত এহেজাৰ ছাত্ৰ-ছাত্ৰীকহে মহাবিদ্যালয় কৰ্তৃপক্ষই নামভৰ্তি কৰাইছে। বাকী এহেজাৰ ছাত্ৰ-ছাত্ৰীক নামভৰ্তি তালিকাৰ পৰা বঞ্চিত কৰে। বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিকৰণৰ দাবীত কলেজখনত তলাবন্ধ কাৰ্যসূচী হাতত লোৱা হয়। সংখ্যালঘু অধ্যুষিত অঞ্চলৰ একমাত্ৰ মহাবিদ্যালয় হোৱাৰ বাবে বঞ্চিত ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। আমছুৰ লগতে বিভিন্ন সংগঠনে বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্তিকৰণৰ সুবিধা কৰি দিয়াৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ তথা চৰকাৰৰ ওচৰত দাবী জনায়। ছাত্ৰ একতা সভাৰ লগতে বিভিন্ন দল-সংগঠনে বিভিন্ন সময়ত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে যদিও কোনো সুফল নোপোৱাত আজিৰে পৰা কলেজৰ মূলটেত অনিৰ্দিষ্টকালৰ বাবে তলা লগাই বন্ধ কৰি দিয়ে। অৱশ্যে কলেজ কৰ্তৃপক্ষই বিকল্প পথেৰে কলেজত সোমাই কাম-কাজ চলায়।



*বকোত বনৰক্ষীৰ গুলিত শিশু নিহত কাণ্ডত দণ্ডাধীশৰ সন্মুখত সাক্ষ্যদান প্ৰত্যক্ষদৰ্শী।*

# এপেক্স বেংকৰ উন্নয়নৰ লগত অসমৰ উন্নয়ন জড়িত হৈ আছে

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১৪ ডিচেম্বৰ ঃ** '১৯৪৮ৰ কালিৰ দিনটোতে অসমৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈৰ আশাশুধীয়া প্ৰচেষ্টাত আত্মপ্ৰকাশ কৰা অসমৰ একমাত্ৰ স্থানীয় ৰাইজৰ বেংক এপেক্স বেংক। এই বেংকৰ উন্নতিৰ স'তে অসমৰ উন্নতি জড়িত হৈ আছে। এই বেংকৰ লগত অসমৰ স্থানীয় ৰাইজৰ আবেগ-অনুভূতিৰ সম্পৰ্ক সংপৃক্ত হৈ আছে।' এই মন্তব্য অসম কো-অপাৰেটিভ এপেক্স বেংকৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াৰ। যোৱা সাত ডিচেম্বৰত তেওঁ বেংকৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা ঋণ প্ৰদান আৰু বিত্তীয় সজাগতা অনুষ্ঠানত মুখ্য বক্তা হিচাপে এই মন্তব্য কৰে। তেওঁ সকলো ৰাইজক বেংকটোৰ উন্নতিৰ স্বাৰ্থত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। মুক্তিযোদ্ধা কৃষ্ণকান্ত লহকৰ আৰু শিল্পী পেঞ্চনপ্ৰাপ্ত নৰেন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। এই উপলক্ষে পূৱ ৰঙিয়া প্ৰগতি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে বেংকৰ পৰিচালন সঞ্চালক মণ্ডলীৰ সদস্য কাৰ্তিক চন্দ্ৰ দাসে। সভাত পৰিচালন সঞ্চালক শইকীয়াই জন্মলগ্নৰ পৰা আজিলৈ বেংকৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। সভাত বেংকৰ আঞ্চলিক প্ৰবন্ধক মনমোহন শৰ্মাই বেংকৰ বিভিন্ন

**■ ৰঙিয়াত প্ৰতিষ্ঠা দিৱস**

দিশত আলোকপাত কৰে। তেওঁ ঋণ গ্ৰাহকসকলক সময়মতে ঋণ পৰিশোধ কৰাৰ বাবে অনুৰোধ জনায়। সভাত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়া, ৰঙিয়া মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষা কনিকা গোস্বামী, যুৱ নেতা বিদ্যুৎ ডেকাসহ কে'বাগৰাকী গ্ৰাহকে এপেক্স বেংকৰ ৰঙিয়া শাখাৰ কৰ্মচাৰীসকলৰ কৰ্ম তৎপৰতা গ্ৰাহকৰ প্ৰতি থকা সেৱাৰ মনোভাৱৰ ভূয়সী প্ৰশংসা কৰে। বক্তাসকলে ৰঙিয়াত বেংকটোৰ শাখা স্থাপনৰ পটভূমিৰ লগতে ৰঙিয়াৰ সমাজ জীৱনক বেংকটোৰ ভূমিকা সম্পৰ্কে বহলাই ব্যাখ্যা আগবঢ়ায়। সভাত ৰঙিয়া মহকুমাৰ উপ-পঞ্জীয়ক উৎপল দাস, সমবায় আন্দোলনৰ লগত দীৰ্ঘদিন ধৰি জড়িত বিবুলাৰ ৰহমান, বেংক বিষয়া দমন নাৰ্জাৰী, মৌমিতা চক্ৰৱৰ্তী, বাবুল দৈমাৰী, ফুলেশ্বৰী বিনম্ৰতা, ডেকাৰ উপৰি দুলাল ডেকা, গিৰীন্দ্ৰ চন্দ্ৰ দাস, গীতা ৰাণী দাস বিভিন্ন আত্মসহায়ক গোটৰ সদস্য, স্থানীয় ৰাইজ আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। ইয়াৰ পূৰ্বে বেংকৰ শাখা প্ৰবন্ধক মাধুৰ্য বুঢ়াগোহাঁয়ে কেক কাটি প্ৰতিষ্ঠা দিৱসৰ আনুষ্ঠানিক ঘোষণা কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুঠ দুইকোটি ৬৭ লাখ টকাৰ ঋণ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। ইয়াৰে ৩১৪ গৰাকী খেতিয়কক ৫০ হেজাৰ টকাকৈ, ৮০ টা আত্মসহায়ক গোটক মুঠ এককোটি আৰু এজনক ব্যক্তিগত ঋণ প্ৰদান কৰা হয়।

# খুমটাইত অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা

## সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীলৈ 'অগ্নিগড়' বঁটা

**খুমটাই, ১৪ ডিচেম্বৰ ঃ** গোলাঘাটৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'অৰণ্যম'ৰ উদ্যোগত গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত চিনাতলী গাঁৱৰ শংকৰ- মাধৱ ক্ষেত্ৰত তৃতীয়বাৰৰ বাবে সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা আয়োজন কৰা হৈছে। অহা বৰ্ষৰ ১৬ৰ পৰা ২৭ জানুৱাৰীলৈ অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। অসমীয়া সংস্কৃতিৰ ভেটি গঢ়োতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি ভাওনাৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ২০১২ত প্ৰথমবাৰৰ বাবে আৰু ২০১৬ত দ্বিতীয়বাৰৰ বাবে সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টিক সজীৱ কৰি ৰখাৰ প্ৰয়াস কৰি আহিছে স্বেচ্ছাসেৱী সংগঠনটোৱে। সেই অনুসৰি চলিত বৰ্ষৰ ডিচেম্বৰৰ পৰা তৃতীয় সংখ্যক ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা আছিল যদিও ক'ভিডৰ বাবে নিৰ্দিষ্ট সময়ত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নাছিল। সেয়ে প্ৰতিযোগিতা ২০২২ৰ ১৬ জানুৱাৰীৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই ভাওনা প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰৰ মুঠ ২০টা ভাওনা দলে অংশগ্ৰহণ কৰিব বুলি উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে। ভাওনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৭০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ৫৫ হেজাৰ, তৃতীয় ৪৫ হেজাৰ, চতুৰ্থ ৪০ হেজাৰ আৰু পঞ্চম পুৰস্কাৰ ৩৫ হেজাৰ টকা ঘোষণা কৰিছে উদ্‌যাপন সমিতিয়ে। ইয়াৰ লগতে অন্যান্য পুৰস্কাৰসমূহো প্ৰদান কৰা হ'ব। ১৬ জানুৱাৰীৰ ভাওনা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথিৰূপে উপস্থিত থাকিব। আনহাতে, ২৭ জানুৱাৰীত অনুষ্ঠিত হ'ব লগা মুকলি সভাত আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীক ২০২০-২১ৰ 'অগ্নিগড়' বঁটা প্ৰদান কৰা হ'ব। ভাওনাৰ দলসমূহে চিনাতলীত থকা অৰণ্যমৰ কাৰ্যালয়ৰ স'তে যোগাযোগ কৰাৰ উপৰি উদ্‌যাপন সমিতিৰ বিষয়ববীয়াৰ ৯৮৫৪০-২৬২১৭, ৭০০২৬-৬৫১৭৩, ৯১০১৫-৪৫৫১০, ৯৭০৭৩-১৪৫৭৪, ৬০০০১-৬৯৪৭৮ আৰু ৭০০২৩-২৩৫০১ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

# জুৰীয়া ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত চুৰি

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ১৪ ডিচেম্বৰ ঃ** যিমানেই অবৈধ মদ-ড্ৰাগছকে ধৰি অপৰাধজনিত ঘটনা নিৰ্মূলৰ বাবে আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰিছে সিমানেই বৃহত্তৰ অঞ্চলত চুৰি-ডকাইতিৰ দৰে অপৰাধজনিত ঘটনা বৃদ্ধি পাইছে। অঞ্চলটোৰ বিভিন্ন ঠাইত সঘনাই সংঘটিত হৈছে চুৰি কাৰ্য। চোৰে এতিয়া লক্ষ্য কৰি লৈছে বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান। কিছুদিন পূৰ্বে জুৰীয়া ছোৱালী হাইস্কুল, উদমাৰী হাইস্কুলৰ পৰা বিভিন্ন মূল্যবান সামগ্ৰী চুৰি কৰাৰ পাছত যোৱা নিশা জুৰীয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা দুটাকৈ পানী তোলা মটৰ চুৰি কৰে। উক্ত ঘটনা সন্দৰ্ভত কালি চিকিৎসালয় কৰ্তৃপক্ষই জুৰীয়া আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে।

# মঙলদৈত নজৰুল হুছেইনৰ গ্ৰন্থ 'ৰূপম ডাক্তৰ' উন্মোচন

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৪ ডিচেম্বৰ ঃ** মঙলদৈ প্ৰেছ ক্লাবত যোৱা ১২ ডিচেম্বৰত নজৰুল হুছেইনৰ 'ৰূপম ডাক্তৰ' নামৰ গ্ৰন্থ এখন উন্মোচন কৰে বিশিষ্ট চিকিৎসক- সাহিত্যিক ডাঃ ৰমাকান্ত বৰাই। গ্ৰন্থখন উন্মোচন কৰি ডাঃ বৰাই কয় যে গ্ৰন্থ লিখিবলৈ সৃষ্টিশীল মনৰ দৰকাৰ, ইচ্ছা কৰিলেই গ্ৰন্থ লিখিব নোৱাৰি, ই মানুহৰ মনৰ ভিতৰৰ পৰা স্বতঃস্ফূৰ্তভাৱে আহিব লাগিব। গ্ৰন্থ উন্মোচনী সভাত 'আপকু'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আব্দুল খালেকে নজৰুল হুছেইনক প্ৰশংসা কৰি কয় যে তেওঁৰ সাহিত্য চৰ্চাই মান্যতা পাইছে, সেয়েহে তেওঁ এইবাৰ ৰাজ্য চৰকাৰে আগবঢ়োৱা অসম ভাষা গৌৰৱ আঁচনিৰ অধীনত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৰা লেখক সম্বৰ্ধনা লাভ কৰিবলৈ সক্ষম হৈছে। সভাত সমাজকৰ্মী আনোৱাৰ হুছেইন, জাকিৰ হুছেইন, ইক্ৰাম হুছেইন, আয়ুব আলী, তাৰিণী বড়া, জাহানাৰা আখতাৰ, ৰমেন শৰ্মা, নুৰুল ইছলাম, সাংবাদিক দ্বিপেন বৰুৱা, পংকজ শৰ্মা, কৌশিক ভৰদ্বাজ, উজ্জ্বলজ্যোতি ডেকা আদি উপস্থিত থাকে।

# গ্ৰামাঞ্চলত ক্ৰমাৎ বৃদ্ধি হৈছে মদ-ভাং সেৱনকাৰীৰ সংখ্যা

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৪ ডিচেম্বৰ ঃ** চহৰাঞ্চলৰ লগতে সম্প্ৰতি গ্ৰামাঞ্চলতো মদ-ভাং সেৱনকাৰীৰ তালিকা দীঘলীয়া হৈ গৈছে। চৰকাৰে গ্ৰামাঞ্চলৰ ঠায়ে ঠায়ে মুকলি বিলাতী সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ দিয়াৰ সিদ্ধান্ত লোৱাৰ পাছৰে পৰা গ্ৰামাঞ্চলৰ অলিয়ে-গলিয়ে সুৰাপায়ী লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে ভাঙৰ প্ৰচলনো হোৰাহোৰে বৃদ্ধি হৈছে। এই সংক্ৰান্তত ৰাইজ সচেতন হৈছে যদিও একাংশ অসাধু লোকে অধিক মূল্যৰ বিনিময়ত বিলাতী সুৰা আৰু ভাং বিক্ৰী কৰি ব্যাপক ধন ঘটি আছে। আনকি একাংশ ছাত্ৰ-ছাত্ৰীৰ মাজতো ইয়াৰ প্ৰচলনৰ কথা সদৰী হৈছে। যাৰ ফলত সমাজত অপৰাধ আৰু অপৰাধীৰ তালিকা দীঘলীয়া হৈছে। মনকৰিবলগীয়া যে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নলবাৰী আৰু কামৰূপ জিলা সংযোগী বাহাৰঘাট অঞ্চলতো ইয়াৰ

**■ উদ্বিগ্ন বৌদ্ধিক সমাজ**

ব্যতিক্ৰম হোৱা নাই। অঞ্চলটোৰ কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ কে'বাখনো গাঁৱত বিলাতী আৰু চুলাই মদৰ গোপন বিক্ৰী কেন্দ্ৰ থকাটো সকলোৰে মুখে মুখে। এইসমূহ ব্যৱসায়ীৰ গৃহত মাজে মাজে আৰক্ষীয়ে তালাচী চলাই উৎখাত কৰে যদিও কেইদিনমান পাছত পুনৰ পূৰ্বৰ দৰে বিক্ৰী আৰম্ভ কৰে। উল্লেখ্য যে অঞ্চলটোৰ বাৰাংহাটী গাঁও পঞ্চায়তৰ চকীৰবৰিত এখন ধাবা স্থাপনৰ যো-জা চলিছিল যদিও পশ্চিম বড়িগোগ সচেতন নাগৰিক মঞ্চ আৰু বিভিন্ন দল-সংগঠনৰ দাবীত প্ৰত্যাহাৰৰ কৰিবলৈ জিলা প্ৰশাসন বাধ্য হয়। ইতিমধ্যে মৌজাখনৰ সীমামূৰীয়া ঠাই কত্ৰাখাট আৰু বালিসত্ৰৰ মাজতে ৰঙিয়া সমষ্টিৰ অধীনত এখন ৱাইনশ্বপ নিৰ্বিঘ্নে চলি আছে। তাৰ কিছু প্ৰভাৱ মৌজাখনৰ কেইটামান অঞ্চলত পৰিছে। মনকৰিবলগীয়া যে সন্ধিয়া বা দিন-দুপৰতে হওক ধাবাখনৰ সন্মুখত বহুতো যানবাহন ঠাহ খাই থাকে। ইয়াৰ উপৰি অঞ্চলটোৰ নলবাৰী জিলাৰ অন্তৰ্গত দেহাৰকুছি, সানেকুছি আৰু দতৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত কে'বাখনো গাঁৱত অবাধে চলি আছে মদ-ভাঙৰ বেহা। সেই অনুপাতে সুৰা আৰু ভাং সেৱনকাৰীৰো সংখ্যা বৃদ্ধি হৈছে।

# ৰাজ্যিক ভিত্তিত বৰগীত প্ৰতিযোগিতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৪ ডিচেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ চাৰিগাঁও আঞ্চলিক শাখাৰ ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত বৰগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চাৰিগাঁও আঞ্চলিক শাখাৰ নামঘৰ প্ৰাংগণত ২৬ ডিচেম্বৰত হ'বলগীয়া প্ৰতিযোগিতাত যোগদানৰ কাৰণে অতুল শইকীয়া, ম'বাইল নম্বৰ ঃ ৯৯৫৭১৮৯৮৫১ বা ৰিতুমণি বৰা, ম'বাইল নম্বৰ ৯১০১৭৯৮৬৪৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# কুকুৰমাৰা আৰক্ষীৰ চুলাই মদৰ বিৰুদ্ধে অভিযান

**ছয়গাঁও, ১৪ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰা পহৰা চকীৰ সমীপৰ কুকুৰমাৰা গাঁৱৰ ৰাজহুৱা খেল পথাৰত কালি সন্ধিয়া প্ৰায় ৭-৩০ বজাত আৰক্ষী বিষয়া বলেন কলিতাই চুলাই মদৰ বিৰুদ্ধে অভিযান চলায়। এই অভিযানত প্ৰায় ১৫০ টা চুলাই মদৰ পেকেট জব্দ কৰা হয়। আৰক্ষীক দেখি আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে মদ বেপাৰীয়ে। পাছত আৰক্ষীয়ে জব্দকৃত চুলাই মদসমূহ কলহী নদীৰ মৰা সুঁতত নষ্ট কৰে। কুকুৰমাৰা আৰক্ষীৰ এনে পদক্ষেপক প্ৰশংসা কৰে স্থানীয় ৰাইজে।

# অসম বাৰ্তাজীৱী সংঘৰ ৪৫ সংখ্যক লিডু দ্বি-বাৰ্ষিক অধিবেশনৰ আয়োজন

## তিনিচুকীয়া জিলা সাংবাদিক সন্থাই প্ৰদান কৰিব সাংবাদিকতা বঁটা

অগ্ৰদূত বাৰ্তা

**তালাপ, ১৪ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা সাংবাদিক সন্থাই ৰাজ্যৰ সংবাদক্ষেত্ৰলৈ আগবঢ়াই অহা বিশিষ্ট বৰঙণিৰ বাবে দুই জ্যেষ্ঠ সাংবাদিক ক্ৰমে অনুৰাধা শৰ্মা পূজাৰী আৰু প্ৰশান্ত ৰাজগুৰুলৈ গজেন বৰঠাকুৰ সংবাদ মহীৰূপ বঁটা ২০২২ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ইয়াৰ লগতে সন্থাই অন্য ছয়জনলৈ বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। সংবাদক্ষেত্ৰলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱা দৈনিক জনমভূমিৰ যোৰহাটৰ বাৰ্তা সম্পাদক দিগন্ত বুঢ়াগোহাঁইক শ্ৰীনন্দ গোস্বামী সোঁৱৰণী সাংবাদিকতা বঁটা, প্ৰতিদিন টাইমৰ যুটীয়া সম্পাদক শোণিত কুমাৰ ভূঞাক গকুল শৰ্মা সোঁৱৰণী সাংবাদিকতা বঁটা ২০২২, প্ৰাগ নিউজৰ উজনি অসমৰ ব্যুৰ' উৎপল বৰালৈ পৰাগ ভূঞা সোঁৱৰণী সাংবাদিকতা বঁটা, নিউজ লাইভৰ জ্যেষ্ঠ সাংবাদিক ছায়ামণি ভূঞালৈ ক্ষেত্ৰধৰ শৰ্মা সোঁৱৰণী সাংবাদিকতা বঁটা, ডিৱাই-৩৬৫ৰ উজনি অসমৰ ব্যুৰ' ভাস্কৰজ্যোতি দাসলৈ অৰূপ কলিতা সোঁৱৰণী সাংবাদিকতা বঁটা আৰু এনেকে টিভিৰ জাগুন-তিনিচুকীয়াৰ ফটো সাংবাদিক গৌতম গগৈলৈ কিশান সোনাৰ সোঁৱৰণী ফটো সাংবাদিকতা বঁটা আগবঢ়োৱা হ'ব। উল্লেখ্য যে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উদ্যোগত মাৰ্ঘেৰিটা সাংবাদিক সংস্থা আৰু ডিগবৈ প্ৰেছ ক্লাবৰ সহযোগত অসম বাৰ্তাজীৱী সংঘৰ ৪৫ সংখ্যক দ্বিবাৰ্ষিক অধিবেশন অহা ২১, ২২ আৰু ২৩ জানুৱাৰীত তিনিচুকীয়া জিলাৰ লিডু বাজাৰ হাইস্কুল খেলপথাৰত আয়োজন কৰা হৈছে। ২২ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন মুকলি সভাত বঁটাপ্ৰাপকসকলক বঁটাসমূহ আগবঢ়োৱা হ'ব বুলি জিলা সভাপতি অনুজ কলিতা আৰু সম্পাদক ৰাণাজ্যোতি নেওগে এক বিবৃতিযোগে এই তথ্য সদৰী কৰিছে।

# সোণালী জয়ন্তী বৰ্ষত মিছামৰা সমবায় সমিতি

## সমবায় ভৱনৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৪ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ ভিতৰতে দক্ষতাৰে পৰিচালিত অন্যতম সমবায় সমিতি, মিছামৰা সমবায় সমিতিয়ে প্ৰতিষ্ঠাৰ ৪৯ টা বৰ্ষ গৰকিছে। সোণালী জয়ন্তী বৰ্ষৰ প্ৰাকক্ষণত যোৱা ১৩ ডিচেম্বৰত সমবায় সমিতিখনৰ প্ৰস্তাৱিত 'মিছামৰা সমবায় ভৱন'ৰ আধাৰশিলা স্থাপন কৰা হয়। ভৱনৰ শিলান্যাস কৰে সমিতিখনৰ সভাপতি মানস প্ৰতিম বৰুৱাই। সমিতিৰ সম্পাদক মণ্টু কলিতাই আঁত ধৰা অনুষ্ঠানত সমিতিৰ সঞ্চালক মণ্ডলী, অভিকৰ্তা, জ্যেষ্ঠ অংশীদাৰ পুতুল শৰ্মা, সাংবাদিক ক্ৰমে ইন্দুভূষণ মহন্ত, বিজয় হাজৰিকাকে ধৰি স্থানীয় ৰাইজৰ উপস্থিতিত আধাৰশিলা সম্পন্ন হয়। সঞ্চালক পৰেশ বৰাৰ নেতৃত্বত মংগলাচৰণ, আদৰণি আৰু আধাৰশিলা কাৰ্যসূচীৰ অন্তত সমিতিৰ সভাপতি মানস প্ৰতিম বৰুৱাই কয় যে এই ভৱনৰ সপোন সমিতিৰ অংশীদাৰ ৰাইজ, স্থানীয় ৰাইজ আৰু সমিতিৰ অভিকৰ্তাসকলৰ। বৰ্তমানৰ সঞ্চালক মণ্ডলীয়ে সপোনক সাকাৰ ৰূপ প্ৰদানত ৰত হৈছে। ১৯৭৩ৰ ১৩ ছেপ্টেম্বৰত মিছামৰা সমবায় বেংক লিমিটেড বিলুপ্তিৰে মিছামৰা সমবায় সমিতি লিমিটেড নামেৰে পঞ্জীয়ন হৈ প্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰতিষ্ঠাকালৰ সকলোজনলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই আৰু বহু ঘাত-প্ৰতিঘাত নেওচি উত্থান পতনৰ সাক্ষী হৈ ৪৯ টা বসন্ত গৰকি সোণালী জয়ন্তী বৰ্ষত উপনীত হৈছে এই সমবায় সমিতি। বিগত তিনিটা বছৰত কৰা নিৰন্তৰ চেষ্টা, মিতব্যয়িতাৰ কছৰত আৰু সঠিক পৰিকল্পনাৰ বাবে আজিৰ অৱস্থা পোৱা সমিতিৰ নিজা পুঁজিৰ ২১ লাখ ব্যয়ৰে নিৰ্মাণ হ'ব লগা মিছামৰা সমবায় ভৱনৰ নিৰ্মাণ কাৰ্য অহা এপ্ৰিলৰ ভিতৰত সম্পন্ন কৰা হ'ব বুলি সভাপতিজনে জানিবলৈ দিয়ে। অসমীয়া নতুন বছৰৰ পৰা এই ভৱনত থকা অত্যাধুনিক কাৰ্যালয়ৰ পৰা সকলো কাম ডিজিটেল পদ্ধতিৰে কৰাৰ উপৰি ভাৰতীয় জীৱন বীমা নিগমৰ ক্ষুদ্ৰ বীমা যোজনাসমূহৰ পৰিচালনা আৰু ক্ষুদ্ৰ বিত্তীয় সাহায্য প্ৰদান আঁচনিৰ পৰিচালনা কৰা হ'ব। লগতে হ'ব লগা বিজ্ঞানসন্মত গুদাম গৃহৰ পৰা চৰকাৰী আঁচনিৰ সামগ্ৰী বিতৰণ কৰা হ'ব।

# বহুভাষিক কবি সন্মিলনৰ উদ্যোগত দেৱানগাঁৱত কবি সন্মিলন

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** অসম বহুভাষিক কবি সন্মিলনৰ বঙাইগাঁও জিলা সমিতিৰ অন্তৰ্গত দেৱানগাঁও নাককাটি শাখাৰ উদ্যোগত যোৱা ১২ ডিচেম্বৰত স্থানীয় নৰ্থ বইটামাৰী অঞ্চলৰ দেৱানগাঁও ৰাভাপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত 'শীতৰ এদিন' শীৰ্ষক এক কবি সন্মিলন অনুষ্ঠিত হয়। বহুভাষিক কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি কাজী শ্বমিমৰ সভাপতিত্বত এই কবি সন্মিলন অনুষ্ঠিত হয়। সন্মিলনত অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা বিশিষ্ট কবি-সাহিত্যিক ড° মৰমী বৰঠাকুৰ তালুকদাৰে মুখ্য আলোচকৰূপে অংশগ্ৰহণ কৰে। সন্মিলনত অধিবক্তা শ্বাহ আলম, কবি দীনেস দাস, মালা বৰুৱা, গীতা দেৱী, মুস্তাফিজুৰ ৰহমান, কল্যাণী দেৱী, অপূৰ্ব গোস্বামী, বিনয় কুমাৰ বুদ্ধ, অপূৰ্ব কুমাৰ নাথকে ধৰি ৩২ গৰাকী নবীন-প্ৰবীণ কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। অনুষ্ঠানত লীলিম কুমাৰ নাথে গীত পৰিবেশন কৰে। সভাপতি তথা বিশিষ্ট কবি কাজী শ্বমিমে শেষত শ্বায়েৰী আৰু কবিতা পাঠেৰে সন্মিলনৰ সামৰণি মাৰে।

# বুঢ়াত আৰক্ষী বিষয়াক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**দুনী, ১৪ ডিচেম্বৰ ঃ** দৰঙৰ বুঢ়া আৰক্ষী চকীৰ সদ্য বদলি হোৱা ভাৰপ্ৰাপ্ত বিষয়া উপ-পৰিদৰ্শক অলি কুমাৰ ডোচাদক যোৱা যোৱা ১২ ডিচেম্বৰত বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দুবছৰৰ অধিক কাল ধৰি ভাৰপ্ৰাপ্ত বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰা দক্ষ আৰক্ষী বিষয়াজনক সতীৰ্থ আৰক্ষী, অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰি ভৱিষ্যতৰ কৰ্মময় জীৱনৰ প্ৰতি শুভেচ্ছা জনায়। সহকাৰী উপ-পৰিদৰ্শক প্ৰসন্ন ডেকাই সভাপতিত্ব কৰা বিদায় সম্বৰ্ধনা সভাত সমাজকৰ্মী ঝিলকা বৰুৱা, বামুণঝাৰৰ গাঁওবুঢ়া অজয় ডেকা, সাংবাদিক লক্ষ্যধৰ, শইকীয়া, হাবিলদাৰ কলিতা, ব্যৱসায়ী পৰেশ নাথ, মৃত্যুঞ্জয় ১০৮ৰ কৰ্মী দীপাংকৰ চহৰীয়াই বক্তব্য আগবঢ়ায়।

# ভাওৰাগুৰিত বিজেপিৰ কচুগাঁও মণ্ডলৰ উদ্যোগত দিব্যকাশী ভাব্য কাশী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ



অগ্ৰদূত বাৰ্তা

**দোতমা, ১৪ ডিচেম্বৰ ঃ** ৰাজ্যিক বিজেপিৰ নিৰ্দেশ মৰ্মে দিব্য কাশী অনুষ্ঠানৰ লগত সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টিৰ কচুগাঁও মণ্ডলৰ উদ্যোগত গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত ভাওৰাগুৰীস্থিত পাগলাস্থান শিল মন্দিৰত পূজা-অৰ্চনাৰ লগতে সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। কাৰ্যসূচী মতে, পুৱা ১১ বজাত শিৱ মন্দিৰত পূজা-অৰ্চনা কৰে। তাৰ পাছত পূজাৰী নিৰ্মল চক্ৰৱৰ্তী, বিশিষ্ট অতিথি হিচাপে বিজেপিৰ কোকৰাঝাৰ জিলা উপ-সভাপতি শান্তিৰাম বৰ্মনৰ লগতে বিশিষ্ট লোকসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। মন্দিৰ প্ৰাংগণত কাশীৰ পৰা চলা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লাইভ টেলিকাষ্টত অংশগ্ৰহণ কৰে। উক্ত কাৰ্যসূচীত মণ্ডল সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰী, উপ-সভাপতি পাৰ্থ পালৰ লগতে মণ্ডলৰ বিষয়ববীয়া আৰু আন আন কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# যোৰহাটৰ পৰ্বতীয়া স্বাস্থ্য উপ-কেন্দ্ৰত সজাগতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৪ ডিচেম্বৰ ঃ** চৰকাৰে ৰাজ্যৰ প্ৰতিগৰাকী ব্যক্তিৰে স্বাস্থ্য ৰক্ষাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰী চিকিৎসালয়সমূহৰ জৰিয়তে এই কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। এই ক্ষেত্ৰত আশাকৰ্মী, অংগনৱাড়ী কৰ্মীসকলে সন্ধলনীকৈ জৰীপ চলাই এই আঁচনি সফল ৰূপায়ণত সহযোগিতা কৰি আহিছে। সন্তান গৰ্ভত স্থিতি লোৱাৰে পৰা ২০ বছৰ হোৱালৈকে প্ৰতিষেধক প্ৰদান কৰা হৈছে। চিকিৎসালয়সমূহত সকলো ৰোগৰে ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰি থকা হৈছে। এই কথাসমূহ অৱগত কৰিবলৈ যোৱা ১৩ ডিচেম্বৰত সমগ্ৰ ৰাজ্যতে চিকিৎসালয়সমূহত কৰ্মৰত চিকিৎসক নাৰ্ছৰ কৰ্মচাৰীসকলে সজাগতা অনুষ্ঠিত কৰে। এই কাৰ্যৰ সফল ৰূপায়ণত ৰাইজৰ দ্বাৰা প্ৰতিনিধি-পৰিচালিত অনুষ্ঠান, এনজিঅ'ৰ কৰ্মীসকলে সহযোগিতা আগবঢ়ায়। যোৰহাটৰ সৰুচৰাই মৌজাৰ পৰ্বতীয়া স্বাস্থ্য উপ-কেন্দ্ৰটো তেনে এখন সজাগতা সভা অনুষ্ঠিত হয়। স্বাস্থ্য উপ-কেন্দ্ৰটোৰ চৌহদটো হাবি-জংঘলেৰে ভৰি আছিল। পঞ্চায়তৰ জৰিয়তে প্ৰাপ্ত ধনেৰে জৱ কাৰ্ডৰ শ্ৰমিকৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি তোলা হৈছে। কৰ্মৰত ব্যক্তিসকলৰ সন্মুখত চিকিৎসকে স্বাস্থ্য অটুট ৰখাৰ বাবে চৰকাৰে আগবঢ়োৱা আঁচনিসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। গাঁও পঞ্চায়তখনৰ স্থানীয় সদস্য সুশীল বৰুৱা, বিনন্দ সদাৰ উপস্থিত থকা সজাগতাত বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সৃষ্টিৰ সভাপতি ৰমেন শইকীয়াই স্বাস্থ্য খণ্ডত চৰকাৰে আগবঢ়োৱা সুবিধাসমূহ নিজৰ লগতে পৰিয়াল, আত্মীয়, সমীপৰৰ্তী লোকসকলে গ্ৰহণৰ বাবে প্ৰচাৰ-প্ৰসাৰ কৰিবলৈ উপস্থিতসকলৰ প্ৰতি অনুৰোধ জনায়।

# বিশ্বনাথত বৃদ্ধক উদ্ধাৰ কৰি এনজিঅ'ক গতালে দুই যুৱতীয়ে

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৪ ডিচেম্বৰ ঃ** এজন বৃদ্ধ নাম মনবাহাদুৰ। ঘৰ চতিয়াৰ কাছমাৰীত। বৃদ্ধজনক কোনো লোকে বিশ্বনাথৰ সৎসংগ বিদ্যালয়ৰ নিচেই কাষত এটি পৰিত্যক্ত অৱস্থাত থকা ঘৰত পেলাই থৈ যায়। পিছদিনা ওচৰতে থকা স্তুতি হাজৰিকা আৰু প্ৰাৰ্থনা হাজৰিকাই বৃদ্ধিজনক প্ৰত্যক্ষ কৰি আৰু লগে লগে কাপোৰ, খাদ্যৰ যোগান ধৰি সোধপোছ কৰাত সঠিকভাৱে নিজৰ পৰিচয় পৰিয়ালৰ কথা সদৰী কৰিব নোৱাৰিলে। লগে লগে স্তুতি আৰু প্ৰাৰ্থনাই সমাজ কল্যাণ বিভাগৰ সহায় বিচৰাত চতিয়াৰ গ্ল'বেল হেল্‌থ ইমিউনাইজেছন এণ্ড পপুলেচন কন্ট্ৰ'ল অৰ্গেনাইজেচন নামৰ এটি এন জি অ'য়ে বৃদ্ধজনক লৈ যায়। উল্লেখ্য যে চাৰিদিন ধৰি সেই স্থানত থকা বৃদ্ধজনক কোনে আনি থৈ গ'ল সেয়া এই পৰ্যন্ত জানিব পৰা হোৱা নাই।

# কমলপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়ালৈ ৰাষ্ট্ৰীয় সমাজসেৱা বঁটা

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ১৪ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় সমাজসেৱাৰ বঁটাৰে উজলিল কামৰূপ জিলাৰ কমলপুৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বীৰেন বৰুৱা। অসম আৰক্ষীৰ নিষ্ঠাবান সেনানী বৰুৱাই জীৱনৰ ২১ টা বৰ্যত অসমৰ বিভিন্ন আৰক্ষী থানাত নিষ্ঠা আৰু সততাৰে ৰাইজৰ সেৱা কৰি অহাৰ সুবাদতে এই প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে. কলিকতাৰ কফি হাউছত কমলপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বৰুৱাৰ এই সমাজসেৱা বঁটা প্ৰদান কৰে কলিকতাৰ মহাবংগ সাহিত্য পৰিষদে। আৰক্ষী বিষয়াজনৰ ঘৰত আহি সংগঠনটোৰ প্ৰতিনিধিয়ে এই বঁটা যোৱা ১৩ ডিচেম্বৰত প্ৰদান কৰে। আনহাতে, পুঠিমাৰীৰ মৌকুছি গাঁৱৰ অতুল চন্দ্ৰ ডেকাকো সংবাদসেৱাৰ বাবে ৰাষ্ট্ৰীয় সংবাদসেৱক বঁটা লাভ কৰি বৃহত্তৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

# কম্পিউটাৰৰ প্ৰশিক্ষণ গ্ৰহণ নকৰাকৈ ম'বাইল ফোনতে অংকন এনিমেছন, ডিজিটেল ছবি

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১৪ ডিচেম্বৰ ঃ** এগৰাকী অসাধাৰণ প্ৰতিভা সম্পন্ন ছাত্ৰী নক্ৰিমে। দুধনৈৰ সমীপৱৰ্তী অসম-মেঘালয় সীমান্তৰ ডাইনাডুবিৰ সোণাৰাম মেম'ৰিয়েল চেকেণ্ডেৰী স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী নক্ৰিমে ৰিয়ান চি মোমিন। বিদ্যালয়খনৰ কাষতে ঘৰ ছাত্ৰী গৰাকীৰ। ছাত্ৰীগৰাকীয়ে কম্পিউটাৰ, এনিমেছনৰ কোনো প্ৰশিক্ষণ গ্ৰহণ নকৰাকৈ ম'বাইল ফোনতে বিভিন্ন ধৰণৰ ডিজিটেল ছবি অংকণ কৰাৰ লগতে সুন্দৰভাৱে এনিমেছন 'কাৰ্টুন' অংকণ কৰিব পাৰে। যিটো সময়ত কিশোৰ-কিশোৰী, যুৱক-যুৱতীসকলে ম'বাইল ফোনত ফেচ বুক, হোৱাটচ এপ', ম'বাইল গেম আদিত ব্যস্ত হৈ থাকে, সেই সময়ত ডিজিটেল ছবি, এনিমেছন অংকণ আদি সৃষ্টিশীল কামত ব্যস্ত হৈ থাকে তাই। কোনো এজন মানুহ সন্মুখত থাকিলে, কম সময়ৰ ভিতৰতে ম'বাইল ফোনত অংকণ কৰিব পাৰে সেই মানুহজনৰ প্ৰতিচ্ছবি, অংকণ কৰিব পাৰে কাৰ্টুন। তাইৰ এই অসাধাৰণ প্ৰতিভাই অঞ্চলটোৰ সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। চিত্ৰাকংন আৰু সংগীতৰ প্ৰতি ৰাপ থকা ছাত্ৰীগৰাকী তাই পঢ়া সোণাৰাম মেম'ৰিয়েল চেকেণ্ডেৰী স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তাইৰ এই অসাধাৰণ প্ৰতিভা বিকাশৰ বাবে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ তৰফৰ পৰা লেপটপ দিয়াৰ কথাও ঘোষণা কৰিছে এই প্ৰতিবেদকৰ সন্মুখত। অহা ১৫ ডিচেম্বৰত বিদ্যালয়খনত আনুষ্ঠানিকভাৱে প্ৰদান কৰিব লেপটপ। উল্লেখ্য যে নক্ৰিমে কম সময়ৰ ভিতৰতে ডিজিটেল চিত্ৰ অংকন কৰাৰ লগতে এনিমেছন অংকণ কৰিব পাৰে। বিদ্যালয়ৰ পৰা আহি আজৰি সময়ত তাইৰ মাকৰ ম'বাইল ফোনটো লৈ সৃষ্টিশীল কামত ব্যস্ত হৈ থাকে তাই। ইতিমধ্যে তাইৰ মাকৰ ম'বাইল ফোনত বহু ডিজিটেল ছবি অংকণ কৰাৰ লগতে এনিমেছন অংকণ কৰিছে। যিহেতু সাধাৰণ ম'বাইল ফোনত চিত্ৰ অংকন কৰিব পাৰিলেও মাত আৰু ইয়াৰ গতিশীলতা দিব নোৱাৰি সেয়ে তাইৰ মনত কিছু দুখ। ইপিনে, মাক, দেউতাকৰ আৰ্থিক অৱস্থাও ভাল নহয় সেয়ে কম্পিউটাৰৰ কথা ক'ব নোৱাৰে তাই। কম্পিউটাৰ পালে মহাত্মা গান্ধীৰ জীৱনৰ ওপৰত এনিমেছন চিনেমা বনোৱাৰ দুৰ্বাৰ হেঁপাহ আছে তাইৰ। ইয়াৰ উপৰিও বিখ্যাত ব্যক্তিসকলৰ জীৱনৰ আধাৰত এনিমেছন চিনেমা নিৰ্মাণ কৰাৰ হেঁপাহ আছে তাইৰ।




**■ অসাধাৰণ প্ৰতিভাসম্পন্ন ছাত্ৰী নক্ৰিমে**

অসম দাপোণ



দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৫ ডিচেম্বৰ বুধবাৰ ২০২১ পৃষ্ঠা ১১

■ মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পাছতে মিশ্ৰিত প্ৰতিক্ৰিয়া পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ

# ২০১৯তে 'নাক'ত আবেদন কৰিও পঞ্জীভুক্ত হোৱা নাই মহাবিদ্যালয়

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৪ ডিচেম্বৰ ঃ** সম্প্ৰতি ৰাজ্যত ১০২ খন মহাবিদ্যালয়ে নাকৰ পঞ্জীভুক্ত হোৱা নাই। ২০২২ৰ ভিতৰত এইসমূহ মহাবিদ্যালয় নাকৰ পঞ্জীভুক্ত নহ'লে প্ৰাদেশিকীকৰণ বাতিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ইয়াক লৈ সম্প্ৰতি চৰ্চাৰ বিষয় হৈ পৰিছে। আনহাতে, গভীৰ শংকাত পৰিছে একাংশ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী। ইয়াৰ ভিতৰত কামৰূপ গ্ৰাম্য জিলাৰ ৰঙিয়া মহকুমাৰ দক্ষিণ দিশত অৱস্থিত পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ মাজতো মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে জিলাখনৰ হাজো বিধানসভা সমষ্টিৰ উত্তৰ দিশৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। বৰ্তমান মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত থকা ডº ৰাতুল চন্দ্ৰ শৰ্মাই সাংবাদিকৰ আগত কয় যে বিগত ২০১৯ৰ জুলাইতে প্ৰয়োজনীয় নথি-পত্ৰ সমন্বিতে নাকৰ ওচৰত মহাবিদ্যালয় পৰ্যবেক্ষণৰ বাবে আবেদন কৰিছিল। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সিদ্ধান্ত অনুযায়ী নাকৰ ওচৰত অনলাইন নথিপত্ৰ দাখিল কৰাৰ পাছতে নাকৰ ফালৰ পৰা (এছ এছ আৰ) চেল্ক ষ্টাডি ৰিফ'ৰ্টাৰ সামান্য আসেঁৱাহ থকাৰ অভিযোগ তুলি সেইবোৰ খুঁটি-নাটি দূৰ কৰি পুনৰ নথি-পত্ৰ দাখিল কৰাৰ পৰামৰ্শ দিছিল। কিন্তু সেয়া মহাবিদ্যালয় কৰ্তৃপক্ষই সম্পূৰ্ণ কৰি তুলিছে যদিও তাক বৰ্তমানলৈ দাখিল কৰিব পৰা নাই। এই সম্পৰ্কে মহাবিদ্যালয় পৰিচালনা সমিতিৰ লগত আলোচনা কৰি শীঘ্ৰে দাখিল কৰাৰ প্ৰস্তুতি চলোৱা বুলি ভাৰপ্ৰাপ্ত অধ্যক্ষজনে জানিব দিছে। কৰিবলগীয়া কথা যে মহাবিদ্যালয়খনত শিক্ষকতা কৰি থকা ১৭ গৰাকী শিক্ষকৰ লগতে কে'বাগৰাকী তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদ আজিলৈ প্ৰাদেশিকীকৰণ নকৰাত এইসকলৰ পৰিয়াললৈ ঘোৰ অমানিশা নামি আহিছে। বছৰৰ পাছত বছৰ ধৰি চৰকাৰৰ মুখলৈ চাই সেৱা আগবঢ়াই অহা এইসকল দুৰ্ভগীয়া শিক্ষক কৰ্মচাৰীৰ প্ৰায়ভাগেই হতাশ হৈ পৰিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীয়ে নাকৰ পঞ্জীভুক্ত নোহোৱা মহাবিদ্যালয়সমূহৰ প্ৰদেশিকীকৰণ বাতিল কৰা হ'ব বুলি কৰা ঘোষণাই এইসকল শিক্ষক-কৰ্মচাৰী বাৰুকৈ হতাশ হৈ পৰিছে। তদুপৰি প্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।




মৰিয়নি শিক্ষকৰ প্ৰশিক্ষণত পুস্তিকা উন্মোচন।

# দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৪ ডিচেম্বৰ ঃ** দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনখন অহা ২৫ ডিচেম্বৰত দৌলগুৰি আঞ্চলিৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত নেহৰু স্মৃতি বালিকা বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। কাৰ্যসূচী মতে, পুৱা পৰিৱেশ নিকাকৰণৰ পাছত সন্মিলনৰ আঞ্চলিক সমিতিৰ পতাকা সভাপতি নবীন চন্দ্ৰ ডেকা আৰু জিলা সন্মিলনৰ পতাকা উত্তোলন কৰিব সভাপতি বলবাহাদুৰ ছেত্ৰীয়ে। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰিব ক্ৰমে ঘনকান্ত মেধি আৰু বলভদ্ৰ শৰ্মাই। ন বজাত কাৰ্যকৰী সভাপতি ভূচন্দ্ৰ শৰ্মাই সভাপতিত্ব কৰিবলগীয়া প্ৰতিনিধি আৰু বিষয় বাছনি সভা উদ্বোধন কৰিব উপ-সভাপতি নীলকান্ত চহৰীয়াই। দুপৰীয়া অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক দেৱেন্দ্ৰ ডেকাই উদ্বোধন কৰিবলগীয়া মুকলি সভাত বিধায়ক ডº পৰমানন্দ ৰাজবংশী, সন্মিলনৰ ৰাজ্যিক সমিতিৰ প্ৰধান সম্পাদক বানেশ্বৰ খাউণ্ড, সহঃ প্ৰধান সম্পাদক প্ৰসন্ন কুমাৰ বৰঠাকুৰে বিশেষভাৱে অংশগ্ৰহণ কৰিব। মুখপত্ৰ উন্মোচন কৰিব সহযোগী অধ্যাপক ডº প্ৰসন্ন কুমাৰ নাথে।

# যোগদল হত্যাকাণ্ডৰ তদন্ত চিবিআইক অৰ্পণৰ দাবী ডিমৰীয়া আছুৰ

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৪ ডিচেম্বৰ ঃ** ২০০৯ৰ ১২ ডিচেম্বৰৰ নিশা সোণাপুৰৰ যোগদালত সংঘটিত হত্যাকাণ্ডই ১৩ বছৰত ভৰি দিয়াৰ পাছতো আজি পৰ্যন্ত হত্যাকাৰীক চিনাক্ত কৰি শাস্তি প্ৰদান কৰিবলৈ কোনো এখন চৰকাৰে পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে আন্তঃডিমৰীয়া আঞ্চলিক ছাত্ৰ সন্থাই। উল্লেখ্য যে আজিৰ পৰা ১৩ বছৰ পূৰ্বে যোগদল গাঁৱৰ হৰকান্ত দলৈৰ ছজনীয়া পৰিয়ালটোক অচিনাক্ত ঘাতকে ডিঙি কাটি হত্যা কৰিছিল। ৰাজ্য কঁপোৱা এই নৃশংস হত্যাকাণ্ডই আজি ১৩ বছৰত ভৰি দিলে যদিও হত্যাকাৰী চিনাক্ত নোহোৱাত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মালৈ আজি এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে ডিমৰীয়া আছুৱে। ছজনকৈ নিৰীহ লোক হত্যা কৰা ঘটনাই সমগ্ৰ ৰাজ্য জোকাৰি গৈছিল যদিও বিগত ১৩ বছৰে এই হত্যাকাণ্ডৰ তদন্ত আগ নবঢ়োৱাটো অত্যন্ত ৰহস্যজনক আখ্যা দি ডিমৰীয়া আছুৱে হত্যাকাণ্ডৰ তদন্ত প্ৰক্ৰিয়া চিবিআইক অৰ্পণ কৰি হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইপিনে, সন্ধিয়া ডিমৰীয়া আছুৰ উদ্যোগতে সোণাপুৰত অনুষ্ঠিত হয় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। হত্যাৰ বলি হোৱা হৰকান্ত দলৈৰ ছজনীয়া পৰিয়ালটোৰ আলোকচিত্ৰ সন্মুখত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰি মৃতসকলৰ আত্মাৰ সদ্গতিৰ বাবে প্ৰাৰ্থনা কৰা হয়।

# অসমীয়া আলোচনী 'শব্দশঃ'ৰ দ্বিতীয় বৰ্ষপূৰ্তি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ১৪ ডিচেম্বৰ ঃ** অসমীয়া আলোচনী 'শব্দশঃ'ৰ দ্বিতীয় বৰ্ষপূৰ্তি অনুষ্ঠান জাগীৰোড মহাবিদ্যালয়ত যোৱা ১২ ডিচেম্বৰত অনুষ্ঠিত হয়। ন-খোলা সাহিত্য চ'ৰাৰ সভানেত্ৰী অকণ দেৱীয়ে বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে শব্দশঃৰ সম্পাদক তৃষ্ণা গগৈয়ে। অনুষ্ঠানত উপস্থিত থাকে সাহিত্য একাডেমীৰ আঞ্চলিক সম্পাদক তথা হিন্দী ভাষাৰ অনুবাদক ডº দেৱেন্দ্ৰ কুমাৰ দেৱেশ। এই অনুষ্ঠানতে অসম সাহিত্য সভাৰ 'বিষ্ণুপ্ৰসাদ ৰাভা' বঁটা প্ৰাপ্ত আৰু নেপালৰ পৰা 'ভদ্ৰকুমাৰী প্ৰফেছৰ ডº উষা নাৰায়ণ ঠাকুৰ' বঁটাপ্ৰাপ্ত বিশিষ্ট ঔপন্যাসিক ৰুমী লস্কৰ বৰাক শব্দশঃৰ ফালৰ পৰা বিশেষ সম্বৰ্ধনা জনোৱা হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিলেশ্বৰ পাটৰে সম্বৰ্ধনাপত্ৰ প্ৰদান কৰা অনুষ্ঠানত সহযোগ কৰে জাগীৰোড শাখা সাহিত্য সভাৰ সম্পাদক হৰমোহন কলিতা আৰু কবি হিমাক্ষি বৰাই। অসমীয়া আলোচনী শব্দশঃৰ দ্বিতীয় বৰ্ষপূৰ্তিৰ এই অনুষ্ঠানতেই শব্দশঃৰ সম্পাদক তৃষ্ণা গগৈৰ কাব্যপুথি 'কালাৱধি' উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিলেশ্বৰ পাটৰে। উন্মোচনী অনুষ্ঠানৰ লগতে সংগতি ৰাখি আমন্ত্ৰিত অতিথি বিশিষ্ট বহুভাষিক কবি ৰাজুমণি শইকীয়াই তৃষ্ণ গগৈৰ উন্মোচিত কবিতাপুথি 'কালাৱধি'ৰ পৰা এটি কবিতা পাঠ কৰে। ৰাজীৱ চহৰীয়া আৰু পূবালী পাটৰে আঁত ধৰা অনুষ্ঠানত শব্দশঃই ইতিপূৰ্বে অনুষ্ঠিত কৰা গল্প প্ৰতিযোগিতাৰ আৰু বিহু প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। হিমাক্ষি বৰা, মনোজ্যোতি বৰুৱা, কাশ্মীৰী বৰুৱা, শিখা গগৈ আদিকে ধৰি বহুকেইজন কবি-লেখকে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# চাৰিলেনযুক্ত পথৰ কাষৰ কটা শালকাঠ চুৰি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৪ ডিচেম্বৰ ঃ** ৰক্ষক হৈ ভক্ষকৰ ভূমিকা পালন কৰাৰ লেখীয়াকৈ গোৱালপাৰাত স্বয়ং বন বিভাগৰ সহযোগত চাৰিলেনযুক্ত পথৰ পৰা কটা বৃহৎ পৰিমাণৰ শালকাঠ চুৰি হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাক কেন্দ্ৰ কৰি গোৱালপাৰা বন বিভাগৰ আভ্যন্তৰীণ মহলত চেপা উত্তেজনা বিৰাজ কৰিছে। নাম প্ৰকাশত অনিচ্ছুক বিভাগীয় সূত্ৰ এটিৰ মতে যোৱা ১১ ডিচেম্বৰৰ নিশা পাইকানৰ পৰা কটা প্ৰায় ১৫ লক্ষাধিক টকা মূল্যৰ শালকাঠ আঠখন গাড়ীৰে অজ্ঞাত স্থানলৈ স্থানান্তৰিত কৰে। পাছত উক্ত নিশাই গোৱালপাৰা চহৰৰ দুৰ্গামন্দিৰস্থিত নাথ শ্ব'মিলত এক গাড়ী শাল কাঠ নমোৱাৰ পাছতেই গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই জব্দ কৰি আনে। শ্ব'মিলৰ পৰা জব্দকৃত প্ৰকাণ্ড আকাৰৰ ১২ টুকুৰা শাল গছৰ কুণ্ডাৰ বজাৰ মূল্য প্ৰায় দুই লক্ষাধিক টকা হ'ব বুলি বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই জানিবলৈ দিয়ে। ইপিনে, যোৱা ১২ ডিচেম্বৰত চামাগুৰিৰ পৰা আগিয়া বন খণ্ডৰ বিষয়া ইউছুফ আলীয়ে ১৫ টুকুৰা শালগছৰ কুণ্ডা জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে। জব্দকৃত শালকাঠখিনি কটাৰ পূৰ্বে পূৰ্ণাংগ অৱস্থাত বন বিভাগে লগোৱা হাতুৰীৰ চাপৰ স্পষ্ট চিহ্ন আছে। উক্ত কাঠখিনিৰ বজাৰ মূল্য প্ৰায় দুই লক্ষাধিক টকা হ'ব বুলি খণ্ড বন বিষয়াৰ মন্তব্যত প্ৰকাশ। বিভাগীয় সূত্ৰটোৰ মতে এই চুৰি কাণ্ডৰ স'তে জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ অতিকৈ ঘনিষ্ঠ তথা গছ কটাৰ দায়িত্বত থকা লোক জড়িত আছে। ইয়াৰ উপৰি একাংশ বিভাগীয় কৰ্মচাৰী জড়িত থকাৰ অভিযোগ উঠিছে। উল্লেখ্য যে চোৰাংকৈ আঠ গাড়ী কাঠ স্থানান্তৰিত কৰা হৈছে যদিও এই বাতৰি যুগুতোৱালৈকে মাত্ৰ দুই গাড়ী কাঠহে উদ্ধাৰ হৈছে। উদক ভেটি ৰখা বাবেই এই চুৰিকাৰ্য সংঘটিত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। অৱশ্যে এই ক্ষেত্ৰত বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ ভূমিকাও ৰহস্যজনক বুলি নাম প্ৰকাশত অনিচ্ছুক বিভাগীয় সূত্ৰ এটিয়ে মন্তব্য কৰিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে প্ৰকৃত দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে।



# নাবালিকা ধৰ্ষণকাৰীক বিশেষ আদালতৰ যাৱজ্জীৱন কাৰাদণ্ড

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৪ ডিচেম্বৰ ঃ** কোকৰাঝাৰৰ বিশেষ আদালতে আজি পক্স' গোচৰৰ আচামী এগৰাকীক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশনা জাৰি কৰা কাৰ্যত বিভিন্ন মহলে স্বস্তিৰ নিশ্বাস পেলাইছে। পক্স' গোচৰৰ আচামীজন ৩০ বছৰীয়া চামিনুল হক। উল্লেখ্য যে চামিনুলে ২০১৯ত এগৰাকী সাত বছৰীয়া নাবালিকাক উপৰ্যুপৰি ধৰ্ষণ কৰাত নাবালিকাগৰাকী কে'বাদিনলৈ অসুস্থ হৈ আছিল। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁও আৰক্ষী চকীত ধৰ্ষিতা নাবালিকাগৰাকীৰ মাতৃয়ে দাখিল কৰা এজাহাৰ ভিত্তিত ভাৰতীয় দণ্ড বিধিৰ ৩৭৬ এবি ধাৰা আৰু আৰ/ডব্লিউ ৬ অৱ পক্স' ধাৰাত গোচৰ নম্বৰ ৯৪/২০১৯ত ৰুজু কৰা গোচৰৰ ভিত্তিত কোকৰাঝাৰ বিশেষ আদালতত পঞ্জীয়নভুক্ত বিশেষ গোচৰ ৫১/১৯ৰ ভিত্তিত বিশেষ আদালতৰ বিচাৰক চি চতুৰ্বেদীয়ে উক্ত গোচৰৰ ৰায়দান কৰে।

# বিশ্বনাথত দুৰ্ঘটনাত নিহত এক, গুৰুতৰভাৱে আহত এক

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৪ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত ভট্টাচাৰ্য প্ৰেক্ষাগৃহৰ সমীপত সংঘটিত দুৰ্ঘটনাত এজন নিহত হোৱাৰ বিপৰীতে গুৰুতৰভাৱে আহত হয় এজন। বিশ্বনাথ চাৰিআলিৰ দক্ষিণ মৰল গাঁৱৰ লৱ শৰ্মা নামৰ ব্যক্তিজনে মটৰ চাইকেলেৰে আহি থকা অৱস্থাত সন্মুখৰ পৰা অহা তীব্ৰ বেগী পালছাৰ মটৰ চাইকেল আৰোহীয়ে খুন্দিয়ায়। ঘটনা সংঘটিত হোৱাৰ পাছত সংকটজনক অৱস্থাত বিশ্বনাথ চাৰিআলি মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও ততালিকে উন্নত চিকিৎসাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰে; কিন্তু লৱ শৰ্মাৰ মৃত্যু হয়। ইফালে পালছাৰ মটৰ চাইকেলত অহা তিনিজনৰ ভিতৰত আনোৱাৰ ইছলাম (২১) গুৰুতৰভাৱে আহত হৈ জিএমচিত চিকিৎসাধীন হৈ আছে। প্ৰত্যক্ষদৰ্শীৰ মতে পালছাৰ মটৰ চাইকেলত অহা এজনে সুযোগ বুজি পলায়ন কৰে যদিও আন এজন আৰোহী আহিদুল হক (১৯) আৰক্ষীৰ জিম্মাত আছে।

# ডিলাইত হেৰ'ইনসহ আটক দুই

**অগ্ৰদূত বাৰ্তা**

**বোকাজান, ১৪ ডিচেম্বৰ ঃ** বোকাজান মহকুমাৰ ডিলাই থানাৰ তালাচী চকীত হেৰ'ইনসহ দুই যুৱকক আটক কৰা হয়। আৰক্ষীৰ সূত্ৰ অনুসৰি ডিমাপুৰ দিশৰ পৰা আহি থকা এ এছ-১৯ এফ-৬৪১৯ নম্বৰৰ এখন ৱাগনআৰ গাড়ীত তালাচী চলাওতে উদ্ধাৰ হয় হেৰ'ইনখিনি। চাবোনৰ বাকচত ভৰাই আনিছিল ১৩.৪৯ গ্ৰাম হেৰ'ইন। আৰক্ষীয়ে গাড়ীখনত অহা বঙাইগাঁৱৰ যোগল কিশোৰ ৰাভা আৰু ৰবি সেয়াহ নামৰ দুই যুৱকক আটক কৰি সোধপোছ অব্যাহত ৰাখিছে।

# মঙলদৈত শ্ৰীশ্ৰীলোকনাথ বাবাৰ সংক্ষিপ্ত জীৱনী 'বাণী' গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৪ ডিচেম্বৰ ঃ** মঙলদৈ চহৰৰ পাঁচ নম্বৰ ৱাৰ্ডৰ শক্তি সংঘত কালি সন্ধিয়া সজলকান্তি ভট্টাচাৰ্যৰ নৱতম গ্ৰন্থ 'শ্ৰীশ্ৰীলোকনাথ বাবাৰ সংক্ষিপ্ত জীৱনী ও বাণী' উন্মোচন কৰা হয়। এই উপলক্ষে শক্তি সংঘৰ সম্পাদক সম্ভুনাথ দেৱে আঁত ধৰা সভাত মঙলদৈ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা মৌচুমী কংস বণিকে গ্ৰন্থখন উন্মোচন কৰি কয়, 'গ্ৰন্থ হৈছে মানুহৰ প্ৰকৃত বন্ধু। এই বন্ধুয়ে কেতিয়াবা বিশ্বাসঘাতকতা নকৰে। তেওঁ লগতে গ্ৰন্থই মনৰ দুখ, বেদনা আঁতৰাই দি এক প্ৰশান্তি, জ্ঞান দিয়ে বুলি উল্লেখ কৰি জীৱনী গ্ৰন্থ অধ্যয়ন কৰিলে নিজৰ জীৱন ধাৰা উন্নত কৰিব পাৰি বুলি কয়।' তেওঁ লগতে, দলটোত কৰা কামৰ পৰ্যালোচনা নিশা কৰিলে ভুলবোৰ শুধৰাব পাৰি বুলি কয়। সভাত মঙলদৈ বণিক সন্থাৰ উপ-সভাপতি ৰমেশ ঘোষে লেখক সজলকান্তি ভট্টাচাৰ্যক প্ৰশংসা কৰি কয় যে বৃদ্ধ বয়সত তেওঁৰ এনে প্ৰয়াস সঁচাকৈয়ে শলাগিবলগীয়া। বিশিষ্ট শিল্পী, লেখিকা প্ৰতিমা মণ্ডলে সন্তানৰ নিচিনা বুলি উল্লেখ কৰি কয় যে মাতৃয়ে বহু কষ্ট, ত্যাগ স্বীকাৰ কৰি সন্তান জন্ম দি যিদৰে আনন্দ প্ৰকাশ কৰে, ঠিক তেনেদৰে গ্ৰন্থ এখন প্ৰকাশ কৰি পাঠকৰ সমাদৰ লাভ কৰিলে লেখক আনন্দ অনুভৱ কৰে। সভাত জ্যেষ্ঠ সাংবাদিক গণেশ দত্ত, সমাজকৰ্মী সুব্ৰত ৰয়, অখিল চৌধুৰী, শক্তি সংঘৰ উপ-সভাপতি মুনীন্দ্ৰ নাথ বৰা আদিয়ে দুষাৰ কয়।

■ জীৱনী পঢ়িলে নিজৰ জীৱন ধাৰা উন্নত কৰিব পাৰি

# মাধৱ চৌধুৰী কলেজৰ প্ৰাণীবিজ্ঞান বিভাগৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৪ ডিচেম্বৰ ঃ** মাধৱ চৌধুৰী কলেজ, বৰপেটাৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰথম যাণ্মাসিকৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন অলপতে মানাহ ৰাষ্ট্ৰীয় উদ্যানত সম্পন্ন হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ ভূঞাপাৰা ৰেঞ্জত কলেজখনৰ প্ৰাণীবিজ্ঞান বিভাগৰ শিক্ষক-তত্বাবধায়কৰ অধীনত সম্পন্ন হোৱা এই ক্ষেত্ৰভিত্তিক অধ্যয়নত বিভাগটোৰ প্ৰথম যাণ্মাসিকৰ মুঠ ৩১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অধ্যয়ন কালত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে মানাহৰ সুৰক্ষাৰ লগত জড়িত অন্যতম প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংগঠন মানাহ মাউতিগেন্দ্ৰি ইক'টুৰিজ্যিম ছ'চাইটিৰ সভাপতি-সম্পাদক তথা অন্যান্য কৰ্মীসকলৰ স'তেও এক মত বিনিময় প্ৰক্ৰিয়া সম্পন্ন কৰে। ক্ষেত্ৰভিত্তিত অধ্যয়নকালত কলেজখনৰ প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপক জয়ন্ত ডেকা, ডº চৰণজিৎ বৰুৱা, ডº জয়দেৱ মণ্ডল, ডº ৰিজু শৰ্মা, অধ্যাপক ডেইজী ব্ৰহ্ম আদিসকল তত্বাৱধায়ক তথা সমল ব্যক্তিৰূপে উপস্থিত থাকে।

# শক্তি আশ্ৰম ডালোৱাবাৰী সংলগ্ন পথত হেল নৈৰ ওপৰত পকী দলং নিৰ্মাণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ১৪ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ডালোৱাবাৰী আৰু শক্তি আশ্ৰম সংলগ্ন পথৰ মাজত থকা হেল নৈ ওপৰৰ ভঙা-ছিঙা জৰাজীৰ্ণ কাঠৰ দলংখনে ৰাইজক নৰক যাতনা ভোগাইছে। এই দলংখনৰ ওপৰেদি অহা-যোৱা কৰোতে সঘনাই সংঘটিত হয় দুৰ্ঘটনা। সেইবাবে এই দলংখন নিৰ্মাণ কৰি স্থানীয় ৰাইজৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকৰ যাতায়াতৰ সুবিধা কৰি দিবলৈ বিটিআৰ প্ৰধান প্ৰমোদ বড়ো আৰু বিধায়ক লৰেঞ্চ ইছলাৰীৰ ওচৰত দাবী উত্থাপন কৰিছে।

# ন বছৰে নিৰুদ্দেশ শালবাৰীৰ গোসাঁইভিঠা কাটাঝাৰৰ নাজিৰ দাস

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৪ ডিচেম্বৰ ঃ** বিগত নটা বছৰে নিৰুদ্দেশ হৈ আছে বাগ্‌সাৰ শালবাৰীৰ ৰূপহীৰ সমীপৰ কাটাঝাৰ গোঁসাইভিঠাৰ নাজিৰ দাস নামৰ লোকজন। ৪৫উৰ্ধ্বৰ লোকজন ঘৰলৈ উভতি অহাৰ আশাৰে আজি ন বছৰে বাট চাই আছে নাজিৰ দাসৰ পত্নী, পুত্ৰ, বোৱাৰী, নাতিৰ লগতে আত্মীয়স্বজনে। পৰিয়ালৰ লোকে জানিব দিয়া মতে, ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী নাজিৰ দাস ধাৰ্মিক আছিল। নিজ ঘৰতেই তেওঁ এটি মন্দিৰো স্থাপন কৰিছিল। ইফালে, তেওঁৰ আছিল গৰু-ম'হৰ বাথানো। কিন্তু আজিৰ পৰা প্ৰায় ন বছৰ পূৰ্বে এদিন আকস্মিকভাৱে ঘৰৰ পৰা চুবুৰীয়া কুমগুৰি গাঁৱলৈ যাব বুলি পৰিয়ালৰ লোকক অৱগত কৰি থৈ গৈছিল। ঘৰৰ পৰা যোৱাৰ সময়ত তেওঁ ক'লা ৰঙৰ পেণ্ট আৰু খয়ৰ ৰঙৰ চাৰ্ট পিন্ধি চাইকেল লৈ ওলাই গৈছিল যদিও আজি ন বছৰে তেওঁ আৰু উভতি নাহিলে। পৰিয়ালৰ লোকে তেতিয়াৰ পৰাই বহু বিচাৰখোচাৰ কৰিছিল যদিও আজিকোপতি কিন্তু তেওঁক বিচাৰি পাবলৈ সক্ষম নহ'ল। পৰিয়ালৰ লোকে শেষত উপায়ন্তৰ হৈ সংবাদ মাধ্যমৰ জৰিয়তে নাজিৰ দাসৰ সম্ভেদ লাভ কৰিব পাৰিব বুলি বহু আশাৰে বাট চাইছে। কোনো সদাশয় লোকে নাজিৰ দাস নামৰ লোকজনৰ কিবা সম্ভেদ পালে পৰিয়ালৰ ৬০০২৭০১৫৯৭ ফোন নম্বৰত যোগাযোগ কৰাৰ উপৰিও স্থানীয় আৰক্ষী থানাত খবৰ দিবলৈ বিনম্ৰ আহ্বান জনাইছে।



ছয়গাঁৱত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ বহুৰঙী অনুষ্ঠান মুকলি, মঙলবাৰ।

# মুছলপুৰত ৰাজনৈতিক দলৰ স্বচ্ছতা অভিযান

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১৪ ডিচেম্বৰ ঃ** হাতত ঝাড়ু লৈ ৰাজপথলৈ ওলাই আহিল জনপ্ৰতিনিধি। জনপ্ৰতিনিধিয়ে এফালৰ পৰা চাফা কৰি গ'ল ৰাজপথৰ জাবৰ। জনপ্ৰতিনিধিজনক সংগ দিলে সমৰ্থকসকলে। বাগ্‌সা জিলাৰ সদৰ মুছলপুৰৰ ৰাজপথত হাতত ঝাড়ু লৈ পথ চাফ-চিকুণ কৰি থকা দেখা গ'ল মুছলপুৰ পৰিষদীয় সমষ্টিৰ কাৰ্যৱাহী সদস্য ৰাকেশ ব্ৰহ্মক। তেওঁক সংগ দিলে বিজেপি, জিএছপি আৰু ইউপিপিএলৰ বহু সমৰ্থকে। প্ৰকাশ যে আজি প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰ পৰিষদৰ এবছৰ কাৰ্যকাল সম্পূৰ্ণ হ'ল। ইউপিপিএলৰ মিত্ৰজোঁটৰ চৰকাৰৰ বৰ্ষপূৰ্তি উপলক্ষে কালি মুছলপুৰ চহৰত স্বচ্ছতাৰ কাৰ্যসূচী হাতত লৈছে ইউপিপিএল, জিএছপি আৰু বি জেপি সন্মিলিত চৰকাৰৰ জনপ্ৰতিনিধি আৰু সমৰ্থকে। হাতে হাতে ঝাড়ু লৈ পুৰুষ-মহিলা সকলোৱে মুছলপুৰৰ চহৰখন পৰিষ্কাৰ কৰে।

# কালপানী বডোফা একাডেমীত বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৪ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ কালপানীস্থিত বডোফা একাডেমীত যোৱা ১০ডিচেম্বৰত এক বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। একাডেমীখনৰ বাৰ্ষিক খেল-ধেমালিৰ লগত সংগতি ৰাখি অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত অভিভাৱক আৰু একাডেমীৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ দিশ সম্পৰ্কে আলোচনা আগবঢ়ায়। বঁটা বিতৰণী অনুষ্ঠানৰ মাজে মাজে কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গীত, নৃত্য আদি পৰিৱেশন কৰা হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষাগুৰুসকলক পৰামৰ্শমূলক ভাষণ প্ৰদান কৰে বাগ্‌সা জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ সম্পাদক ভাৰত বড়ো, ইউপিপিএলৰ কেন্দ্ৰীয় নেতা তথা শিল্পী ফৈলা বৰগয়াৰীয়ে।

# পুনৰ উজ্জীৱিত হ'ব গলিয়া দুগ্ধ উন্নয়ন প্ৰকল্প

**বিশেষ সম্বাদদাতা**

**পাঠশালা, ১৪ ডিচেম্বৰ ঃ** সুদীৰ্ঘ দিন ধৰি কাৰ্যক্ষম নোহোৱা, পৰিত্যক্ত অৱস্থাত থকা ভৱানীপুৰৰ গলিয়া দুগ্ধ উন্নয়ন প্ৰকল্পটো পুনৰ উজ্জীৱিত তথা কাৰ্যক্ষম কৰাৰ উদ্দেশ্যে প্ৰকল্পটো আজি পৰিদৰ্শন কৰে ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ আৰু বজালী জিলা উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে। উল্লেখ্য যে ১৯৮৫তেই নিৰ্মাণকাৰ্য চলা গলিয়াৰ দুগ্ধ উন্নয়ন প্ৰকল্পটো নিৰ্মাণ হোৱাৰ পাছত এদিনো কাৰ্যক্ষম নোহোৱাত সুদীৰ্ঘ দিন ধৰি পৰিত্যক্ত অৱস্থাতেই আছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে আজি ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ আৰু বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে পৰিত্যক্ত অৱস্থাত থকা দুগ্ধ উন্নয়ন প্ৰকল্পটো বিভাগীয় বিষয়া-কৰ্মচাৰীক লগত লৈ পৰিদৰ্শন তথা প্ৰত্যক্ষ কৰে। গলিয়া দুগ্ধ উন্নয়ন প্ৰকল্পটো পৰিদৰ্শন কৰি বিধায়ক ফণীধৰ তালুকদাৰে সংবাদ মাধ্যমৰ আগত কয় যে গলিয়া দুগ্ধ উন্নয়ন প্ৰকল্পটো পুনৰ উজ্জীৱিত কৰাৰ উদ্দেশ্যে বিভাগীয় বিশেষজ্ঞৰ দলৰ জৰিয়তে প্ৰতিবেদন যুগুত কৰা হ'ব। গলিয়া দুগ্ধ উন্নয়ন প্ৰকল্পটো পুণৰ উজ্জীৱিত কৰি দুগ্ধ পালকসকলৰ লগতে নিবনুৱা সমস্যা সমাধানৰ আশা কৰা হৈছে বুলিও কয় বিধায়ক ফনীধৰ তালুকদাৰে।

■ কাণেৰে নুশুনাকৈ কিশোৰী ধৃতিকংকনা শইকীয়াৰ অপূৰ্ব নৃত্য প্ৰদৰ্শন

# অদম্য ইচ্ছাশক্তিৰে জয় শাৰীৰিক বাধাক

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৪ ডিচেম্বৰ ঃ** মনত অদম্য ইচ্ছাশক্তি থাকিলে যে সকলো কাম কৰিব পাৰি তাৰেই এক উদাহৰণ হিচাপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে জামুগুৰিহাটৰ এগৰাকী ১৪ বছৰীয়া বিশেষভাৱে সক্ষম কিশোৰীয়ে। জন্মগতভাৱেই মুকবধিৰ আৰু শ্ৰৱণশক্তি নথকা জামুগুৰিহাটৰ বৰভগীয়া গাঁৱৰ এইগৰাকী কিশোৰীৰ নাম ধৃতিকংকনা শইকীয়া। অঞ্চলটোৰ জগত শইকীয়া আৰু জিনুমণি শইকীয়াৰ জীয়ৰী এইগৰাকী মেধাৱী কিশোৰীয়ে মনৰ অদম্য হেঁপাহ আৰু আত্মবিশ্বাসৰ বাবেই জয় কৰিবলৈ সক্ষম হৈছে শাৰীৰিক বাধাকো। যাৰ বাবে সকলোৱে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে কিশোৰী ধৃতিকংকনা। সাংস্কৃতিক নগৰী বৃহত্তৰ জামুগুৰিহাটত ৰাস পূৰ্ণিমাৰ পাছৰ পৰাই বৰ্তমানলৈকে ভিন্ন ঠাইত চলি আছে ৰাস উৎসৱ। অন্যান্য ঠাইৰ লগতে এইবেলি বাসুদেৱ থানৰ ৰাস উৎসৱত সকলোৱে আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল এইগৰাকী বিশেষভাৱে সক্ষম কিশোৰী ধৃতিকংকনা শইকীয়াৰ 'কেলিগোপাল' নাটৰ শ্ৰীকৃষ্ণৰ নৃত্য প্ৰদৰ্শন। কাণৰে একেবাৰে নুশুনা সত্বেও খোল-তাল-বাঁহীৰ সুৰৰ শব্দ আৰু সংগীতৰ তালে তালে সন্মুখৰ সতীৰ্থ কলা-কুশলীসকলক অনুকৰণ কৰিয়েই কোনো খুত নৰখাকৈ সতীৰ্থসকলৰ দৰেই নিজ প্ৰচেষ্টাত প্ৰদৰ্শন কৰিলে নৃত্য আৰু অভিনয়। ধৃতি কংকনাৰ এই সুনিপুণ নৃত্য প্ৰত্যক্ষ কৰি আশ্চৰ্য প্ৰকাশ কৰিছে মাতৃয়েও। মাতৃৰ মতে, কাণেৰে নুশুনা আৰু মুকবধিৰ জীয়ৰীৰ এই শক্তি ভগৱানৰ আশীৰ্বাদ। নদুৱাৰ জাতীয় বিদ্যালয়ত অষ্টম শ্ৰেণীত অধ্যয়নৰত ধৃতিকংকনা অন্যান্য ছাত্ৰ-ছাত্ৰীৰ দৰেই অধ্যয়নৰ দিশতো সমানেই আগুৱাই গৈছে বুলিও মত ব্যক্ত কৰে কিশোৰীগৰাকীৰ মাতৃয়ে। আনহাতে, উপস্থিত হেজাৰ হেজাৰ দৰ্শকক নৃত্যৰে মন্ত্ৰমুগ্ধ কৰা ধৃতিকংকনাক দৰ্শকসকলেও প্ৰশংসাৰে ওপচাই পেলোৱাৰ লগতে ভৱিষ্যতৰ দিনত সাংস্কৃতিক দিশৰ লগতে অধ্যয়নৰ দিশতো কিশোৰীগৰাকী আগুৱাই যোৱাৰ বাবেও সকলোৱে আশিস প্ৰদান কৰিছে।

# অবৈধ কয়লা সৰবৰাহত জড়িত

এক পৃষ্ঠাৰ পৰা আজিজ বৰভূঞাক আজি দিগৰখাল কম্বাইন চেক গেটৰ পৰা কাছাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। বৰভূঞা উক্ত চেক গেটত নিয়োজিত হৈ আছিল আৰু ইয়াৰ সুবিধা লৈয়ে অবৈধ কয়লা সৰবৰাহত তেওঁ জড়িত হৈ পৰিছিল। বৰভূঞাক গ্ৰেপ্তাৰ কৰাৰ কথা নিশ্চিত কৰিছে কাছাৰৰ আৰক্ষী অধীক্ষক ৰমনদীপ কৌৰে।

# অসম-মণিপুৰ সীমান্তত

এক পৃষ্ঠাৰ পৰা ঘটনাৰ সবিশেষ আৰক্ষীয়ে এই পৰ্যন্ত সদৰী কৰা নাই।

আজি সন্ধিয়াৰ সময়ত লক্ষীনগৰৰ এক ভিতৰুৱা অঞ্চলত হঠাৎ দুটা পক্ষৰ মাজত হোৱা গুলিবৰ্ষণৰ শব্দই স্থানীয় লোকক আতংকিত কৰি তোলে। এই ঘটনাৰ বিষয়ে অৱগত হোৱাৰ লগে লগে কাছাৰৰ আৰক্ষী অধীক্ষক ৰমনদীপ কৌৰে আৰক্ষীৰ বিশাল বাহিনী এটা লৈ ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বেই গুলীয়াগুলি শাম কাটে আৰু আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। এই ঘটনাত এজন স্থানীয় লোক আহত হোৱা বুলি আৰক্ষীয়ে জনাইছে। অৱশ্যে আহত লোকজনৰ পৰিচয়, আঘাতৰ পৰিমাণ বা কি পৰিস্থিতিত লোকজন গুলিবিদ্ধ হ'ল আদি বিষয়ত আৰক্ষীয়ে এই পৰ্যন্ত কোনো কথা সদৰী কৰা নাই। অৱশ্যে মণিপুৰ ভিত্তিক দুটা নিষিদ্ধ সংগঠনৰ মাজতে এই সংঘৰ্ষ হোৱা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। গুলীয়াগুলি হোৱাৰ কথাও আৰক্ষী অধীক্ষকে স্বীকাৰ কৰিছে।

# সমবায় আন্দোলনৰ বাটকটীয়া জিতেন দত্তক সম্বৰ্ধনা জ্ঞাপন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৪ ডিচেম্বৰ ঃ** অসমৰ সমবায় আন্দোলনৰ অন্যতম বাটকটীয়া, সমবায় বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া, ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত শাখা পৰিচালক, বিশিষ্ট সমাজসেৱক জিতেন দত্তক আজি গুৰযোগনীয়া সমবায় সমিতিয়ে তেওঁক কুৰালগুৰিৰ শিঙৰাজানস্থিত গৃহত সম্বৰ্ধনা জ্ঞাপন কৰে। বিংশ শতিকাৰ ৬০ দশকত গঢ়ি উঠা সমবায় আন্দোলনৰ এগৰাকী অগ্ৰণী নেতা হিচাপে আৰু ১৯৭৩ত গুৰযোগনীয়া সমবায় সমিতি গঠন কৰি বৃহত্তৰ অঞ্চলটোৰ ক্ষিপ্ৰ উন্নয়ন আৰু গতিশীলতা প্ৰদানৰ ক্ষেত্ৰত লোৱা বলিষ্ঠ ভূমিকাৰ বাবেই তেওঁক আজি সম্বৰ্ধনা জনোৱা হয় বুলি সমবায় সমিতিখনৰ সভাপতি বদন নাথে জানিবলৈ দিয়ে। অনুষ্ঠানত সমবায় সমিতিখনৰ সচিব দেউৰাম বৰা, গোলাঘাট জিলা সমবায় সংঘৰ সভাপতি প্ৰদীপ গোস্বামী, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি পুৰঞ্জয় গোস্বামী, কমাৰগাঁও কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীণা দত্তকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ ছাত্ৰ-ছাত্ৰীক সোণগুটি পৰিচয় কৰাই অনুষ্ঠিত কৰিলে ধান দোৱা লেছেৰি বুটলা প্ৰতিযোগিতা

# শিমলুগুৰিৰ জ্ঞানজ্যোতি একাডেমীৰ অভিনৱ পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ১৪ ডিচেম্বৰ ঃ** যুৱ প্ৰজন্মক কৃষি কাৰ্যৰ প্ৰতি আকৃষ্ট কৰাৰ মানসেৰে শিমলুগুৰি গড়মূৰ জ্ঞানজ্যোতি একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে গ্ৰহণ কৰিলে এক অভিনৱ পদক্ষেপ। ছাত্ৰ-ছাত্ৰীৰ মাজত ধান দোৱা প্ৰতিযোগিতা অনুষ্ঠিত কৰিলে বিদ্যালয় কৰ্তৃপক্ষই। একাংশ ছাত্ৰ-ছাত্ৰী হাতত কাঁচি লৈ নামি পৰে পথাৰত। শিৱসাগৰ জিলাৰ লাকুৱা ৰাজগড় কাষতে অৱস্থিত গড়মূৰ জ্ঞানজ্যোতি একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগাবৰ বাবে পৰিচালন সঞ্চালক



নিতুমণি দত্তৰ বিশেষ প্ৰচেষ্টাত কোনে কিমান খৰকৈ ধান কাটিব পাৰে তাৰেই এক প্ৰতিযোগিতা অনুষ্ঠিত কৰে। বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ কৃষিৰ প্ৰতি এক অনীহা প্ৰকাশ হোৱাৰ মাজতে উৎসাহ বৃদ্ধিৰ বাবে একাডেমীয়ে গ্ৰহণ কৰে এই পদক্ষেপ। ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰে ধান দোৱা প্ৰতিযোগিতা। জ্ঞানজ্যোতি একাডেমী স্কুলৰ এখন পথাৰত কৰা খেতিত হাতত কাঁচি লৈ ধান দোৱা দৃশ্যই সকলোকে আপ্লুত কৰে। ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰি বিদ্যালয়খনত পুথিগত শিক্ষাৰ উপৰি জীৱনটোক উপভোগ কৰিবলৈও শিকোৱা হয়। তাৰেই নিদৰ্শন হিচাপে অনুষ্ঠিত কৰা হয় ধান দোৱা আৰু বুটলা প্ৰতিযোগিতা। ছাত্ৰ-ছাত্ৰী আৰু

১৩ পৃষ্ঠাত চাওক

# চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ১৪,৯০৯ জনৰ বসুন্ধৰা আঁচনিত আবেদন

## ■ সমস্যা সমাধানৰ বাবে যুদ্ধকালীন গতিত চলিছে কাম-কাজ

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১৪ ডিচেম্বৰ ঃ** মাটি-বাৰী সম্পৰ্কীয় সমস্যাৰ সমাধানৰ উদ্দেশ্যেৰে ৰাজ্য চৰকাৰে মুকলি কৰা 'মিছন বসুন্ধৰা' আঁচনিত নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অধীনস্থ লোকে সঁহাৰি জনাইছে। দালাল মুক্তভাৱে মাটিবাৰীৰ সমস্যা সমাধানৰ হেতু ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা বসুন্ধৰা আঁচনিৰ আবেদন গ্ৰহণৰ শেষৰ দিন অৰ্থাৎ যোৱা ৩০ নৱেম্বৰলৈকে চামগুৰি ৰাজহ চক্ৰৰ ১৪ হেজাৰ ৯০৯ জন লোকে আবেদন কৰিছে। বিষয়ে সদৰী নৱ নিযুক্ত চামগুৰি ৰাজহ চক্ৰ বিষয়া ৰিপন জ্যোতি নাথে। উল্লেখ্য যে যোৱা দুই অক্টোবৰত এই আঁচনিখন ৰাইজৰ বাবে মুকলি কৰিছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত দালালৰাজৰ অৱসান ঘটাই মাটি-বাৰী সংক্ৰান্তীয় পূৰ্বৰ সকলো জটিলতাৰ সৰলীকৰণৰ বাবে ১৩ পৃষ্ঠাত চাওক

■ ৰাংগাপানীত সুলভ মূল্যৰ দোকানী ইব্ৰাহিম আলীৰ বিৰুদ্ধে দুৰ্নীতি-লুণ্ঠনৰাজৰ অভিযোগ

# ৰেছন কাৰ্ড জালিয়াতিৰে দীৰ্ঘদিনে চাউল আত্মসাৎ



বাহাৰঘাটত ব্যতিক্ৰমী বিয়া। অভ্যাগতক নিম গছৰ পুলি প্ৰদান দৰাৰ।

**আলোপতি, ১৪ ডিচেম্বৰ ঃ** এশ গ্ৰাম সুলভ মূল্যৰ চাউল আত্মসাৎ কৰিলেও জেলৰ ভাত খাব লাগিব বুলি স্বয়ং মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ পাছতো দুৰ্নীতি-লুণ্ঠনত লিপ্ত সুলভ মূল্যৰ এজেণ্টক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ উত্থাপিত হৈছে কামৰূপ জিলা যোগান বিভাগৰ বৰমূৰীয়াৰ বিৰুদ্ধে। শেহতীয়াকৈ কামৰূপ জিলাৰ বকো সমষ্টিৰ টুপামাৰী গাঁও পঞ্চায়ত সমবায় সমিতিৰ অন্তৰ্গত দুই নম্বৰ দক্ষিণ ৰাংগাপানী গাঁৱৰ সুলভ মূল্যৰ দোকানী ইব্ৰাহিম আলীয়ে দীৰ্ঘদিনৰে পৰা ৰেছন কাৰ্ড জালিয়াতিৰে বিনামূলীয়া চাউল আত্মসাৎ কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে, সুলভ মূল্যৰ দোকানী আলীয়ে একেটা পৰিয়ালৰ ক্ৰমে ৪২৭৫৫০০, ৪২৭৫৪০০, ৪২৭৫৩৯৯, ৪২৭৫৪৭৭ আৰু ৪২৭৫১৩৩ নম্বৰৰ ৰেছন কাৰ্ড বনাই ২০১৩ৰ পৰা বৰ্তমানলৈ সুলভ মূল্যৰ সামগ্ৰী জালিয়াতিৰে আত্মসাৎ কৰি আছে। উল্লেখ্য যে ৪২৭৫১৩৩ নম্বৰৰ ৰেছন কাৰ্ডত দুগৰাকী চৰকাৰী চাকৰিয়াল থকা পাঁচজনীয়া সদস্যৰ স'তে বেলেগ এটা পৰিয়াল সংযোজন কৰি পুনৰ আন এখন ৰেচন কাৰ্ড বনাই চাউল আত্মসাৎ কৰি আহিছে। সুলভ মূল্যৰ দোকানীজনে এনে জালিয়াতি সন্দৰ্ভত দুই নম্বৰ ৰাংগাপানী গাঁৱৰ গাঁওবুঢ়া জুলহাস আলীয়ে টুপামাৰী গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি-সম্পাদকৰ লগতে ছমৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক লিখিত অভিযোগ দাখিল কৰে। অভিযোগৰ ভিত্তিত ছমৰীয়া ৰাজহ চক্ৰ বিষয়াই তদন্ত কৰি সুলভ মূল্যৰ দোকানী আলীয়ে কৰা জালিয়াতি সত্য বুলি যোৱা ১৩ পৃষ্ঠাত চাওক

## ■ মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিবেশন সম্পন্ন

# শিক্ষকৰ বাবে বিদ্যালয়খনে মন্দিৰ-মছজিদ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৪ ডিচেম্বৰ ঃ** 'শিক্ষকৰ বাবে বিদ্যালয়খনেই মন্দিৰ-মছজিদ। সেয়েহে বিদ্যালয়ত দান-বৰঙণি দিয়ক, সেৱা আগবঢ়াওক।' এই মন্তব্য অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া থানেশ্বৰ মালাকাৰৰ। যোৱা ১২ ডিচেম্বৰত অনুষ্ঠিত মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৬ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাত অংশগ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়াজনে কয় যে বৰ্তমান দূৰশিক্ষা ব্যৱস্থাৰ মাজতো বিদ্যালয়ৰ শিক্ষাৰ প্ৰাসংগিকতা অতি গুৰুত্বপূৰ্ণ। বিদ্যালয়ৰ শিক্ষাত ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ উপৰি এজন সুনাগৰিক হ'বলৈ বিভিন্ন শিক্ষা প্ৰদান কৰা হয়। সেয়েহে বিদ্যালয় স্থাপন, বিদ্যালয়ৰ আন্তঃগাঁথনি আদি উন্নয়নত গুৰুত্ব দি আহিছে। শ্ৰুতলিপি আৰু পাঠপঢ়া শিক্ষাৰ ১৩ পৃষ্ঠাত চাওক

# তিনিচুকীয়া জিলা প্ৰশাসনৰে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত মুখ্য সচিব জিষ্ণু বৰুৱা

## ■ বুজ ল'লে ক'ভিড টিকাকৰণৰ অগ্ৰগতিৰ লগতে জলজীৱন মিছন, মিছন বসুন্ধৰাৰ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১৪ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই আজি তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা প্ৰশাসনৰ লগতে জিলা স্বাস্থ্য বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ তথা ৰাজহ বিভাগৰ স'তে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। মুখ্য সচিবজনে জিলাখনত বৰ্তমানলৈকে ক'ভিড-১৯ৰ প্ৰথম আৰু দ্বিতীয় পালি প্ৰতিষেধক প্ৰদানৰ অগ্ৰগতিৰ সন্দৰ্ভত আলোচনা কৰে। ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদানৰ অগ্ৰগতি



সম্পৰ্কত জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এখন সচিত্ৰ উপস্থাপন কৰে। মুখ্য সচিবজনে স্বাস্থ্য বিভাগৰ লগতে জিলা প্ৰশাসনক ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান এশ শতাংশই সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। মুখ্য সচিব বৰুৱাই জলজীৱন ১৩ পৃষ্ঠাত চাওক

# মৃত্যু দিৱসত শিল্পী ডাঃ উপেন কাকতিলৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৪ ডিচেম্বৰ ঃ** অসমৰ স্বনামধন্য শিল্পী, চলচ্চিত্ৰ পৰিচালক, সংগীত পৰিচালক গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ ডাঃ উপেন কাকতিৰ ৪১ সংখ্যক মৃত্যু দিৱস আজি দেৰগাঁৱৰ সৃষ্টি সংগীত একাডেমীত বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। তদুপলক্ষে পুৱা শিল্পীজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অনাতাঁৰ শিল্পী ৰাজেন মহন্তই আৰু মাল্যাৰ্পণ কৰে সংগীত বিদ্যালয়খনৰ সভাপতি পংকজ বৰা আৰু উপদেষ্টা ভৰেন পূজাৰীয়ে। এই অনুষ্ঠানতে উপস্থিত কে'বাগৰাকীও লোকে শিল্পীজনৰ অমৰ সৃষ্টিৰাজিৰ সম্পৰ্কে বক্তব্য আগবঢ়ায়। শিল্পীজনলৈ শ্ৰদ্ধা জনাই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁ সৃষ্টি কৰা কে'বাটাও কালজয়ী গীত পৰিৱেশন কৰে। অধ্যক্ষা অনুপমা শৰ্মা বৰুৱাই আঁত ধৰা স্মৃতিচাৰণ অনুষ্ঠানৰ সামগ্ৰিক পৰিকল্পনা আছিল অংকুৰ ভূষণ শৰ্মাৰ।

## ■ ঢোলমাৰা হাস্পতালত শিশু উদ্যান-লেবৰেট'ৰী কোঠা মুকলি

# প্ৰসূতি গৃহৰ আধাৰশিলা স্থাপন

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ সীমান্তৱৰ্তী আৰু কোকৰাঝাৰ জিলাৰ অধীনৰ ঢোলমাৰা লালকুৰাত অৱস্থিত ঢোলমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চৌহদত যোৱা ১২ ডিচেম্বৰত এখন শিশু উদ্যান আৰু চিকিৎসা কেন্দ্ৰটোত এটা লেব'ৰেটৰী কোঠা মুকলিৰ লগতে এটা প্ৰসূতি বিভাগৰ গৃহৰ আধাৰশিলা স্থাপন কৰা হয়। চিকিৎসা কেন্দ্ৰৰ চৌহদত চিকিৎসালয় কৰ্তৃপক্ষই ৰাইজৰ সহযোগত নিৰ্মাণ কৰি উলিওৱা শিশু উদ্যানখন মুকলি কৰে কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাই। লগতে চিকিৎসা কেন্দ্ৰৰ লেব'ৰেটৰী কোঠাটো মুকলি কৰে হিউমেন ৰাইটছ ইণ্টাৰনেচনেল ফেডাৰেছনৰ ৰাষ্ট্ৰীয় মুখ্য সঞ্চালিকা বৰ্ণালী শৰ্মা বৰুৱাই। এই উপলক্ষে এক সভাও অনুষ্ঠিত হয়। উপায়ুক্ত ডেকাই চিৰাং, বঙাইগাঁও আৰু কোকৰাঝাৰ জিলাৰ ত্ৰিবেণী সমগমস্থলী সদৃশ সীমামূৰীয়া ঢোলমাৰা অঞ্চলত স্থাপিত প্ৰাথমিক চিকিৎসা কেন্দ্ৰত চিকিৎসা ল'বলৈ অহা মহিলা ৰোগীসকলৰ ল'ৰা-ছোৱালীসকলে শিশু উদ্যানত খেলা-ধূলাৰ সময় পাব আৰু ৰোগীসকলেও মনত কিছু অৱসাদ দূৰ কৰিব পাৰিব বুলি উল্লেখ কৰে। তেওঁ জিলাখনৰ চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰত স্বচ্ছতাৰ দিশত গুৰুত্ব আৰোপ কৰাৰ কথা উল্লেখ কৰি ঢোলমাৰা প্ৰাথমিক চিকিৎসালয়খন সুন্দৰকৈ সজাই তোলাত চিকিৎসালয় কৰ্তৃপক্ষই মনোনিবেশ কৰাৰ বাবে শলাগ লয়। অনুষ্ঠানত কোকৰাঝাৰ জিলাৰ আৰক্ষী-অধীক্ষক প্ৰতীক বিজয় থুবে, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ আতোৱাৰ ৰহমান, চিকিৎসালয়লৈ সহায়ৰ হাত আগবঢ়োৱা দাতা সুদীপ চন্দ সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। কাৰ্যসূচী অনুসৰি হাস্পতালখনৰ স'তে জড়িত চিকিৎসাকৰ্মী আৰু আশাকৰ্মীসকলে কৰ'না মহামাৰী দূৰ হোৱাৰ বাবে সকলোকে কৰ'না প্ৰতিৰোধী প্ৰতিষেধক ল'বলৈ আহ্বান জনাই পৰিবেশন কৰা গীতটিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

# এমিতি একাডেমীৰ নৱাগত আদৰণি সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত অৱস্থিত এমিতি একাডেমীৰ চতুৰ্থ বাৰ্ষিক নৱাগত আদৰণী সভাখন যোৱা সোমবাৰে অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত নৱাগত আদৰণী সভাত উপস্থিত থাকে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা। আমন্ত্ৰিত অতিথিৰূপে সভাত অংশগ্ৰহণ কৰে বিশিষ্ট সমাজকৰ্মী হুছেইন আলী খণ্ডকৰ, জ্যেষ্ঠ সাংবাদিক ভূপেন ভাগৱতী, সাংবাদিক জিতেন ভট্ট, জিয়াউল হক, তৃষ্ণা বৈশ্য, আতিকুৰ ৰহমান, এ বি এম এগ্ৰি ইণ্ডাষ্ট্ৰী এণ্ড ৰিচাৰ্চ প্ৰাঃ লিমিটেডৰ চি এম ডি মেহদী আলম চৌধুৰী, বাইহাটা চাৰিআলি থানা উপদেষ্টা সমিতিৰ সম্পাদক তথা পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক জগদীশ ডেকা, পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি মৃগাংক ৰাজবংশীকে ধৰি কে'বাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। নৱাগত আদৰণী সভাত গীত পৰিৱেশন কৰে উদীয়মান কণ্ঠশিল্পী ৰাজশ্ৰী শইকীয়া আৰু ডেনিছ চহৰীয়াই। সন্ধিয়া পাঁচ বজাত নৱাগত আদৰণী সভাৰ সফলভাৱে সামৰণি পৰে।

# ছহিদ কেশৱ বসুমতাৰীৰ ২৫ সংখ্যক ছহিদ দিৱস পালন বাগ্‌সাৰ ককলাবাৰীত

অগ্ৰদূত বাৰ্তা

**জালাহ, ১৪ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ চাপাগুৰি সমষ্টিৰ অন্তৰ্গত ককলাবাৰী কেশৱ নৌগৌৰত ককলাবাৰী ইউনিট এবছুৰ উদ্যোগত যোৱা ১৩ ডিচেম্বৰত ছহিদ কেশৱ বসুমতাৰীৰ ২৫ সংখ্যক স্মৃতি দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। এই উপলক্ষে অভ্যৰ্থনা সমিতিৰ সভাপতি শিক্ষক কালীকান্ত বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত ছহিদ দিৱসৰ মুকলি সভাত মন্ত্ৰী ইউজি ব্ৰহ্মাই ভাষণ আগবঢ়ায় আৰু 'মাউথি জৌহৌলাও' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। মন্ত্ৰী ব্ৰহ্মাই কয় যে অসমৰ প্ৰতিটো বিধানসভা সমষ্টিতে ২৫খনকৈ বিদ্যালয় কম্পোজিত স্কুল হিচাপে গঢ়ি তোলা হ'ব। ইয়াৰ বাবে প্ৰতিখন বিদ্যালয়ক ৫০ লাখকৈ টকা দিয়া হ'ব। ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চসমূহৰ উন্নয়নমূলক কাম-কাজ কৰাৰ ক্ষেত্ৰত তেওঁ এই ক্ষেত্ৰত সাংবাদিক অসুবিধাৰ কথা দোহাৰি কয় যে বিটিআৰৰ দৰে ক্ষেত্ৰীয় পৰিষদৰ উন্নয়ন ইয়াৰ শাসনত থকা চৰকাৰৰ জৰিয়তেহে নীতি অনুসৰি উন্নয়নমূলক কাম কৰিব লাগে। তৎসত্ত্বেও তেওঁ ককলাবাৰী অঞ্চলৰ উন্নয়নৰ কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ ছহিদ কেশৱ বসুমতাৰীৰ নামত এটা জনজাতি অতিথিশালা নিৰ্মাণ কৰা হ'ব আৰু ইয়াৰ বাবে প্ৰাথমিক পৰ্যায়ত ১-১.৫০ কোটি টকা দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি কয়। তেওঁ ককলাবাৰী ফাৰ্মত এগ্ৰো ফৰেষ্ট্ৰী এণ্ড বায়ডাইভাৰছিটি কলেজ প্ৰসংগত কয় যে কলেজখন প্ৰতিষ্ঠা হ'ব লাগে ১৩ পৃষ্ঠাত চাওক

# ভোলানাথ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পাব্লিক একুৱাৰিয়াম দৰ্শন

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলা প্ৰশাসন, বঙাইগাঁও জিলা সমগ্ৰ শিক্ষা তথা জিলা মীন বিভাগৰ যুটীয়া উদ্যোগত যোৱা ১৩ ডিচেম্বৰত জিলাখনৰ দোলাইগাঁওস্থিত ভোলানাথ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বঙাইগাঁও পৰিৱেশ উদ্যানত অলপতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰা 'পাব্লিক একুৱাৰিয়াম' দেখুওৱা হয়। জিলা আঁচনি বিষয়া অভিনৱ চক্ৰৱৰ্তীৰ তত্ত্বাৱধানত প্ৰাথমিক বিদ্যালয়খনৰ আটাইকেইগৰাকী শিক্ষক, সমল কেন্দ্ৰৰ সমন্বয়ৰ স'তে সমূহ ছাত্ৰ-ছাত্ৰীকে বঙাইগাঁও পৰিৱেশ উদ্যানত থকা এই পাব্লিক একুৱাৰিয়াম বিনামূলীয়াকৈ দেখুওৱা হয়। জিলা মীন বিষয়া প্ৰতুল বৰ্মনে পৰিৱেশ উদ্যানত স্থাপন কৰা ২৬টা একুৱাৰিয়ামত থকা বিভিন্ন প্ৰজাতিৰ আলংকাৰিক মাছবিলাকৰ নাম, কোনটো মাছ ক'ত পোৱা যায়, কেনেদৰে যত্ন ল'ব লাগে বিভিন্ন কথা ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। ছাত্ৰ-ছাত্ৰীসকলক পুথিগত জ্ঞানৰ বাহিৰে নিজ চকুৰে চাই আনন্দ পোৱাৰ লগতে ব্যৱহাৰিক জীৱনত শিক্ষা দিয়াৰ উদ্দেশ্য এনেদৰে পাব্লিক একুৱাৰিয়াম দেখুওৱা হয়। জিলা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াৰ দিহা-পৰামৰ্শৰে এই কাৰ্যসূচীৰ ব্যৱস্থা কৰা হয়। প্ৰতি সপ্তাহত জিলাখনৰ একো একোখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক এনেদৰে শিক্ষামূলক ভ্ৰমণলৈ অনা হ'ব বুলি শিক্ষা বিষয়া অভিনৱ চক্ৰৱৰ্তীয়ে জানিবলৈ দিয়ে।

# হাজোৰ দমদমা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ তীৰ্থ নগৰী হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান দমদমা মহাবিদ্যালয়ৰ ২০২১ৰ যোৱা ১৩ ডিচেম্বৰত নৱাগত আদৰণি সভা ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সেই অনুসৰি, পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰঞ্জন শৰ্মাই। ছহিদ বেদীত বন্তি প্ৰজ্বলন মুকলি কৰে দমদমা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বাদল পাটোৱাৰীয়ে। গছপুলি ৰোপণ কৰে দমদমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হীৰাবতী কলিতাই। ইয়াৰ পাছত অনুষ্ঠিত মুকলি সভাত ১৩ পৃষ্ঠাত চাওক

# অনাতাঁৰ শিল্পীৰ 'বকুলবন বঁটা' প্ৰাপক ডিম্বেশ্বৰ লাহনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা



**জাঁজী, ১৪ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ শিমলুগুৰি মৌজাৰ চিন্তামণিগড় লাহন গাঁৱৰ নিবাসী, অনাতাঁৰ শিল্পী, ২০১৫ৰ 'বকুলবন বঁটা' প্ৰাপক, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, নাট্যকাৰ, সমাজ সংগঠক, লোকশিল্পী তথা লোকসংগীতৰ সাধক ডিম্বেশ্বৰ লাহন (৮৫)ৰ আজি পুৱতি নিশা নিজা বাসভৱনত দেহাৱসান ঘটে। ১৯৩৬ত জন্মলাভ কৰা লাহনে সুদীৰ্ঘকাল শিক্ষকতা কৰি ১৯৯৪ত লাহন গাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ সমান্তৰালভাৱে সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰখনৰ লগত সক্ৰিয়ভাৱে জড়িত তথা ১৯৯২ত অনাতাঁৰ শিল্পী পেঞ্চন লাভ কৰা লাহনে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ, আকাশবাণী গুৱাহাটী আৰু যোৰহাট কেন্দ্ৰ, গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ আদিত দিহানাম, দেহবিচাৰৰ গীত, টোকাৰীগীত, ঘোষা পাঠ আদিৰ লগতে বিভিন্ন লোকসংগীত ১৩ পৃষ্ঠাত চাওক

# পশ্চিম গুৱাহাটী শিক্ষক সন্মিলনীৰ বাৰ্ষিক অধিবেশনৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৪ ডিচেম্বৰ ঃ** পশ্চিম গুৱাহাটী প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বিবাৰ্ষিক অধিবেশনৰ যোৱা ন ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে সামৰণি পৰে। মুদুকী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আয়োজিত অধিবেশনৰ আৰম্ভণিতে পুৱা পতাকা উত্তোলন কৰে পশ্চিম গুৱাহাটী প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি গোলক চন্দ্ৰ দাসে। স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অমৰেন্দ্ৰ ৰাভাই আৰু বৃক্ষৰোপণ কৰে ৰমণী ৰাভা আৰু যুগল দাসে। ইয়াৰ পাছতে অনুষ্ঠিত প্ৰতিনিধি সভা উদ্বোধন কৰে গুৱাহাটী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি বিপুল ডাকুৱাই। গুৱাহাটী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক প্ৰদীপ কলিতা পৰ্যবেক্ষক হিচাপে উপস্থিত থকা সভাতে আগন্তুক বছৰৰ বাবে নতুন কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। আগন্তুক বৰ্ষৰ বাবে হৰেন দাসক সভাপতি, দীপক দাস, কৃষ্ণ দাস, সবিতা মিশ্ৰ কলিতাক উপ-সভাপতি, দীপক কুমাৰ ১৩ পৃষ্ঠাত চাওক

# বিয়াৰ অভ্যাগতৰ মাজত নিম গছৰ পুলি বিতৰণ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত দিপলাং গাঁৱৰ যুৱ সমাজকৰ্মী সৰ্বেশ্বৰ কলিতাৰ বিয়াত প্ৰকৃতিপ্ৰেমৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। কালি অনুষ্ঠিত বিয়াখনত দৰাই নিজ হাতে একোটিকৈ নিম গছৰ পুলি তুলি দিলে অভ্যাগতৰ হাতত। যিটো সময়ত একাংশই চোৰাংকৈ গছ কাটি তহিলং কৰি ধন ঘটাৰ পৰিকল্পনা কৰি আছে সেই সময়তে বিয়াৰ নিচিনা পৱিত্ৰ দিন এটাত গছপুলি ৰোপণ আৰু সংৰক্ষণৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰাৰ লগতে ৰাইজকো গছপুলি ৰোপণ আৰু সংৰক্ষণ কৰাৰ উদাহৰণ দেখুৱাইছে।

# লোকসংগীত-লোকবাদ্য প্ৰচাৰ প্ৰসাৰত ব্ৰতী মুছলপুৰৰ ভূপেন দাস

## ড° ভূপেন হাজৰিকা কলাৰত্ন বঁটাৰে সন্মানিত লোকশিল্পী

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৪ ডিচেম্বৰ ঃ** ড° ভূপেন হাজৰিকা কলাৰত্ন ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হ'ল বাগ্‌সাৰ লোকশিল্পী ভূপেন দাস। বাগ্‌সা জিলাৰ থমনা নিবাসী এইজন লোকশিল্পীক গুৱাহাটীৰ জ্যোতি চিত্ৰবনত নেবকাচ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে অলপতে ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰে। বঁটা লাভ কৰি লোকশিল্পীজন যথেষ্ট উৎসাহী হৈ পৰা বুলি কয়। তেওঁ কয় যে বৰ্তমান সমাজত লোকগীতৰ প্ৰতি মানুহৰ আদৰ লাহে লাহে কমি আহিছে যদিও চৰকাৰে এই দিশত প্ৰচেষ্টা ল'লে হয়তো গ্ৰামাঞ্চলৰ বহু লোকশিল্পীয়ে নতুনকৈ প্ৰাণ পাব। প্ৰকাশ যে থমনা উজীৰবাৰী গাঁৱৰ বাসিন্দা দাসে সৰুৰে পৰা লোকসংগীতৰ লগত জড়িত হৈ আহিছে। লোকসংগীতক জনসাধাৰণৰ মাজত প্ৰচাৰ-প্ৰসাৰৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে দাসে। লোকগীত পৰিৱেশনৰ লগতে লোকবাদ্য বিশেষকৈ দোতাৰা আৰু খুঞ্জৰী নিৰ্মাণত জড়িত হৈ আহিছে দাস। শাস্ত্ৰীয় সংগীতৰ বিশাৰদজনে বিগত বৰ্ষৰ তলাবন্ধৰ সময়ছোৱাত ঘৰতে দুই এটা ১৩ পৃষ্ঠাত চাওক

# বৰনামঘৰৰ নামাচাৰ্য তিলেশ্বৰ দত্তৰ দেহাৱসান

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১৪ ডিচেম্বৰ ঃ** অসমৰ চাৰিসত্ৰৰ অন্যতম শ্ৰীশ্ৰীকুৰুৱাবাৰী সত্ৰৰ প্ৰাতঃস্মৰণীয় নামাচাৰ্য, কুৰুৱাবাহী সামাজিক-সাংস্কৃতিক তথা আধ্যাত্মিক ক্ষেত্ৰখনৰ নমস্য ব্যক্তি তিলেশ্বৰদত্ত (৮৬)ৰ আজি পুৱা নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰৰ লগতে দুই কন্যাসহ বহু আত্মীয়ক ইহসংসাৰত এৰি গৈছে। তেওঁৰ মৃত্যুত কুৰুৱাবাহী অঞ্চলৰ অপূৰণীয় ক্ষতিসাধন হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকাকুল পৰিৱেশ বিৰাজ কৰিছে আৰু স্থানীয় অঞ্চলৰ দোকান-পোহাৰসমূহ বন্ধ ৰখা হয়। দত্ত আছিল কুৰুৱাবাহী সত্ৰ বৰনামঘৰৰ আঞ্চলিক পালনাম সমিতিৰ প্ৰাক্তন সভাপতিৰ লগতে অন্যান্য বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ হিতাকাংক্ষী। তেওঁৰ নশ্বৰদেহত পুষ্পাঞ্জলি প্ৰদানেৰে শ্ৰদ্ধা জ্ঞাপন কৰে কুৰুৱাবাহী সত্ৰ বৰনামঘৰ পৰিচালনা সমিতি, বোকাখাত মহকুমা পালনাম সমিতি, কুৰুৱাবাৰী জ্যেষ্ঠ নাগৰিক সভা, কুৰুৱাবাহী উঃমাঃ বিদ্যালয় পৰিয়াল, গোপালদেৱ নাট্যসমিতি, কুৰুৱাবাহী যুৱকসংঘ, কুৰুৱাবাহী সত্ৰ প্ৰাঃ বিদ্যালয়, কুৰুৱাবাহী আঃপাঃ সমিতি, কুৰুৱাবাহী সত্ৰ ব্যৱসায় সন্থা, কুৰুৱাবাহী তিনিআলি ব্যৱসায় সন্থা, কুৰুৱাবাহী মহিলা সমিতি, কলা সংস্কৃতি বিকাশ কেন্দ্ৰ কুৰুৱাবাহী সত্ৰৰ লগতে গুণমুগ্ধই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰে কুৰুৱাবাহী জ্যেষ্ঠ নাগৰিক সভাৰ সভাপতি বিনন্দ চন্দ্ৰ বৰুৱাই। বিশিষ্ট ব্যক্তিজনৰ মৃত্যুত বোকাখাত মহকুমা সাংবাদিক সংস্থায়ো গভীৰ শোক প্ৰকাশ কৰিছে।

# তেজপুৰত সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তী

## ■ আদৰণি সমিতিৰ প্ৰস্তুতি সম্পূৰ্ণ ■ আলোচনাচক্ৰৰ স্থান সলনি

Õ¢¶ÕÓÃîÂ Âõ±îÂÇ±

**ÎîÂæÃÂóÅ1, ১৪ ডিচেম্বৰ ঃ** অসমীয়া জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰোধা, অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তীৰ অসম সাহিত্য সভাৰ বৰ্ষজোৰা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানক লৈ উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে তেজপুৰত। কাইলৈৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা অনুষ্ঠানৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। তেজপুৰ সাহিত্য সভা, বাণ থিয়েটাৰ, অসমীয়া ক্লাব, তেজপুৰ লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আৰু শোণিতপুৰ জিলা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত হ'ব লগা সামৰণি অনুষ্ঠানৰ সকলো প্ৰস্তুতিৰ এতিয়া শেষ পৰশ দিছে আদৰণি সমিতিয়ে। কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা অসমৰ সাহিত্য সভাৰ পতাকা উত্তোলনৰে আৰম্ভ হ'ব তেজপুৰ সাহিত্য সভা ভৱন প্ৰাংগণত। শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি বাসুদেৱ শৰ্মাই মূল পতাকা উত্তোলন কৰাৰ পাছত একেসময়তেই সহযোগী অনুষ্ঠান কেইটাৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠানসমূহৰ সভাপতিয়ে উত্তোলন কৰিব নিজৰ নিজৰ পতাকা। তেজপুৰ সাহিত্য সভা ভৱন প্ৰাংগণত থকা সাহিত্য কাণ্ডাৰীগৰাকীৰ আৱক্ষমূৰ্তিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে মুকলি কৰিব পদ্মনাথ গোহাঞিবৰুৱাৰ।জী-নাতি, বিশিষ্ট লেখিকা মৃণালী চেতিয়া আৰু শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বুৰঞ্জীবিদ মাধৱ চন্দ্ৰ দাসে। অনুষ্ঠানত মুখ্য তৰ্পক হিচাপে উপস্থিত থাকিব তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা প্ৰাক্তন শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামী। ইয়াৰ পাছতেই দৰং মহাবিদ্যালয়ৰ পদ্মনাথ গোহাঞিবৰুৱাৰ আৱক্ষ মূৰ্তিত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মুখ্য তৰ্পক হিচাপে উপস্থিত থাকিব তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ বীৰেণ দাস। অনুষ্ঠানত মাল্যাৰ্পণ কৰিব পদ্মনাথ ১৩ পৃষ্ঠাত চাওক




## গ্ৰন্থমেলা

**অৰূপজ্যোতি হাজৰিকা**

গ্ৰন্থৰ বতৰা লৈ
আহে গ্ৰন্থমেলা,
বুক ছেল্‌ফত সাজি-কাচি
বহে দুপৰ বেলা।

গ্ৰাহক আহে গ্ৰাহক যায়
চাই লিৰিকি-বিদাৰি,
গ্ৰন্থৰ চুবুৰিত গ্ৰন্থবোৰে
লয় মানুহ আদৰি।

গ্ৰন্থ উন্মোচনত গ্ৰন্থবোৰৰ
লাজুক লাজুক মন,
সাৰে থাকে শুই থাকে
লুকা-ভাকু খেলাৰ মন।

কবি সন্মিলন, আলোচনাচক্ৰ
সমানে সমানে হয়,
বিশিষ্ট লেখক বিশিষ্ট ব্যক্তিক
লগ পোৱাও যায়।

ভিন্ন প্ৰতিযোগিতা ভিন্ন বক্তৃতাত
ছাত্ৰ-ছাত্ৰীৰ দ'ম,
প্ৰদৰ্শনী কবিতা আবৃত্তিত
স্ৰষ্টাক জনাওঁ প্ৰণাম।

ৰিতু নিতু লগ হৈ
গ্ৰন্থমেলালৈ যায়,
মনে বিচৰা কিতাপ পাই
জানানে নাই।

দেশ-বিদেশৰ লেখক আহে
হয় মত বিনিময়,
নজনা কথা নুবুজা কথা
সকলোৰে বুজা হয়।

সৰু-ডাঙৰ গ্ৰন্থৰে
উভৈনদী হয়,
ৰামধেনুৰ ৰং ছটিয়াই
বছৰেকলৈ গুচি যায়।

## প্ৰভাত

**ধনেশ্বৰ ডেকা**

এজাৰ ফুলৰ
থোপাত জীয়া
উৰিছে ৰংগ কৰি
ডালত পৰি
পেটৰ অগ্নিত
কান্দিছে পখিলা
হিয়া ধুনি।
মৌ মাখিৰ
গুণ গুণ শব্দত
ফেঁচাৰ ভাঙিল টোপনি।
কুম্ভকৰ্ণ নিদ্ৰাত
নাক বজাই
শুইছে ধৰণী
কুকুৰাৰ ডাকে দিলেহি
প্ৰভাতী পুৱাৰ আগজাননী।

## সিংহ আৰু নিগনিৰ সাধু

**মধুছন্দা**

নিগনি এটাই সিংহক দেখি
দাঁত নিকটাই হাঁহে,
তাকে দেখি বনৰ ৰজাই
কিনো হ'ল কথাটো ভাবে।
ভেকাহি মাৰি নিগনিয়ে ক'লে
ক'লৈ পলাবি তই,
তোক বধ কৰি এইবাৰ হ'ম
বনৰ ৰজা মই।
নিগনিৰ কথাত বনৰ ৰজাই
হাতযোৰ কৰি ক'লে,
বৰ ভাল পাওঁ নিগনি মহাশয়
আপুনি বনৰ ৰজা হ'লে,
ক্ষুদ্ৰ নিগনিৰ সাহস দেখি
বনৰ ৰজা আচৰিত হ'ল,
সেইদিনাই নিগনিক পাতিলে
ৰজা
জন্তুবোৰ সাক্ষী হ'ল!
সিংহাসনত বহি নিগনি ৰজাই
প্ৰজাক দিয়ে ভাষণ,
চিকাৰী মেকুৰীয়ে সিংহাসনৰ
তলত
মনে মনে লৈছিল আসন।
মেকুৰী বপুৰাৰ নিগনিক দেখি
ওলাল জিভাৰ পানী,
মহাৰাজৰ সাহস চাবৰ মনেৰে
মেও-মেওকৈ দিলে মাতি।
মেকুৰীৰ মাত শুনি নিগনিয়ে
পলাই পত্ৰং দিলে,
তাকে দেখি বাকী জন্তুবোৰে
খিলখিলাই হাঁহে।
জন্তুবোৰে মিলি সিংহকে আকৌ
পাতিলে বনৰ ৰজা।
গুণীৰ গুণ অমান্য কৰিলেও
নোৱাৰে লগাব চেকা।

## শ্ৰৱণ কুমাৰলৈ বুলি

**ভাস্কৰ জ্যোতি দাস**

দেখিলো এদিন মাতা-পিতা যুটি
বহি আছে 'ফুটপাথ'ত,
ডাঙৰ পদবীৰ সন্তানে হেনো
এৰি গ'ল ৰাজপথত।
কোনো সংগঠনে বুটলি আনিলে
বৰ আলফুলকৈ,
আশ্ৰয় দিলে আহাৰো দিলে
চিকিৎসাও কৰালে গৈ।
হে'ৰা সন্তান, মাতা-পিতাৰ প্ৰাণ!
গাঁৱৰ সকলো বেছি-কিনি আহি
তুমি সঁজোৱা অট্টালিকাটোত
পিতা-মাতাৰ কিয় নাই কোনো স্থান?
ক'ত মৰমেৰে ক'ত তিয়াগেৰে
কেঁচুৱাৰ পৰা ডাঙৰ কৰাৰ,
পঢ়াই-শুনাই মানুহ কৰাৰ
এনেদৰে তুমি দিলা প্ৰতিদান?
তোমাৰ সন্তানে একে আদৰ্শৰে
যদি কৰে ভুল কি কৰিবা তেনে?
সিহঁতৰ সেই ভুলৰ পথক
শুধৰাবলৈ তুমি পাৰিবানে?
চাৰিঠেঙীয়াৰ স্বভাৱ ত্যাগি
সু-কৰমেৰে মানুহ হোৱা,
এই পৃথিৱীত এবাৰ জন্মি
সময় বালিত খোজ এৰি যোৱা।


*বৈষ্ণৱী শইকীয়া, দ্বিতীয় শ্ৰেণী, ছেইণ্ট মেৰিজ স্কুল, মালিগাঁও।*

# খৰিকটীয়াৰ সাধু

**পংকজ কুমাৰ নেওগ**

*যোৱা সংখ্যাৰ পাছৰ পৰা*

জলকুঁৱৰীয়ে মুখেৰে মন্ত্ৰ এটা মতাৰ লগে লগে খৰিকটীয়াৰ হাতৰ পৰা কুঠাৰখন অদৃশ্য হ'ল। খৰিকটীয়াই নিজৰ ভুল বুজিব পাৰি আকৌ কান্দি কাটি জলকুঁৱৰীক ক্ষমা খুজিবলৈ ধৰিলে। খৰিকটীয়াৰ কাবৌ-কোকালিত জলকুঁৱৰীৰ মন কুমলিল। তেওঁ মাত লগালে—

ঃ চা, কুঠাৰখন মই আৰু ওভতাই দিব নোৱাৰো। তই আৰু তহঁতৰ গাঁৱৰ সকলোবোৰ খৰিকটীয়াই গছ কটা আৰু খৰি লুৱা বন্ধ কৰিব লাগিব। কেইজন খৰিকটীয়া আছে তহঁতৰ গাঁৱত?

ঃ ১০-১২জন মান হ'ব। কিন্তু গছ কাটি খৰি নেবেচিলে আমি খাম কি?

ঃ সেই বিষয়ে কিবা এটা দিহা দিম। এতিয়া চৰকাৰে গছ কটা একেবাৰে মানা কৰিছে। গছবোৰে মানুহ আৰু পশু-পক্ষীয়ে নিশাহত এৰা এঙাৰ গেছ গ্ৰহণ কৰি অম্লজান এৰি দিয়ে আৰু উশাহত এই অম্লজান লৈ পৃথিৱীবাসী জীয়াই আছে। বায়ুমণ্ডলত এঙাৰ গেছ আৰু অন্যান্য বিষাক্ত গেছ বাঢ়ি যোৱাৰ বাবে জলবায়ুৰ দ্ৰুত পৰিৱৰ্তন হৈছে, গোলকীয় উষ্ণতা বৃদ্ধি পাইছে। গছ থাকিলেহে বায়ু নিৰ্মল হৈ থাকিব। চোৰাংকৈ হাবি-জংঘল কাটি শেষ কৰাৰ বাবে হাতী আৰু অন্যান্য জীৱ-জন্তুৰ খাদ্যৰ নাটনি হৈছে। তহঁতৰ গাঁৱতো হাতীয়ে সদায় খেতি-বাতি নষ্ট নকৰেহি জানো? মুঠতে সমস্ত জৈৱ-বৈচিত্ৰ্যৰ ভাৰসাম্য নষ্ট হৈছে।

কথাবোৰ অলপ বুজি পাইছো দেৱী! কিন্তু আমি খাম কেনেকৈ?

ঃ দুজনমান নেতাক ভালকৈ চিনি পাওঁ আৰু মই আগতে তেওঁলোকক সহায়ো কৰি থৈছো। মই এখন চিঠি লিখি দিম। তহঁতে গৈ তেওঁলোকক লগ ধৰিলে সহায় কৰিব। গছ কটা আৰু খৰি বেচাৰ সলনি তহঁতক ওচৰৰ চহৰখনত ৰন্ধন গেছৰ এজেন্সী খোলাত সহায় কৰিব। বেংকৰ ক'ত কি ঋণ ল'ব লাগে সহায় কৰিব। লাহে লাহে নিজৰ গাঁৱতো গেছৰ এজেন্সী খুলিব পাৰিবি। গাঁৱৰ মানুহে গেছ ব্যৱহাৰ কৰা আৰম্ভ কৰিলে পলকতে ভাত-পানী ৰন্ধা-বঢ়া কৰা সুবিধা হ'ব। কোনেও খৰি জ্বলাই আৰু চুঙাৰে জুই ফুৱাই সময় নষ্ট কৰিব নালাগে। ধোঁৱা ওলোৱা বন্ধ হ'লে পৰিৱেশো নিকা হৈ থাকিব।

ঃ কিন্তু এইবোৰ হ'বলৈ বা অনুমোদন ইত্যাদিৰ বাবে কিছু সময় নালাগিব জানো?

ঃ এৰা কিছু সময় লাগিব কিন্তু চৰকাৰে তহঁতক তেতিয়ালৈকে চলিবলৈ কিবা অনুদানৰ ব্যৱস্থা কৰি দিব। মুঠতে পৰিৱেশ কোনো কাৰণতে যাতে বিনষ্ট নহয় তালৈ সদায় চকু ৰাখিবি।

ঃ আৰু বেলেগ কিবা কৰিব পৰা যাব নে? নিশ্চয় পৰা যাব। যাৰ ৰন্ধন গেছ এজেন্সী লোৱাৰ ইচ্ছা নাই, সিহঁতে অন্য কিছুমান আঁচনি বা প্ৰকল্পও ল'ব পাৰে। কুকুৰাৰ ফাৰ্মত বা কণী বিক্ৰী কৰা দোকানত কণী থ'বলৈ কিছুমান পাতল কাগজ সদৃশ ট্ৰে ব্যৱহাৰ কৰা হয়। পেলনীয়া আৱৰ্জনাৰ পৰা এই ট্ৰেবোৰ তৈয়াৰ কৰিব পাৰি। ই এটা কম খৰচী আৰু লাভজনক ক্ষুদ্ৰোদ্যোগ। খাদ্য প্ৰস্তুত আৰু প্ৰক্ৰিয়াকৰণ কাৰখানাত জৈৱ আৱৰ্জনাৰ জৰিয়তে উৎপন্ন কৰা জৈৱ গেছেৰে বিজুলী শক্তি উৎপাদন কৰিব পাৰি। তহঁতৰ গাঁৱৰ ওচৰত এটা ডাঙৰ জলপ্ৰপাত আছে, সেই জলপ্ৰপাতৰ তলত এটা টাৰ্বান বহুৱাই স্থানীয়ভাৱে বিদ্যুৎ উৎপাদন কৰিব পৰা যায়। ভাবিলে হয়তো আৰু বহুতো এনে উদ্যোগ আৰম্ভ কৰিব পৰা যায়। এইবোৰৰ পৰা কোনো প্ৰদূষণো নহয় আৰু পৰিৱেশ নিৰ্মল হৈ থাকিব।



দেৱী এই মুৰুখমতিক আপুনি আজি অনেক জ্ঞান দিলে। মই গাঁৱলৈ গৈ বাকীবোৰ খৰিকটীয়া বন্ধুক আপুনি কোৱা কথাবোৰ দোহাৰিম। আমি সকলোবোৰ উভতি আহি আপোনাৰ পৰা আৰু দিহা-পৰামৰ্শ লৈ কামবোৰ আৰম্ভ কৰিম।

যা বাৰু আজিলৈ। সকলোবোৰ বন্ধুক গছ কটা বন্ধ কৰিবলৈ ক'বি আৰু কাঠৰ চোৰাং বেপাৰীকেইটাকো সকীয়াই দিবি। কেতিয়াবা সেইকেইটা এইখন নদীলৈ গা ধুব আহিলে আটাইকেইটাকে পানীত ডুবাই মাৰিম।

খৰিকটীয়াই জলকুঁৱৰীক সাষ্টাংগে প্ৰণিপাত জনাই যাবলৈ ওলাল। জলকুঁৱৰীয়ে পানীত ডুব মাৰি অদৃশ্য হোৱাৰ আগেয়ে আকৌ ৰিং এটা মাৰি খৰিকটীয়াক ক'লে—

ঃ শুনচোন, অহা দেওবাৰে এইখন হাবিৰ বনৰজা আৰু মোৰ শুভ বিবাহ। সেইদিনা তই খৰিকটীয়া বন্ধুকেইজনক লৈ এই নদীৰ পাৰলৈকে আহিবিচোন আৰু যিজোপা গছৰ ডাল কাটিবলৈ ওলাইছিলি সেই গছজোপাৰ গুৰিতে শৰাই এখন আগবঢ়াই ইয়াতে নাম-প্ৰসংগ এভাগ কৰিবিহি। কোনেও কিন্তু দা-কুঠাৰ লগত নানিবি দেই। আৰু এটা কাম কৰিব লাগিব। নাম প্ৰসংগ শেষ হ'লে তহঁতৰ প্ৰত্যেকে এই নদীৰ পাৰে পাৰে দুই, তিনিটাকৈ গছপুলি ৰুব লাগিব। শাল, চেগুন বা যিধৰণৰ গছৰ পুলিয়েই নহওক আমি গছেৰে এইখন হাবি পুনৰ ভৰপূৰ কৰিব লাগিব। গছ থাকিলেহে আমাৰ পৃথিৱীখন জীয়াই থাকিব। এইবাৰ জলকুঁৱৰী পানীত ডুব মাৰি অদৃশ্য হ'ল।

# সেনাবিহীন দেশৰ কথা

সমগ্ৰ বিশ্বত যদি শান্তি আৰু বিশ্বাসৰ ভাব স্থাপন হয়, তেন্তে নিশ্চয় সেনাবাহিনীৰ প্ৰয়োজন নহ'ব। অৱশ্যে ইয়াৰ বাবে সকলো জাতি, সম্প্ৰদায়, ধৰ্ম, ৰাষ্ট্ৰৰ মাজত পাৰস্পৰিক সদ্ভাৱ আৰু বিশ্বাস সবল হ'ব লাগিব। সকলো বিষয় আৰু বিবাদৰ সমাধান শান্তিপূৰ্ণভাৱে সমাধান হ'ব লাগিব।



**যিসময়ত** হিংসা, সন্ত্ৰাসবাদ আদিয়ে আমাৰ পৃথিৱীখনক জৰ্জৰিত কৰি তুলিছে, তেনে সময়তে কেইখনমান ক্ষুদ্ৰ দেশে বিশ্ববাসীলৈ আশাৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছে। কিয়নো এই দেশকেইখনত যিদৰে কোনো সেনাবাহিনী নাই, সেইদৰে প্ৰতিৰক্ষাৰ নামত হেজাৰ-কোটি টকা খৰচ কৰাৰ প্ৰয়োজনো নাই। আমি নিশ্চিতভাৱে এই দেশকেইখনক ভয়হীন দেশৰ আখ্যা দিব পাৰো। আচলতে এনে ভয়হীন দেশৰে এতিয়া আমাক প্ৰয়োজন।

সমগ্ৰ বিশ্বত যদি শান্তি আৰু বিশ্বাসৰ ভাব স্থাপন হয়, তেন্তে নিশ্চয় সেনাবাহিনীৰ প্ৰয়োজন নহ'ব। অৱশ্যে ইয়াৰ বাবে সকলো জাতি, সম্প্ৰদায়, ধৰ্ম, ৰাষ্ট্ৰৰ মাজত পাৰস্পৰিক সদ্ভাৱ আৰু বিশ্বাস সবল হ'ব লাগিব। সকলো বিষয় আৰু বিবাদৰ সমাধান শান্তিপূৰ্ণভাৱে সমাধান হ'ব লাগিব। মন কৰিবলগীয়া যে সম্প্ৰতি সমগ্ৰ বিশ্বতে সেনাবাহিনীৰ খৰচ প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰিছে। চীন, আমেৰিকাৰ পৰা আৰম্ভ কৰি ভাৰত-পাকিস্তান পৰ্যন্ত সকলো দেশে নিজৰ প্ৰতিৰক্ষাৰ নামত প্ৰতিৰক্ষা বাজেট বৃদ্ধি কৰিবলৈ ধৰিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল পাৰস্পৰিক অবিশ্বাস আৰু ভয়। ২০১১ত বিশ্বৰ সমগ্ৰ সেনাবাহিনীৰ মুঠ ব্যয় হৈছিল ১,৭৩৮ বিলিয়ন মাৰ্কিন ডলাৰ। যদি সমগ্ৰ বিশ্বই এইবোৰ খৰচ বাদ দিয়ে, তেন্তে শিক্ষা, ক্ষুধা নিবাৰণ আৰু নিৰ্মল পানীৰ বাবদ সেইখিনি ধন ব্যয় কৰিব পৰা যাব। সেনাবাহিনীৰ অবিহনেও কিদৰে ৰাষ্ট্ৰ চলাব পাৰি, সেই কথা উক্ত সেনাবিহীন দেশকেইখনৰ পৰাই বিশ্বৰ অন্যান্য বৃহৎ দেশবোৰে শিক্ষা ল'ব পাৰে। বিশ্বৰ উক্ত সেনাবিহীন দেশসমূহৰ বিষয়ে তলত চমুকৈ দাঙি ধৰা হ'ল।

**তুৱালু**

ব্ৰিটেইনৰ অধীনৰ পৰা ১৯৭৮ চনত স্বাধীনতা অৰ্জন কৰাৰ পাছত সৃষ্টি হোৱা ক্ষুদ্ৰাকাৰ তুৱালু ৰাষ্ট্ৰই কেতিয়াও নিজা সেনাবাহিনী গঢ়ি তোলা নাই। তুৱালু হ'ল এখন দ্বীপৰাষ্ট্ৰ। যাৰ মাত্ৰ এটা সৰু আৰক্ষী বাহিনীহে আছে। ইয়াৰ উপৰি আছে সৰু অস্ত্ৰৰে সজ্জিত আন্তৰিক সুৰক্ষা ইউনিট আৰু প্ৰশান্ত মহাসাগৰ নিৰীক্ষণ কৰা পেট্ৰ'লিং নাও। এইখন দেশ প্ৰশান্ত মহাসাগৰৰ হাৱাই আৰু অষ্ট্ৰেলিয়াৰ মাজত অৱস্থিত। তুৱালুৰ প্ৰতিবেশী দেশকেইখন হ'ল কিৰিবাটি, নীউৰ', ছামোৱা আৰু ফিজি। ২০১১ৰ গণনা অনুযায়ী দেশখনৰ মুঠ জনসংখ্যা হ'ল ১০,৮৩৭ জন।

**কোষ্টাৰিকা**

১৯৪৯ চনত কোষ্টাৰিকাৰ সংবিধান তৈয়াৰ কৰাৰ সময়ৰে পৰাই দেশখনত সেনাবাহিনী গঠনৰ বিষয়টো একাষৰীয়া হৈ আছে। ইয়াৰ অৰ্থ এয়া নহয় যে দেশখন সম্পূৰ্ণৰূপে সেনাবিহীন আৰু দেশখনত সৈন্যবল নাই। কিন্তু গণৰাজ্যখনত আছে ৰাজহুৱা নিৰাপত্তা বাহিনী। এই বাহিনীটোৱে আভ্যন্তৰিণ সুৰক্ষা আৰু আইন ব্যৱস্থাৰ দিশবোৰ চোৱা-চিতা কৰে। মধ্য আমেৰিকাত অৱস্থিত কোষ্টাৰিকাৰ অৰ্থ হ'ল ৰিচ্চ ক'ষ্ট। কোষ্টাৰিকাৰ উত্তৰে আছে নিকাৰাগুৱা আৰু দক্ষিণে আছে পানামা। ১৯৪৯ত কোষ্টাৰিকাৰ সেনাবাহিনী সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হয়।

**ছেইণ্ট লুচিয়া**

কেৰিবিয়ান সাগৰ আৰু আটলাণ্টিক মহাসাগৰৰ সংযোগস্থালীত আছে ছেইণ্ট লুচিয়া দ্বীপৰাষ্ট্ৰ। ছেইণ্ট লুচিয়াৰ অৰ্ধ-সামৰিক বাহিনীত পুৰুষ আৰু মহিলাৰ মুঠ সংখ্যা হ'ল ১১৬ গৰাকী। ছেইণ্ট লুচিয়া আৰক্ষীৰ দুটা শাখা হ'ল ক'ষ্ট গাৰ্ড আৰু স্পেচিয়েল ছাৰ্ভিচ। দুয়োটা শাখাই আভ্যন্তৰীণ সুৰক্ষাৰ বাবে নিয়োজিত। এই দেশখনৰ প্ৰতিৰক্ষা ৰিজ'নেল ছিকিউৰিটী ছিষ্টেম অনুযায়ী হয়। দেশখনৰ পশ্চিমত আছে বাৰ্বাডোজ আৰু দক্ষিণত আছে মাৰ্টিনিক। মাত্ৰ ৬১৭ বৰ্গ কিলোমিটাৰৰ শান্তিপ্ৰিয় দেশখনৰ চৰকাৰে কেতিয়াও সেনাবাহিনী গঠন কৰা নাই।

**পালাউ**

এই দেশখনক বহুতে বেলাউ বুলিও উচ্চাৰণ কৰে। এই দ্বীপৰাষ্ট্ৰখনত প্ৰায় ২৫০টা ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপৰ সমাহাৰ ঘটিছে। পালাউৰ মুঠ জনসংখ্যা হ'ল মাত্ৰ ২১ হেজাৰ। এই দেশৰ সামুদ্ৰীয় সীমাত আছে ইণ্ডোনেছিয়া, ফিলিপাইন্‌ছ আৰু মিক্ৰোনেছিয়া। ফিলিপাইন্‌ছৰ পৰা বিতাড়িত হৈ প্ৰায় তিনি হেজাৰ বছৰৰ পূৰ্বেই এই দেশত বসতি স্থাপন হৈছিল যদিও তেতিয়াৰে পৰা কোনো সেনাবাহিনী নাই।



**ছেইণ্ট ভিনচেণ্ট এণ্ড দ্য গ্ৰেণেডিয়ান্‌ছ**

কেৰিবিয়ান দ্বীপপুঞ্জৰ অন্তৰ্গত এইখন দেশতো কোনো সেনাবাহিনী নাই যদিও অৰ্ধ-সামৰিক বাহিনীৰ দুটা শাখা আছে। য'ত আছে ৯৪ জন বিষয়া আৰু জোৱান। এই শাখা দুটাক ক'ষ্ট গাৰ্ড আৰু স্পেচিয়েল ছাৰ্ভিচ বুলি কোৱা হয়। শাখা দুটাই আভ্যন্তৰীণ বিষয়বোৰ চোৱা-চিতা কৰে। দেশখনৰ অধিকাংশ ক'ষ্টগাৰ্ড ব্ৰিটিছ ৰয়েল নেভীক প্ৰদান কৰা হৈছে। এই দ্বীপৰাষ্ট্ৰখন কেৰিবিয়ান সাগৰৰ পূব সীমাত আটলাণ্টিক মহাসাগৰৰ সীমাত অৱস্থিত। উত্তৰত আছে ছেইণ্ট ভিনচেণ্ট আৰু দক্ষিণত আছে বাৰ্বাডোজ। দেশখনৰ মাটিকালি ৩৮০ বৰ্গ কিলোমিটাৰ আৰু জনসংখ্যা প্ৰায় ১,২০,০০০।

**ফেডেৰেটেড ষ্টেটছ অৱ মাইক্ৰোনেছিয়া**

এই দেশখনেও কোনো সেনাবাহিনী গঠন কৰা নাই। দেশখনৰ সুৰক্ষাৰ ভাৰ আমেৰিকাৰ ওপৰতে ন্যস্ত হৈ আছে। স্থানীয় সমুদ্ৰ অঞ্চল নিৰীক্ষণৰ বাবে থকা শাখাটো দেশখনৰ আৰক্ষী বিভাগৰ অন্তৰ্গত। এই কমনৱেল্‌থ দেশখন প্ৰায় ৭০০ ক্ষুদ্ৰ দ্বীপৰ সংযোজনত স্থাপন হৈছে। এই ক্ষুদ্ৰ দ্বীপবোৰ প্ৰশান্ত মহাসাগৰত বিস্তৃত হৈ আছে। ৭০২ বৰ্গ কিলোমিটাৰ মাটিকালিৰ দেশখন ইকুৱেড'ৰৰ উত্তৰত অৱস্থিত।

# তিতা-মিঠা

**প্ৰদীপ নাৰায়ণ ভট্ট**

**এসময়ত** এখন গাঁৱত দিবাকৰ নামে এজন পণ্ডিত লোক বাস কৰিছিল। মাষ্টৰৰ পৰিয়ালটো তেনেই তাকৰ আছিল। একমাত্ৰ পুত্ৰ সন্তান আৰু তেওঁৰ পত্নীৰ স'তে পৰিয়ালটোত সদস্যৰ সংখ্যা আছিল তিনিজন। মাষ্টৰে নিজৰ সন্তানক যথেষ্ট মৰম-যত্ন কৰিছিল। তেওঁৰ আশা, পুত্ৰই এদিন ডাঙৰ হৈ ঘৰৰ সকলো অভাৱ-অসুবিধা দূৰ কৰিব। তেওঁ জীৱনত যি হ'ব নোৱাৰিলে, পুতেকে তাকেই হৈ তেওঁৰ আশা পূৰণ কৰিব। তেওঁ ঘৈণীয়েক সাদৰীক কৈছিল, তাই যেন পুতেকৰ ওপৰত অনবৰতে নজৰ ৰাখে। দিবাকৰৰ মতে মাকজনী ঘৰখনৰ প্ৰথম পঢ়াশালি মাকৰ যত্নই সন্তানৰ স্বভাৱ-চৰিত্ৰ, পঢ়া-শুনা সকলো স্থবিৰ সবল কৰে। দিবাকৰে ঘৈণীয়েকক এই কথাও বুজাই দিছিল যে সন্তানক কৰা অদৰকাৰী মৰমে সন্তানক ধ্বংস কৰে। তাইক সতৰ্ক কৰি দিছিল যাতে তাই অযথা মৰম কৰি পুতেকক নষ্ট নকৰে। মাকে দেউতাকৰ অপাৰ যত্ন আৰু অকৃপণ মৰমে দিবাকৰ মাষ্টৰৰ পুতেক চন্দ্ৰক আগবাঢ়ি যোৱাত ভালেখিনি উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছিল।



লাহে লাহে চন্দ্ৰৰ বয়স আৰু জ্ঞানৰ পৰিসৰ বৃদ্ধি পাবলৈ ধৰিলে। বয়স বৃদ্ধিৰ লগে লগে চন্দ্ৰই পিতৃ-মাতৃৰ শাসন ভাল নোপোৱা হ'ল। সি লগ-সমনীয়াৰ আগত শাসন কৰিলে লাজ পায়। পিতৃ দিবাকৰ মাষ্টৰ আৰু মাক সাদৰীৰ মতে চন্দ্ৰ সদায় এটা সৰু ল'ৰা। সিহঁতে তাক চকুৰ আগত ৰাখিব বিচাৰে। প্ৰয়োজনত তাক দুই-এষাৰ গালি মাত নিদিলে যেন সিহঁতৰ পূৰ্ণ নহয়। এদিনাখন দিবাকৰ বহু দেৰিকৈ বাহিৰত লগ-বন্ধুৰ স'তে হাঁহি-স্ফূৰ্তিত ব্যস্ত আছিল। সেইখিনি সময়ত সি পাহৰি গৈছিল যে তাৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময় সমাগত। অলপ ভুলৰ কাৰণে যে তাৰ জীৱনত এন্ধাৰ নামি আহিব পাৰে, সেই কথাও সি পাহৰি গৈছিল। সেইদিনা মাষ্টৰ এঘণ্টা আগতে ঘৰলৈ উভতিছিল। তেওঁ পুতেকক ঘৰত নেদেখি খঙত জ্বলি উঠিছিল। পুতেক যেতিয়া ঘৰত প্ৰৱেশ কৰিছিল তেতিয়া খঙৰ ভমকত মাষ্টৰে তাক দুই এষাৰ টান কথা শুনাইছিল। ডেকা পুতেকে দেউতাকৰ কথাবোৰ সহ্য কৰিব পৰা নাছিল। সি কৈছিল— 'দেউতা, তুমি তেনে তিতা মাতেৰে মোক কথা নকবা। মই মোৰ দায়িত্ব বুজি পাওঁ। সময়ৰ মূল্য নুবুজা পুতেকক সময়ৰ জ্ঞান দিবলৈ মাষ্টৰে আৰু বহুখিনি কথা কৈছিল। পুতেকে কথাবোৰ শুনিলেও কথাবোৰ বৰ গুৰুত্ব সহকাৰে নল'লে। সি দৌৰি গৈ পুনৰ টেবুলৰ ওচৰত বহিছিল। সেইদিনা ঘটনাবোৰ তাতেই সমাপ্ত হৈছিল। লাহে লাহে সময়বোৰ নদীৰ সোঁতৰ দৰে দ্ৰুতগতিত পাৰ হৈ গৈছিল। এদিন নিৰ্দিষ্ট সময়ত চন্দ্ৰৰ সেই গুৰুত্বপূৰ্ণ পৰীক্ষাটো সমাগত হৈছিল। সিয়ো অন্য ১০জন ছাত্ৰৰ দৰে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰ পৰীক্ষাৰ ফলাফলক লৈ মাক-দেউতাক বৰ সচেতন। সেই কাৰণে চন্দ্ৰক তেওঁলোকে খুব আগতীয়াকৈ সতৰ্ক কৰি দিয়ে। পৰীক্ষাৰ কেইদিন তাৰ ওপৰত বহুত নজৰ ৰখা হ'ল। খোৱা-লোৱা, পঢ়া-শুনা সকলোতে তাৰ ওপৰত লক্ষ্য ৰখা হ'ল। এটা সময়ত তাৰ পৰীক্ষা মাক-দেউতাকে ভবাৰ দৰে পাৰ হৈ গ'ল। এদিন চাওতে চাওতে ফলাফলো সমাগত হ'ল। যথা সময়ত চন্দ্ৰৰ পৰীক্ষাৰ ফল ওলাল। বিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, সমাজৰ গণ্য-মান্য ব্যক্তিসকলে দিবাকৰ মাষ্টৰৰ ঘৰত ভিৰ কৰিলে। সকলোৰে মুখে মুখে চন্দ্ৰৰ প্ৰশংসা। উপস্থিত ব্যক্তিসকলৰ কিছুমানে চন্দ্ৰৰ পিতৃ-মাতৃ দুজনকো প্ৰশংসা নকৰাকৈ নাথাকিল। সিহঁতৰ মতে দিবাকৰ মাষ্টৰ আৰু তেওঁৰ পত্নীয়ে সঁচা পিতৃ-মাতৃৰ দায়িত্ব পালন কৰিছে। চন্দ্ৰৰ এটা অসম্ভৱ ফলাফলে ঘৰখনলৈ গৌৰৱ কঢ়িয়াই আনিলে। সেইদিনাহে চন্দ্ৰই বুজি পালে যে তাৰ পিতৃ-মাতৃয়ে যিবোৰ গালি-মাত মাতিছিল সেইবোৰ শুনিবলৈহে তিতা। আচলতে তাৰ সোৱাদ মৌতকৈও মিঠা। সি তাৰ আগৰ কিছুমান অশুদ্ধ আচৰণৰ বাবে পিতৃ-মাতৃৰ ওচৰত ক্ষমা খুজিলে। সঁচাই পিতৃ-মাতৃসকল সন্তানৰ কেতিয়াও শত্ৰু নহয়। তেওঁলোকৰ শাসন বেয়াৰ কাৰণে নহয়।


*ভাস্কৰণ বৰা, প্ৰথম শ্ৰেণী, জুনিয়ৰ শিক্ষা পাব্লিক স্কুল।*


*তপস্যা ভট্টাচাৰ্য, প্ৰজ্ঞা একাডেমী, দ্বিতীয় শ্ৰেণী।*



# আপোন নদী-দ্বীপৰ কথাৰে...

**ৰুণীমা বৰা,** সহঃ শিক্ষয়িত্ৰী

*১৮ নৱেম্বৰৰ সংখ্যাৰ পাছৰ পৰা*

মনটোক আৰু দৃঢ় কৰিলো। স্বামীৰ পাছে পাছে ময়ো ভিতৰলৈ সোমাই গ'লো। ভিতৰত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশ। যেন জড়ৰ পৰা জীৱলৈ সকলো সম্পদ ভক্তিৰসেৰে নিমজ্জিত। স্বামীক অনুসৰন কৰি গোসাঁই ঈশ্বৰৰ সন্মুখত বহি পৰিলো। শৰণ কাৰ্য আৰম্ভ হ'ল। সম্পূৰ্ণ আন্তৰিকতাৰে গ্ৰহণ কৰা বাবেই হয়তো মোৰ পক্ষে সকলোবোৰ সহজ হৈ পৰিল। ইতিমধ্যে মনত থিতাপি লোৱা বেমেজালিবোৰও মোৰ লগ এৰিছিল। সঁচাকৈয়ে কি অদ্ভূত ব্যক্তিত্বৰ গৰাকী সেই জন .....যাৰ ছত্ৰছায়াত ঘোৰ নাস্তিক এজনো পৰিৱৰ্তিত হ'ব পাৰে প্ৰকৃত ভক্তলৈ।

সকলো নীতি নিয়ম সম্পাদনৰ পাছত আমাক বহালৈ লৈ যোৱা হ'ল। তাতেই আমাৰ খোৱাৰ ব্যৱস্থা কৰা হৈছে। ঘৰবোৰ পুৰণি। পিছে খুউব পৰিপাটিকৈ ৰখা হৈছে। গোবৰ মাটিৰে সুন্দৰকৈ লিপি থোৱা মজিয়াখনত ভৰি থ'বলৈ সংকোচবোধ কৰিলো। বহাৰ ব্যৱস্থাৰ বাবে মজিয়াত শাৰী শাৰীকৈ পৰা কঠবোৰ চকুত পৰিল। ইমান সৰল জীৱন-যাপনৰ আৰ্হিও ইমান চকুত লগা তেন্তে বিলাসিতাৰ প্ৰয়োজন কিয়? মহানগৰীৰ বৃহৎ বৃহৎ অট্টালিকাবোৰত কিম্বা জাকত-জিলিকা আচবাবৰ মাজত এই ব্যতিক্ৰমী সৌন্দৰ্যৰ সন্ধান কৰিলো। যেন আমাৰ কল্পনাৰ সৰগখনো এই বহাবোৰৰ সৌন্দৰ্য তাৰ তুলনাত তেনেই নগণ্য।

চিক্‌ চিকিয়াকৈ ঘঁহি থোৱা কাহৰ থালিত দিয়া ভাতসাঁজে যেন মোৰ ক্ষুধা দুগুণে বৃদ্ধি কৰিছে। অতি সোৱাদ লগাকৈ ৰন্ধা এই বিশেষ ভাতসাঁজৰ জুতি হয়তো মই কেতিয়াও নাপাহৰো।

.....জীৱনত প্ৰথমবাৰৰ বাবে এক বিশেষ বান্ধোনৰ অভূত হৈছিল। সত্ৰখনিত বৰ্তমানেও কেতবোৰ আপুৰুগীয়া সম্পদৰাজি সংৰক্ষিত অৱস্থাত আছে। তাৰ ভিতৰত আহোম ৰজাৰ দ্বাৰা ব্যৱহৃত হেংদান দুখন, ৰূপ খটোৱা এখন প্ৰকাণ্ড শৰাইয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। অৱশ্যে সমগ্ৰ সত্ৰৰ নৈসৰ্গিক পৰিৱেশৰ মাজত আন এটি বিশেষ ব্যৱস্থাৰ প্ৰতিহে মই আকৃষ্ট হলো। সত্ৰৰ ভকতসকলৰ মাজত দেখিবলৈ পালো কণ কণ শিশু সকলক।

নিৰ্বোধ শিশু সকলক ভকত ৰূপে দেখি মোৰ মুখত ফুটি উঠা বিস্ময়তা লক্ষ্য কৰি ক'লে, 'আচৰিত হ'ব নালাগে। তেওঁলোকে স্ব ইচ্ছাৰে ইয়াত বসবাস কৰে। অকল এয়াই নহয় সত্ৰৰ সম্পূৰ্ণ নীতি-নিয়মো নিয়াৰিকৈ পালন কৰিবলৈ কুণ্ঠাবোধ নকৰে এইসকল শিশুৱে। আচৰিত, খেলা-ধূলাৰ বয়সত এইসকল শিশুৰ মনত আধ্যাত্মিকতাই থিতাপি লোৱাটো ইমান সহজসাধ্য নিশ্চয় নহয়! এই সন্দৰ্ভত স্বামীৰ মুখেৰে জানিবলৈ পাই আনন্দিত হ'লো যে এওঁলোকে সত্ৰৰ বান্ধোনত থাকিলেও বাধাহীনভাৱে পঢ়াশালিলৈ যাব পাৰে। ইচ্ছানুযায়ী শিক্ষালাভ কৰিব পাৰে। খু-দুৱাই থকা মনটোৰ পৰা কিছু জিজ্ঞাসা আঁতৰাই পৰৱৰ্তী জিজ্ঞাসাৰ পৰিপূৰ্ণতাৰ দিশে আগবাঢ়িলো.......

সুন্দৰৰ আৰাধনা জীৱনৰ খেল, প্ৰকৃতিৰ সেই সৌন্দৰ্যৰ মধুৰ খেলখনৰ আৰাধ্যা হ'বলৈ পাই নিজকে ধন্য মানিলো। আউনীআটি সত্ৰৰ মুগ্ধকৰ সৌন্দৰ্যৰ মোহভংগ কৰি আন দিশে অগ্ৰসৰ হ'লো।

আমাৰ গাঁওখনৰ মানুহবোৰ খুউব অতিথি পৰায়ণ। তাতে আকৌ ন-বোৱাৰীক আপ্যায়ন। মহৰ আঠালেতীয়া দৈ, বকুল বৰাধানৰ চিৰা, চাপৰিৰ গুৰৰ স'তে তৈয়াৰী জলপানৰ সোৱাদেই সুকীয়া, মাজুলীৰ চাপৰি, আন এক জিজ্ঞাসা, পাছদিনাই স্বামীক কাবৌ কাকূতি কৰি চাপৰি পালোগৈ।

মহাবাহুৰ ৰসাল চাপৰিত কৃষকে সপোন ৰচে। ঘৰৰ পৰা চাপৰিলৈ বহু দূৰ বাট। সৰিয়হৰ হালধীয়া ফুলবোৰে ধৰণীৰ কোলাত দলিচা পাৰিছে। আহ, অদ্ভুত সৌন্দৰ্যৰ সমাৱেশ কেমেৰাটো লগত নিয়া হ'লে মূহুৰ্তবোৰৰ সামৰি থ'লোহেঁতেন। পাছে সেইকণ সৌভাগ্যৰ পৰাহে বঞ্চিত হ'লো।



চাপৰিত অধিকাংশ ঠাইত কুঁহিয়াৰৰ খেতি। দেখিবলৈ পালো কুঁহিয়াৰৰ পৰা গুৰ তৈয়াৰ কৰা প্ৰক্ৰিয়া। তন্ন তন্নকৈ সকলো এফালৰ পৰা লক্ষ্য কৰিলো। কুঁহিয়াৰ ৰসৰ লগতে পনীয়া গুৰৰ মিঠা সোৱাদে সঞ্চিত কৰিলে জীৱনৰ এক মিঠা অভিজ্ঞতা। জীৱনৰ প্ৰতিটো তিতা-মিঠা অভিজ্ঞতাবোৰেই আমাৰ বাবে স্মৃতি হৈ ৰয়।

শাৰী শাৰীকৈ থকা বগৰী গছবোৰে নিঃসন্দেহে দাঙি ধৰিছে চাপৰিৰ প্ৰকৃত পৰিচয়। লুইতৰ সেই মনোমোহা চাপৰি, যাক লৈ কবিয়ে কবিতা ৰচে, গীতিকাৰে গীতৰ সৃষ্টি কৰে। মোৰ পক্ষে সেয়া সম্ভৱ নহয়। দুনয়নৰ তৃপ্তিতে সীমাবদ্ধ মোৰ কল্পনাৰ সীমাৰেখা, ইতিমধ্যে বেলি লহিয়াবৰ হ'ল। আমিও ঘৰমুৱা হ'লো। হয়তো কালিলৈ সত্ৰনগৰীৰ আনসত্ৰবোৰো দেখাৰ সৌভাগ্য ঘটিব। কেতিয়াবা মনৰ মাজত কেতবোৰ প্ৰশ্ন ই ভুমুকি মাৰেহি। কি অসাধাৰণ জীৱন শৈলী, ভক্তি ৰসত নিজকে বিলীন কৰিয়েই জীৱনৰ সৰ্বস্ব সুখ-আনন্দ আহৰিত কৰে এইসকল মহাত্মাই!!

*ক্ৰমশঃ*





## দক্ষিণ আফ্ৰিকাত টেষ্ট নেখেলে ৰোহিতে, এদিনীয়াৰ পৰা আঁতৰি থাকিব বিৰাট

# টীম ইণ্ডিয়াত বিভাজনৰ স্পষ্ট প্ৰতিফলন

**মুম্বাই, ১৪ ডিচেম্বৰ ঃ** ভাৰতীয় ক্ৰিকেট দলৰ দক্ষিণ আফ্ৰিকা ভ্ৰমণত টীম ইণ্ডিয়াৰ দুই অধিনায়ক বিৰাট কোহলি আৰু ৰোহিত শৰ্মাই একেলগে এখনো মেচ নেখেলে। অৰ্থাৎ বিৰাটৰ নেতৃত্বত নেখেলে ৰোহিতে। আনহাতে, ৰোহিতৰ নেতৃত্বত নেখেলে বিৰাটে। উল্লেখ্য যে আঘাতৰ বাবে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলৰ পৰা বাদ পৰিছে অপেনাৰ তথা দলৰ সহঃঅধিনায়ক ৰোহিত শৰ্মা। মুম্বাইত অনুশীলন কৰি থকাৰ সময়তে আঘাত পাই ৰোহিতে। উল্লেখ্য যে চলিত মাহতে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটো ইতিমধ্যে ঘোষণা কৰিছিল বি চি চি আয়ে। দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-20 ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছিল পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। কিন্তু এতিয়া ৰোহিতে দক্ষিণ আফ্ৰিকাত হ'বলগা টেষ্ট শৃংখলাত অংশ ল'ব নোৱাৰিব। তেওঁৰ স্থানত নিৰ্বাচকে অন্তৰ্ভুক্ত কৰিছে প্ৰিয়াংক পাঞ্চলক। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26-30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11-15 জানুৱাৰীত অনুষ্ঠিত হ'ব। ইফালে, টেষ্ট শৃংখলা সমাপ্ত হোৱাৰ পাছত আৰম্ভ হ'ব দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলা। বি চি চি আইৰ নিৰ্বাচকে ভাৰতীয় দলৰ এদিনীয়াৰ নেতৃত্বৰ পৰা বিৰাট কোহলিক আঁতৰাই নতুন অধিনায়কৰূপে ৰোহিত শৰ্মাৰ নাম ঘোষণা কৰিছে। কিন্তু দক্ষিণ আফ্ৰিকাত তিনিখনীয়া এদিনীয়া শৃংখলাৰ পৰা আঁতৰি থাকিব বিৰাট। ভাৰতীয় দল ঘোষণা কৰা হোৱা নাই যদিও বিৰাটে এই সিদ্ধান্তৰ বিষয়ে বি চি চি আইক অৱগত কৰিছে।

# উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত আইটা জুনিয়ৰ ৰেংকিং প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** গুৱাহাটীৰ উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত আজিৰে পৰা আৰম্ভ হৈছে 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। আজি আইটাৰ ৰাজ্যিক প্ৰতিযোগিতাখন উদ্বোধন কৰে ক্ৰীড়া সঞ্চালক নিবেদন দাস পাটোৱাৰীয়ে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে অসম টেনিছ সন্থাৰ কোষাধ্যক্ষ স্বপ্নিল বৰঠাকুৰ আৰু উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনৰ সভাপতি নবীন শৰ্মা। আজি প্ৰথমদিনা আইটা জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনত ল'ৰা-ছোৱালীৰ 10 বছৰ অনূৰ্ধ শাখাৰ খেল হোৱাৰ লগতে ল'ৰাৰ 12 বছৰ অনূৰ্ধ শাখা আৰু 14 বছৰ অনূৰ্ধ শাখাৰ খেল অনুষ্ঠিত হয়। উল্লেখ্য যে উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত আৰম্ভ হোৱা 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত ল'ৰাৰ বয়স শাখা তিনিটা হ'ল 10, 12, 14 আৰু 18 বছৰ অনূৰ্ধ তথা ছোৱালীৰ শাখা দুটা হ'ল 10, 14 আৰু 18 বছৰ অনূৰ্ধ। অহা 19 ডিচেম্বৰলৈ চলিব আইটা জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখন। উল্লেখ্য যে অসম টেনিছ সন্থাই ইতিমধ্যে নতুন ছিজনৰ বিভিন্ন প্ৰতিযোগিতাৰ দিন আৰু স্থান নিশ্চিত কৰি সূচী ঘোষণা কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি অহা 25 আৰু 26 ডিচেম্বৰত নৰ্থ ইষ্ট টেনিছ ফাউণ্ডেছনৰ ক'ৰ্টতে অনুষ্ঠিত হ'ব প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণি সদৌ অসম প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলাৰ উক্ত ৰাজ্যিক প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ বয়স শাখা তিনিটা হ'ল 35, 45 আৰু 55 বছৰ উৰ্দ্ধৰ তথা মহিলাৰ একমাত্ৰ শাখাতো হ'ল 55 বছৰ উৰ্দ্ধৰ। যোগদানৰ অন্তিম তাৰিখ 23 ডিচেম্বৰ।



## প্ৰাইজমানি দিবা-নৈশ ভলীবল

**অগ্ৰদূত বাৰ্তা,**
**মাটিয়া, ১৪ ডিচেম্বৰ ঃ** জয়দেৱ দাস সোঁৱৰণী প্ৰাইজমানি দিবা-নৈশ ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে দ্যা ব্ৰাদাৰ্চ কোম্পানী দলে। উল্লেখ্য যে দুদিনীয়া ভলীবল প্ৰতিযোগিতাখনৰ ফাইনেলত দ্যা ব্ৰাদাৰ্চ কোম্পানী দলে খেলে ভোকোৰাদিয়া ভলীবল দলৰ বিৰুদ্ধে। পোনপটীয়া ব্যাৱধানত ভোকোৰাদিয়া ভলীবল দলক পৰাস্ত কৰি চেম্পিয়ন হয় দ্যা ব্ৰাদাৰ্চ কোম্পানী দল। উল্লেখ্য যে দুদিনীয়া প্ৰাইজমানি দিবা-নৈশ ভলীবল প্ৰতিযোগিতাখন 16 টা দলে অংশ লৈছিল।

# প্ৰথম টি-২০ মেচত ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে পাকিস্তানৰ সহজ জয়লাভ

**কৰাচি, ১৪ ডিচেম্বৰ ঃ** পাকিস্তানে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচত জয়লাভ কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত পাকিস্তানে 63 ৰাণত পৰাস্ত কৰে কেৰিবিয়ান বাহিনীক। পোনতে বেটিং কৰা পাকিস্তানে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 200 ৰাণ। দলৰ হৈ অপেনাৰ মহম্মদ ৰিজৱানে 78, হাইদৰ আলীয়ে 68 আৰু মহম্মদ নাৱাজে 30 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজ 19 অভাৰত 137 ৰাণত অলআউট হয় আৰু দলে 63 ৰাণত পৰাজয় স্বীকাৰ কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ছাই হ'পে 31, পাৰেলে 23 আৰু স্মিথে 24 ৰাণ কৰে। পাকিস্তানৰ হৈ মহম্মদ ৱাছিমে চাৰিটা আৰু ছাদাব খানে তিনিটা উইকেট পায়। উল্লেখ্য যে পাকিস্তান ভ্ৰমণলৈ অহা ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ তিনিজন সদস্যৰ শৰীৰত কৰ'না ভাইৰাছ ধৰা পৰিছে। কৰ'নাত আক্ৰান্ত ক্ৰিকেটাৰ তিনিগৰাকী হ'ল কিল মায়েৰ্ছ, ছেলডন ক'ট্ৰেল আৰু ৰ'ষ্টন চেছ। সম্প্ৰতি তিনিওজনে আছুতীয়াকৈ ৰখা হৈছে হোটেলৰ কোঠাত। তিনিজন সদস্যই চলিত তিনিখনীয়া টি-20 শৃংখলাত খেলিব নোৱাৰে।



## পল্লৱ ফুকন প্ৰাইজমানি ফুটবল

# গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা,**
**শিমলুগুৰি, নাজিৰা, ১৪ ডিচেম্বৰ ঃ** গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত চলি থকা ৰাষ্ট্ৰীয় খেলুৱৈ পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত জয়লাভ কৰে আয়োজক গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই। দলে 2-0 গলত পৰাস্ত কৰে লাকুৱা ফুটবল একাদশক। উল্লেখ্য যে পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত শিৱসাগৰ একাদশে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল নাজিৰা ইডানি একাদশক। আনহাতে, উত্তেজনাপূৰ্ণ দ্বিতীয়খন মেচত দিখৌ-দিচাং ফুটবল একাদশে একমাত্ৰ গ'লত পৰাস্ত কৰে চৰাইদেউ ফুটবল একাদশক।





## গুৱাহাটীত এছ জে এফ আইৰ সভা-নিৰ্বাচন

# নতুন কমিটীত প্ৰথমবাৰৰ বাবে অসমৰ তিনি প্ৰতিনিধি

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** আজি গুৱাহাটীৰ লেণ্ডমাৰ্ক হোটেলত অনুষ্ঠিত হয় ভাৰতীয় ক্ৰীড়া সাংবাদিক ফেডাৰেছনৰ বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্বাচন। উল্লেখ্য যে ভাৰতীয় ক্ৰীড়া সাংবাদিক ফেডাৰেছনৰ নৱগঠিত কমিটীলৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ তিনিজন সদস্য। বিদ্যুৎ কলিতা কোষাধ্যক্ষ নিৰ্বাচিত হোৱাৰ লগতে পাৰ্থ চক্ৰৱৰ্তী আৰু সুষিম ঘোষ ভাৰতীয় ক্ৰীড়া সাংবাদিক ফেডাৰেছনৰ কাৰ্যকৰী কমিটীৰ সদস্য হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। ইফালে, ভাৰতীয় ক্ৰীড়া সাংবাদিক ফেডাৰেছনৰ বিদায়ী সভাপতি তথা অসম ক্ৰীড়া সাংবাদিক সন্থাৰ বৰ্তমানৰ সভাপতি সুবোধ মল্ল বৰুৱা ভাৰতৰ পৰা আন্তৰ্জাতিক ক্ৰীড়া সাংবাদিক সন্থাৰ লগত নতুন সম্পৰ্কৰক্ষাকাৰী সদস্য হিচাপে নিৰ্বাচিত হৈছে। ভাৰতীয় ক্ৰীড়া সাংবাদিক ফেডাৰেছনৰ নৱগঠিত 15 জনীয়া কমিটীৰ সভাপতি এ বিনোদ হোৱাৰ বিপৰীতে সম্পাদকৰূপে নিৰ্বাচিত হৈছে প্ৰশান্ত কেনী।

# ৰাজ্যিক যোগাসনত শোণিতপুৰৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৪ ডিচেম্বৰ ঃ** গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰাজ্যিক যোগাসন প্ৰতিযোগিতাত শোণিতপুৰ দলে অনবদ্য প্ৰদৰ্শন কৰি গৌৰৱময় সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ৰাজ্যিক যোগাসন প্ৰতিযোগিতাত অংশ লোৱা শোণিতপুৰ দলে পাঁচটা সোণৰ পদকসহ মুঠ 15 টা পদক লাভ কৰিছে। 15 টা পদকৰ ভিতৰত আছে তিনিটা ৰূপৰ আৰু সাতটা ব্ৰঞ্জৰ। শোণিতপুৰ দলৰ ভাস্বতী বৰুৱাই অনবদ্য প্ৰদৰ্শন কৰি তিনিটা সোণ লাভেৰে গৌৰৱময় সফলতা অৰ্জন কৰে। ইফালে, ৰাজ্যিক যোগাসন প্ৰতিযোগিতাখনত দুটা সোণ লাভ কৰে হৰ্ষিতা গোস্বামীয়ে। ইফালে, শোণিতপুৰ দলে অনবদ্য প্ৰদৰ্শন কৰি প্ৰতিযোগিতাত শৃংখলাবদ্ধ দলৰ সন্মানো লাভ কৰে।



## বৰপেটাৰ জয়লাভ

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নেহৰু ষ্টেডিয়ামত হোৱা মেচত শিলচৰ জিলা দলে সাত উইকেট পৰাস্ত কৰে মৰিগাঁও জিলা দলক। পোনতে বেটিং কৰি মৰিগাঁও জিলা দলে 94-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শিলচৰ জিলা দলে 98-3 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। ইফালে, আমিনগাঁও খেলপথাৰত আজি হোৱা মেচখনত বৰপেটা জিলা দলে আঠ ৰাণত পৰাস্ত কৰে ৰঙিয়া জিলা দলক। পোনতে বেটিং কৰি বৰপেটা জিলা দলে 216-7 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ৰঙিয়া জিলা দলে যোগ্য প্ৰত্যুত্তৰ দিয়াৰ পাছতো 208-7 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা 21 ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব। ইতিমধ্যে গুৱাহাটী আৰু ধেমাজিয়ে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

## ছিনিয়ৰ আন্তঃজিলা নেটবল প্ৰতিযোগিতাৰ সামৰণি

# পুৰুষত নাজিৰা, মহিলাত বাগ্‌সা চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ১৪ ডিচেম্বৰ ঃ** গোৰেশ্বৰত অনুষ্ঠিত হোৱা ছিনিয়ৰ আন্তঃজিলা নেটবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। পুৰুষ আৰু মহিলাৰ উক্ত ছিনিয়ৰ আন্তঃজিলা নেটবল প্ৰতিযোগিতাত পুৰুষ শাখাত নাজিৰা চেম্পিয়ন হোৱাৰ বিপৰীতে ৰানাৰ্ছ আপ হয় তিনিচুকীয়া। আনহাতে, মহিলাৰ চেম্পিয়ন হয় বাগসা। নাজিৰা দল ৰানাৰ্ছ আপ হয়। উল্লেখ্য যে দুদিনীয়া উক্ত ছিনিয়ৰ আন্তঃজিলা নেটবল প্ৰতিযোগিতাখনৰ মেচ দিনৰ লগতে নিশাও অনুষ্ঠিত হয়। আয়োজক গোৰেশ্বৰ আঞ্চলিক ক্ৰীড়া সন্থা তথা বাগসা জিলা নেটবল সন্থাই অৱগত কৰা অনুসৰি পুৰুষ আৰু মহিলাৰ উভয় শাখাৰ উক্ত ৰাজ্যিক নেটবল প্ৰতিযোগিতাত ৰাজ্যৰ মুঠ 15 খন জিলাৰ দলে অংশ লৈছিল। পুৰুষ আৰু মহিলাৰ সামগ্ৰিক দলৰ সংখ্যা হ'ল 26 টা। উল্লেখ্য যে অসমৰ অসম অলিম্পিক সন্থাই স্বীকৃতি দিয়া ক্ৰীড়া জিলাৰ সংখ্যা 40 ৰ ওপৰত। কিন্তু সদ্য সমাপ্ত ছিনিয়ৰ আন্তঃজিলা নেটবল প্ৰতিযোগিতাত 15 খন জিলাৰ দলে অংশ লোৱা বিষয়টোৱে অসম নেটবল সন্থাৰ সাংগঠনিক দুৰ্বলতা তথা অক্ষমতা আকৌ এবাৰ প্ৰতিফলিত কৰিলে। অসম অলিম্পিক সন্থাই এই দিশত কি ব্যৱস্থা লয় সেয়া লক্ষ্যনীয় হ'ব।



# আৰ জি ক্ৰিকেটত বঙাইগাঁও-তেজপুৰৰ জয়

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ এলিট গ্ৰুপৰ আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত বঙাইগাঁও জিলা দলে 135 ৰাণত পৰাস্ত কৰে লখিমপুৰ জিলা দলক। পোনতে বেটিং কৰি বঙাইগাঁও জিলা দলে 251-9 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, লখিমপুৰ জিলা দলে 116-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, বৰ্ষাপাৰা ষ্টেডিয়ামতে আজি হোৱা অন্য এখন মেচত তেজপুৰ জিলা দলে ন উইকেটত পৰাস্ত কৰে গোলাঘাট জিলা দলক। পোনতে বেটিং কৰি গোলাঘাট দলে 72-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত তেজপুৰ জিলাই এক উইকেট হেৰুৱাই 74 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত 41 টা দলক ভাগ কৰা হৈছিল। প্লেট গ্ৰুপৰ মেচৰ সামৰণিৰ পাছত এতিয়া আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ। প্লেট গ্ৰুপৰ পৰা দুটা দল যোগ্যতা অৰ্জন কৰিছে এলিট গ্ৰুপলৈ।

# অন্তিম মেচত ৰেলৱেৰ বিৰুদ্ধে সন্তুষ্টিৰ জয় অসম ক্ৰিকেট দলৰ

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট দলে চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ অন্তিমখন মেচত ৰেলৱেৰ বিৰুদ্ধে 62 ৰাণত সন্তুষ্টিৰ জয়লাভ কৰিছে। আজি পোনতে বেটিং কৰা অসমে 50 অভাৰত আঠ উইকেট হেৰুৱাই 267 ৰাণ কৰে। দলৰ হৈ অপেনাৰ ঋষভ দাসে 66 টা বলত 14 টা বাউণ্ডেৰীসহ 71 ৰাণ কৰে। আনহাতে, ৰিয়ান পৰাগে 66, অম্লানজ্যোতি দাসে 29, স্বৰূপম পুৰকায়স্থই 23 আৰু মুখতাৰ হুছেইনে 21 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৰেলৱে দলে 48.1 অভাৰত 205 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ মহম্মদ ছৰিফে 52 আৰু বিবেক সিঙে 41 ৰাণ কৰে। অসমৰ প্ৰতীম দাসে তিনিটা তথা ৰিয়ান পৰাগ, মুখতাৰ আৰু স্বৰূপমে দুটাকৈ উইকেট পায়। উল্লেখ্য যে চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম চাৰিখন মেচত ক্ৰমাগত লজ্জাজনক পৰাজয়ৰ সন্মুখীন হৈছিল অসম ক্ৰিকেট দল। অসমক অন্তিম মেচত 142 ৰাণত পৰাস্ত কৰিছিল ৰাজস্থানে। ৰাজস্থানৰ 335 ৰাণৰ প্ৰত্যুত্তৰত অসমে 39.1 অভাৰত 193 ৰাণত ইনিংছ সামৰিছিল। ইয়াৰপূৰ্বে তৃতীয়খন মেচত অসম মুখামুখি হৈছিল পঞ্জাৱৰ। মেচখনত অসমক 10 উইকেটত পৰাস্ত কৰে পঞ্জাৱে। পোনতে বেটিং কৰা অসমে 34.5 অভাৰতে ইনিংছ সামৰিছিল মাত্ৰ 125 ৰাণত। ইফালে, অসমে দ্বিতীয় মেচ খেলিছিল ছাৰ্ভিচেজৰ বিৰুদ্ধে। চাৰি উইকেটত অসমক পৰাস্ত কৰে ছাৰ্ভিচেজে। পোনতে বেটিং কৰি অসমে 49.5 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 206 ৰাণত ইনিংছ সমাপ্ত কৰিছিল। উল্লেখ্য যে প্ৰথম মেচতে গোৱাই পাঁচ উইকেটত পৰাস্ত কৰিছিল অসমক। পোনতে বেটিং কৰি অসমে 50 অভাৰত ন উইকেট হেৰুৱাই 215 ৰাণ কৰিছিল।



# ষ্টাৰ স্পৰ্টিং ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ১৪ ডিচেম্বৰ ঃ** দুধনৈৰ ষ্টাৰ স্পৰ্টিং ক্লাবে কেশৱ চন্দ্ৰ বাসাক ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন হৈছে। ধূপধৰা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা আন্তঃক্লাব ক্ৰিকেট প্ৰতিযোগিতাখনৰ ফাইনেলত দুধনৈৰ ষ্টাৰ স্পৰ্টিং ক্লাবে (291-5 ৰাণ) 23 ৰাণত পৰাস্ত কৰে ধূপধৰাৰ এভাৰগ্ৰীন ক্লাবক (268-10 ৰাণ)। চেম্পিয়ন দুধনৈৰ ষ্টাৰ স্পৰ্টিং ক্লাবে 30 হেজাৰ আৰু ৰানাৰ্ছআপ ধূপধৰাৰ এভাৰগ্ৰীন ক্লাবে 20 হেজাৰ টকা প্ৰাইজমানি লাভ কৰে। উল্লেখ্য যে কেশৱ চন্দ্ৰ বাসাক ক্ৰিকেট প্ৰতিযোগিতাত অংশ লয় অসম দলৰ হৈ খেলা কেবাজনো প্ৰাক্তন খেলুৱৈয়ে।



## বিলাসনন্দন চ'ৰা



# গংগাস্নানো এটা ইভেণ্ট

আজিৰ দিনত নৰ্মেল বুলি একো নাই। দিল্লীৰ বাদশ্বাহে যি কৰে আটাইবোৰেই একো একো ইভেণ্ট। মানে ঘটনা। বাদশ্বাহক লৈ যিমানেই ৰটনা নচলক কিয়, তেওঁ ঘটনা ঘটাবলৈ নেৰে। কাৰণ তেওঁ জানে যে বিভিন্ন ধৰণৰ দৃশ্যমান হোৱা বা অদৃশ্য হোৱাৰ দৰে ঘটনাবোৰ ঘটায়ে মৰ্ত্যৰ অৱতাৰবোৰে নিজকে ভগৱানৰূপে প্ৰমাণ কৰি দিছিল আৰু লোকৰ পৰা পূজা-অৰ্চনা আদায় কৰি ল'ব পাৰিছিল। বাদশ্বাহে, কেৱল বাদশ্বাহেই কিয় তেওঁৰ সাংগোপাংগসকলে দিনে-ৰাতিয়ে এটাই চেষ্টা কৰি আহিছে। সেয়া হ'ল ভোটবোৰ পূজালৈ সলনি হওক। ই ভি এম মেচিনটো ই পি এমলৈ সলনি হওক। মানে এচেন্সিয়েল পূজা মেচিন। বুটাম টিপাৰ লগে লগে ফুল-নিৰ্মালি লৈ চিধাই দিল্লীৰ দৰবাৰৰ বেদীত পৰিবগৈ! এই মেচিনটো ততাতৈয়াকৈ দেছখনত চালু কৰি দিবলৈ বাদশ্বাহ আৰু তেওঁৰ সাংগোপাংগসৰে উঠি পৰি লাগিছে। বাকী আৰু বহু লিডাৰ আছে; কিন্তু বাদশ্বাহৰ দৰে তেৰাসৰৰ পি এইছ ডি নাই। মানে 'পলিটিকেল হিপন'টাইজ ডিপাৰ্টমেণ্ট'ৰ বাদশ্বাহ বিশ্বগুৰু। ৰাজনৈতিকভাৱে প্ৰজাগণৰ মন-মগজু, নাক-কাণ তেওঁ যেনেকৈ হিপন'টাইজ কৰি অচল কৰি পেলাব পাৰে, সেই কেপাচিটি বেলেগবিলাকৰ নাই। এই সাত বছৰতো তেওঁ পাব্লিকক হিপন'টাইজ কৰিয়ে চলি আহিছে। তেওঁৰ এই হিপন'টাইজ কৰা কেপাচিটীৰ ফলতে আজি দেছখনত কিমানবোৰ দেছভক্তৰ জন্ম হৈছে, যাৰ চকুও নাই, মগজো নাই। এই দেছভক্তসৰৰ চকুৰ পাৱাৰ যিমানে নাইকিয়া হ'ব, সিমানে বাদশ্বাহহঁতৰ পলিটিকেল পাৱাৰ বাঢ়ি যাব আৰু মগজুৰ বেটাৰী যিমানেই ডাউন হ'ব, সিমানেই বাদশ্বাহহঁতৰ হিটলাৰ কোম্পানীৰ বেটাৰী চাৰ্জড হৈ গৈ থাকিব। সেই কাৰণে পিএইছডিৰ হাণ্ড্ৰেড পাৰ্চেণ্ট এপ্লিকেছনকে প্ৰথম আৰু প্ৰধান লক্ষ্য হিচাপে স্থিৰ কৰা হৈছে। তাৰ বাবে আটাইতকৈ দৰকাৰী কথাটো হ'ল বাদশ্বাহে অৱতাৰী ৰূপ ধাৰণ কৰা।



অৱতাৰ হ'ব লাগিলে কি কৰিব লাগিব? ইভেণ্ট, মানে ঘটনা ঘটাব লাগিব। বাদশ্বাহে কৰা যিকোনো কামেই যে সাধাৰণ ঘটনা নহয়, তেওঁ কোৱা যিকোনো কথাই যে আকাশবাণীতকৈ কোনোগুণে কম নহয়, সেয়া প্ৰজাগণক জনাব লাগিব। জনোৱাত কোনো প্ৰব্লেম নাই। চেনেলৰ চুঙাবোৰ আজিকালি দিল্লীৰ দৰবাৰৰ গুদামতে পৰি থাকে। তাৰ পৰা এটা এটাকৈ তুলি লৈ গ'লেই হ'ল। দানৱীয় চিঞৰ-বাখেৰেৰে মেকুৰীটোক বাঘ বনাই পেলাবলৈ দানৱ গোস্বামীহঁততো আছেই। গতিকে চিন্তা কিহৰ? ঘটনা ঘটি যাব। পুতেকে মাকক চাবলৈ আহেই! কিন্তু চৈধ্য-পোন্ধৰটাকৈ চুঙাৰে পৰিবেষ্টিত হৈ বাদশ্বাহে মাকক চাবলৈ অহাটো এটা অৱতাৰী ঘটনা। ৰাস্তাৰ জাবৰ দেখিলে বহুতে তুলি নি ডাষ্টবিনত পেলাই দিয়ে। কিন্তু বাদশ্বাহে তুলি নি পেলাই দিয়াটো এটা বিৰল ঘটনা, যাৰ কাৰণে সেয়া কেমেৰাত বন্দী হয়। মৰ্ণিং ৱাক বহুতে কৰে। কিন্তু বাদশ্বাহক মৰ্ণিং ৱাক কৰা দেখিলে চৌদিশে ময়ূৰে পেখম ধৰি তেওঁক অভিবাদন জনায়। সেই দৃশ্যৰ ভিডিঅ' কৰি নিমিষতে ভাইৰেল কৰি দিয়া হয়। কাৰণ এইবোৰ ঘটনা।

গংগাত দৈনিক লক্ষ লক্ষ জনতাই ডুব মাৰে। নিয়মমাফিক চাবলৈ গ'লে এইটো একেবাৰে সৰু কথা। কিন্তু শ শ চুঙাৰ সন্মুখত হাত জোকাৰি জোকাৰি বাদশ্বাহে গংগাত ডুব মৰাটো কম ডাঙৰ ঘটনা হোৱা নাই। বেলেগ দেছৰ মানুহে এই টেলিকাষ্ট দেখিলে ফিল কৰিব যে ইয়াৰ আগেয়ে কোনেও গংগাত ডুব মৰাই নাছিল, বাদশ্বাহেই প্ৰথম। পিছে এনে এটা বিৰল ঘটনা ঘটোৱাৰ পাছতো বাদশ্বাহৰ মনটো মৰা। গংগাত ডুবটো মাৰি উঠি অহাৰ পাছৰে পৰা তেওঁক কিবা দুশ্চিন্তাত থকা যেন লাগিছে। বাদশ্বাহৰ গা মচি দিবলৈ হাতে হাতে টাৱেল লৈ দৌৰি অহা ভক্তগণে বাদশ্বাহক সুধিলে— 'জাহাপনা, গংগা আইক দেখিলেনে?'

ঃ দেখিলো।

ঃ কি ক'লে?

ঃ কিয় নাজানো, মোক দেখিয়ে দেখোন নাক-মুখ কোঁচাই দিলে। চকু দুটাত তীব্ৰ খং।

ঃ তাৰ পাছত?

ঃতাৰ পাছত সুধিলে ভাগিৰথ ক'ত আছে? তাৰ বৰ্তমানৰ এড্ৰেছ কি? মই সুধিলো কিয় লাগে ভাগিৰথৰ এড্ৰেছ!

ঃ কি ক'লে গংগাই?

বাদশ্বাহে মুখ গোমোঠাই ক'লে— 'ভাগিৰথেই তেওঁক স্বৰ্গৰ পৰা নমাই আনি দুনীয়াৰ পাপিষ্ঠবোৰক গা ধোৱাৰ চান্স দিয়াই দিছে বোলে। সেই কাৰণে তামাম খং উঠি আছে গংগাৰ!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*




# কৰ'নাৰ বাবে ৫০ দিন কমাত, জ্ঞান অহাত দেখিলে নিজৰ সন্তানক

## চিকিৎসালয়ত অজ্ঞান অৱস্থাতে প্ৰসৱ কৰিলে মহিলাই



**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ১৪ ডিচেম্বৰ ঃ** কৰ'নাত আক্ৰান্ত হৈ কমাত গৈছিল এগৰাকী অন্তঃসত্ত্বা মহিলা। ৫০ দিনৰ পাছত জ্ঞান ঘূৰি অহাত তেওঁ দেখা পালে নিজৰ নৱজাত সন্তানক। মাত্ৰ এমাহ বয়সৰ কন্যা সন্তান। জন্মৰ প্ৰথম মাহটো সেই নৱজাতকে মাতৃস্নেহ অবিহনেই অতিক্ৰম কৰিছিল। সেইদৰে মাতৃয়েও দেখা নাপালে তেওঁৰ কন্যাৰ প্ৰথম স্নান, শুনিবলৈ নাপালে প্ৰথম ক্ৰন্দন, অনুভৱ কৰিব নোৱাৰিলে প্ৰথম স্পৰ্শ। নিজৰ গৰ্ভস্থ সন্তানৰ বহু কিবাকিবিয়েই তেওঁৰ দেখা নহ'ল।

আমেৰিকাৰ এই মহিলাগৰাকী হৈছে লৰা ৱাৰ্ড, এখন স্কুলৰ সহ শিক্ষয়িত্ৰী। যোৱা অক্টোবৰত তেওঁৰ সন্তান প্ৰসৱৰ কথা আছিল। অৱশ্যে চিকিৎসকে প্ৰায় দুমাহৰ পূৰ্বে অৰ্থাৎ জুলাইৰ অন্তিম ভাগতে প্ৰসৱ কৰায়। কাৰণ সেই সময়ত লৰা আছিল কমাত। অৱশ্যে তাৰ আগতেই তেওঁ শুনিছিল যে সন্তানক সময়ৰ পূৰ্বেই প্ৰসৱ নকৰাৰে বিপদৰ আশংকা আছে। এই ক্ষেত্ৰত মাতৃ-সন্তান উভয়েই নাবাচিব। সেয়ে জ্ঞান হেৰুওৱাৰ পূৰ্বে মূৰ দুপিয়াই লৰাই অস্ত্ৰোপচাৰৰ অনুমতি দিছিল। ইয়াৰ পাছত লৰাৰ জ্ঞান ঘূৰি আহে যোৱা ৩০ ছেপ্টেম্বৰত। অথচ জ্ঞান ঘূৰি অহাৰ পাছত আৰম্ভ হয় নতুন যন্ত্ৰণা। শাৰীৰিকভাৱে সম্পূৰ্ণ অক্ষম হৈ পৰিছিল লৰা। হাতৰ আঙুলি এটাও লৰচৰ কৰিব নোৱৰা অৱস্থা হৈছিল। পৰৱৰ্তী সময়ত লৰাই জনায় যে কন্যা সন্তানক চকুৰ আগত দেখাৰ পাছতো নিজৰ হাতত তুলি ল'ব নোৱৰাৰ বেদনাই তেওঁক খুলি খুলি খাইছিল। সমগ্ৰ পৰিস্থিতিয়েই আছিল অতি হতাশজনক। তাৰ পাছতো অৱশ্যে তেওঁক সাহস যোগাইছিল স্বামী আৰু ডাঙৰ পুত্ৰ উইলিয়ামে। লৰাই কয় যে জীয়াই থকাৰ বাবে যিবোৰ প্ৰাথমিক কাম কৰাৰ দৰকাৰ, তাৰ কোনোটোৱেই তেওঁ কৰিব পৰা নাছিল। এটি শিশুৰ দৰেই তেওঁ নতুনকৈ খাদ্য খোৱা, ব্ৰাছ কৰা, আনকি খোজকঢ়া আদি কামবোৰ শিকিবলগীয়া হৈছিল। এইবোৰ কামত তেওঁক সহায় কৰিছিল স্বামী আৰু বৰপুত্ৰ উইলিয়ামে।

জুনৰ শেষ ভাগত লৰা অসুস্থ হৈ পৰিছিল। তাৰ পাছৰ পৰা পাঁচখন হাস্পতালত বিভিন্ন পৰ্যায়ত তেওঁৰ চিকিৎসা চলে। অথচ এতিয়াও তেওঁ ঘৰলৈ উভতিব পৰা নাই। ইপিনে, লৰাৰ স্বামী লীয়ে পণ লৈছিল যে পত্নী সুস্থ হৈ ঘৰলৈ ঘূৰি নহা পৰ্যন্ত তেওঁ নৱজাত কন্যাৰ নামকৰণ নকৰে। অৱশ্যে সেই প্ৰতিজ্ঞা তেওঁ লৰাৰ অনুৰোধতে ভাঙিবলৈ বাধ্য হয়। পতি-পত্নীয়ে কন্যাৰ নাম ৰাখিলে 'হোপ'। হাস্পতালৰ নাৰ্ছসকলে জনোৱা মতে, লৰাই কম সময়তে যথেষ্ট শাৰীৰিক উন্নতি ঘটাইছে। অৱশ্যে লৰাই ইয়াৰ অন্তৰালত থকা কাৰণো বিচাৰি পাইছে। লৰাই কয় যে সন্তানদ্বয়ক বিশেষকৈ সদ্যোজাত কন্যাক নিজৰ হাতেৰে দাঙি কোলাত লোৱাৰ অদম্য ইচ্ছাৰ বাবেই তেওঁ নিশ্চিত মৃত্যুৰ মুখৰ পৰা ঘূৰি আহিব পাৰিছে। নামৰ ক্ষেত্ৰত লৰা কিছু বেছিয়েই আবেগপ্ৰৱণ। অৱশ্যে কন্যাৰ বাবে সেই নামটোৱেই তেওঁৰ পছন্দ হৈছে। 'হোপ' মানে আশা, যি মানুহক জীয়াই ৰাখে।



# বংশৰত নাৰ্জী ফুলৰ হাঁহিয়ে আনিছে নতুন দিগন্তৰ বতৰা

## গাঁওখনৰ প্ৰতিজন লোকেই ব্যস্ত ফুলৰ খেতিত

অগ্ৰদূতবাৰ্তা
শুৱালকুছি, ১৪ ডিচেম্বৰ ঃ কামৰূপ জিলাৰ কৃষিপ্ৰধান কিছমৎ বংশৰ অঞ্চল সম্প্ৰতি সুৰভিত হৈ আছে নাৰ্জী ফুলৰ মনোমোহা পৰিমলেৰে। বংশৰৰ পথাৰসমূহত এতিয়া যিফালেই চোৱা যায়, সেই ফালেই দেখা যাব সোণবৰণীয়া, তেজবৰণীয়া নাৰ্জী ফুলৰ হাঁহি। ৰঙৰ পোহাৰ মেলা এই খেতিপথাৰসমূহে এতিয়া পথচাৰীৰ চকুত চমক লগোৱাৰ লগতে মন-প্ৰাণ জুৰাইছে। ইয়াৰ সমান্তৰালকৈ বিভিন্ন প্ৰজাতিৰ নাৰ্জী ফুলৰ হাঁহিয়ে বংশৰবাসীৰ লগতে ৰাজ্যৰ অন্যান্য স্থানৰ নিবনুৱাৰ বাবেও দিছে নতুন দিগন্তৰ সন্ধান।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ অন্তৰ্গত কিছমৎ বংশৰৰ একাংশ কৃষকে নাৰ্জী ফুলৰ খেতি কৰি সম্প্ৰতি নৱ-প্ৰজন্মক দেখুৱাইছে স্বাৱলম্বিতাৰ নতুন পথ। বস্ত্ৰনগৰী শুৱালকুছিৰ দাঁতিকাষৰীয়া এক নম্বৰ কিছমৎ বংশৰৰ প্ৰায়সংখ্যক কৃষকে বিভিন্ন শস্যৰ উপৰি কৰে ফুলৰ খেতিও। যি সময়ত অসমৰ বিভিন্ন স্থানৰ কৃষি পথাৰৰ সৰিয়হ ফুলৰ বিনন্দীয়া সৌন্দৰ্যই পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিছে, তেনে সময়তে কিছমৎ বংশৰৰ পথাৰসমূহত নাৰ্জী ফুলৰ ৰঙৰ পোহাৰেও অনুপম দৃশ্যৰ সৃষ্টি কৰিছে। ঠিক যেন মৰ্ত্যলৈ নামি আহিছে নন্দন কানন। নাৰ্জী ফুলৰ দৃষ্টিনন্দন সৌন্দৰ্যই এতিয়া অঞ্চলটোৰ প্ৰতিজন লোকৰ খেতিপথাৰ তথা বাৰীসমূহৰ শোভাবৰ্ধন কৰিছে। কৃষকসকলে নিজৰ লগতে আন বহু পৰিয়ালৰ সহায় হোৱাকৈ উৎপাদন কৰা ফুল অসমৰ বিভিন্ন স্থানলৈ যোগান ধৰি আহিছে।

উল্লেখ্য যে নিতৌ পুৱা গুৱাহাটীৰ বহুতো পদপথত বহে ফুলৰ বজাৰ। দিনটোৰ বাবে লাগতিয়াল সতেজ ফুলবোৰৰ তাতে কিনা-বেচা হয়। বিভিন্ন ঠাইৰ পৰা ফুলৰ ব্যৱসায়ীসকল আহি ফুল ক্ৰয় কৰি তাৰে পৰাই বিভিন্ন স্থানলৈ যোগান ধৰে। পুৱতি নিশা প্ৰায় তিনি বজাতে কামৰূপৰ কিছমৎ বংশৰ অঞ্চলৰ ফুলৰ খেতিয়কসকল সাজু হয় মহানগৰীৰ ফুলৰ বজাৰলৈ। বছৰ বছৰ ধৰি প্ৰতিদিনে পুৱতি নিশা কামৰূপৰ কিছমৎ বংশৰৰ পৰা গুৱাহাটীলৈ গৈ ফুলৰ দৰ-দামত ব্যস্ত হৈ পৰে এই অঞ্চলৰ প্ৰায়সংখ্যক ফুলৰ খেতিয়ক আৰু যুৱকে। এদিন বজাৰলৈ যাব নোৱাৰিলেই যেন মনত দুখ, কিন্তু বছৰ জুৰি একাগ্ৰতাৰে লাগি থকা নিজৰ কামত কোনোপধ্যেই আপোচ নকৰে এই অঞ্চলৰ ফুলৰ খেতিয়কসকলে। ফুলৰ মাজতেই জীৱনটোক উপলব্ধি কৰে এই কৃষকসকলে। এই ফুলৰ খেতিয়েই কামৰূপৰ জালুকবাৰী সমষ্টিৰ এক নম্বৰ কিছমৎ বংশৰক এখন ব্যতিক্ৰমী গাঁৱত পৰিণত কৰিছে। এই গাওঁখনৰ প্ৰতিজন লোকেই ফুলৰ খেতিৰ স'তে নতুবা ফুলৰ ব্যৱসায়ৰ স'তে জড়িত। প্ৰায়সংখ্যক মালাকাৰ উপাধিৰ লোকৰ বসতিস্থল কিছমৎ বংশৰৰ এই নিবাসীসকলৰ বাবেই সম্প্ৰতি বজাৰত ফুলৰ চাহিদা লাহে লাহে বৃদ্ধি পাই আহিছে বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব। বিয়া, সভা-সমিতি, নানা অনুষ্ঠান শোভিত কৰিবলৈ ফুলৰ ব্যাপক প্ৰয়োগ হোৱা দেখা যায়। ইয়াৰ উপৰি পূজা-অৰ্চনাতো ফুলৰ ব্যাপক প্ৰয়োগ। গতিকে এই অঞ্চলৰ বাসিন্দাসকলে ফুলৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি থলুৱাভাৱে ফুলৰ খেতি কৰি এই চাহিদাসমূহ পূৰণ কৰাৰ সমান্তৰালকৈ আনকো দেখুৱাইছে স্বাৱলম্বিতাৰ বাট। এই সন্দৰ্ভত অঞ্চলটোত ফুলৰ খেতিৰে নিজে স্বাৱলম্বী হৈ দৰিদ্ৰ পৰিয়ালটোক পোহপাল দিয়া অমূল্য দাসে কয় যে সৰুৰে পৰা বিভিন্ন কৃষিকৰ্মৰ স'তে জড়িত হৈ প্ৰায় ১৫ বছৰৰ পৰা তেওঁ নাৰ্জী ফুলৰ খেতি কৰি যথেষ্ট লাভান্বিত হৈছে। তেওঁ ২০০৮ৰ পৰাই নাৰ্জী ফুলৰ খেতি কৰাৰ লগতে পৰম্পৰাগত ধান, মাহ, সৰিয়হ আৰু পাচলিৰ খেতিও কৰে। পাচলিৰ খেতিৰ বিপৰীতে নাৰ্জী ফুলৰ খেতিৰ ব্যৱসায়েৰে ইতিমধ্যে দাসে নিজকে প্ৰতিষ্ঠা কৰিছে। প্ৰায় ১৫ বছৰৰ পূৰ্বে দুকঠা মাটিত নাৰ্জী ফুলৰ খেতিৰে কাম আৰম্ভ কৰা দাসে বৰ্তমান প্ৰায় তিনি বিঘা মাটিত ফুলৰ খেতি কৰি আছে। আনহাতে, একে অঞ্চলৰ উদীয়মান ফুলৰ খেতিয়ক শংকৰ মালাকাৰে কয় যে তেওঁ এইবেলি তিনি কঠা মাটিত নাৰ্জী ফুলৰ খেতি কৰিছে আৰু প্ৰতি দিনেই পুৱা ফুল ছিঙি বিয়লি সেইবোৰৰ মালা গাঁঠি পুৱতি নিশাই গাৱঁৰে আন লোকৰ স'তে গুৱাহাটীলৈ বিক্ৰীৰ বাবে নিয়ে। ফুলৰ চাহিদাৰ সময়ত মাহিলি প্ৰায় ২০ৰ পৰা ৩০ হেজাৰ টকা পৰ্যন্ত ফুল বিক্ৰী কৰি লাভান্বিত হোৱা বুলি মালাকাৰে সদৰী কৰে। কৃষকসকলে চৰকাৰৰ বিয়াগোম কৃষি বিভাগৰ পৰা সা-সুবিধা পালে এই খেতিৰ দ্বাৰা অধিক লাভান্বিত হ'ব বুলিও তেওঁ মতামত দাঙি ধৰে।

## কাণেৰে শুনি-হাতেৰে স্পৰ্শ কৰিয়েই অনুপম ফটো তোলে যুৱতীয়ে

# দৃষ্টিশক্তিৰ অবিহনেই পৰিণত হৈছে ফটোগ্ৰাফাৰত



**নিউজ ব্যুৰ'**
**কাইৰ', ১৪ ডিচেম্বৰ ঃ** সপোন আছিল সাংবাদিক হোৱাৰ। অথচ সেই সপোনত বাধাৰ সৃষ্টি কৰিছিল শাৰীৰিক প্ৰতিবন্ধকতাই। তথাপি নিজৰ লক্ষ্যত তেওঁ অবিচল হৈ ৰৈছিল। দৃষ্টিশক্তি নাথাকিলে কি হ'ল, কাণেৰে শুনি আৰু হাতেৰে স্পৰ্শ কৰিয়েই মিছৰৰ আলেকজেন্দ্ৰিয়া চহৰৰ বিভিন্ন স্থানত ঘূৰি-পকি দৈনন্দিন জীৱনৰ মনোমোহা ফটো সংগ্ৰহ কৰি ফুৰে ২২ বছৰীয়া যুৱতী ইজৰা ইছমাইলে।

পেছাৰূপে সাংবাদিকতাকে বাছি ল'ব বিচাৰে ইজৰাই। কলেজতো তেওঁ গণ মাধ্যম বিষয়তে পঢ়া-শুনা কৰিব খোজে। সেইবাবে এতিয়াৰ পৰাই ফটোগ্ৰাফীত সিদ্ধহস্ত হৈ উঠাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে ইজৰাই। এই সন্দৰ্ভত দৃষ্টিহীন যুৱতীগৰাকীয়ে কয়, 'গণ মাধ্যম বিষয়ত অধ্যয়ন কৰিম বুলিয়েই ফটোগ্ৰাফীক বাছি লৈছো। মই সকলো প্ৰকাৰে চেষ্টা কৰিছো যাতে গণ মাধ্যম বিষয়ত পঢ়া-শুনা কৰিব পাৰো, কিন্তু আগতে মই ফটোগ্ৰাফীৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। সেয়ে কলেজত ফটোগ্ৰাফী বিষয়ত অধ্যয়ন কৰি আছো।' প্ৰথমাৱস্থাত ইজৰাই ম'বাইল ফোনতে ফটো তুলিছিল। অৱশ্যে তেওঁ জানিছিল যে আচল কেমেৰাৰে ফটো তোলাটো অভ্যাস কৰিব লাগিব। সেই সময়তে খালেদ ফাৰিদ নামৰ এজন ফটোগ্ৰাফাৰৰ স'তে তেওঁৰ পৰিচয় হয়। ফাৰিদেই ইজৰাক ফটোগ্ৰাফীৰ পাঠ প্ৰদান কৰে। ইজৰাই কয়, 'ম'বাইলত ফটো তোলা নহয়, বৰঞ্চ কেমেৰাৰে কিদৰে ফটো তুলিব লাগে সেয়া প্ৰথম খালেদেহে মোক শিকালে।'

দৃষ্টিহীন হোৱা সত্ত্বেও ইজৰাই কিদৰে ফটো সংগ্ৰহ কৰে? এই সন্দৰ্ভত যুৱতীগৰাকীয়ে কয়, 'কোনো এটা বস্তুক আগতে স্পৰ্শ কৰি তাৰ জোখ, আয়তন সম্পৰ্কে নিজৰ মনতে এটা ধাৰণা কৰি লওঁ। কোনো লোকৰ মুখৰ ফটো সংগ্ৰহৰ সময়ত তেওঁৰ স'তে কথাও পাতি থাকো। যাতে শব্দ শুনি বুজিব পাৰো যে সেই মানুহজন ঠিক কোন স্থানত থিয় হৈ আছে। তাৰ পাছতো ফটো লওঁ।' ইজৰাই ৰহমা আবদেলৰহমান নামৰ এগৰাকী মহিলা আৰু তেওঁৰ স্বামীৰ ফটো তুলিছিল। ৰহমাই ইজৰাৰ সম্পৰ্কে কয়, 'তেওঁ প্ৰথমে আমাক চুই চাইছিল। আমাৰ স'তে অনৰ্গল কথাও পাতিছিল। যাতে তেওঁ বুজিব পাৰে যে আমি ক'ত থিয় হৈ আছো। তাৰ পাছতে ইজৰাই আমাৰ বহু ফটো তুলিলে। সকলো ফটোৱেই আছিল অপূৰ্ব।'

## লাহৰীঘাটত তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**লাহৰীঘাট, ১৪ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী অভিযান। লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে যোৱা নিশা থানাৰ অন্তৰ্গত বৰবঞ্জীৰ পৰা তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী কেইজন ক্ৰমে জাকাৰীয়া আলম (২৫) আমিনুল হক (৩২) ইছমাইল আলী (২৪)। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী কেইজনৰ পৰা দুটা ড্ৰাগছ ভৰ্তি কৰ্টেনাৰ আৰু এটা চিৰিঞ্চ উদ্ধাৰ কৰে। আৰক্ষীয়ে ৮৭১/২১ইউএছ- ২১(এ)/২৯এনডিপিএচ এক্টৰ অধিনত এটি গোচৰ ৰুজু কৰি ড্ৰাগছ সৰবৰাহকাৰী কেইজনক আজি মৰিগাঁও জেল হাজতলৈ প্ৰেৰন কৰে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com